$$16 = 8x \Rightarrow x = 2$$

$\therefore$ উলিয়াবলগীয়া বিন্দুটো (2, 4).

৯নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, AB লেম্প প'ষ্ট আৰু B হ'ল লাইটটোৰ অৱস্থান। ধৰা হ'ল, যিকোনো মুহূৰ্তত মানুহজনৰ অৱস্থান CD, এই অৱস্থানত, ধৰা হ'ল, মানুহজন আৰু দণ্ডডালৰ মাজৰ দূৰত্ব x আৰু ছাঁৰ দৈর্ঘ্য y.

$\therefore$ AB = 6, CD = 2, AC = x, CL = y

ABL আৰু CDL সদৃশ ত্ৰিভুজৰ পৰা, আমি পালোঁ,



$$\frac{AB}{CD} = \frac{AL}{CL}$$

$$\Rightarrow \frac{6}{2} = \frac{x+y}{y}$$

$$\Rightarrow 3y = x + y$$

$$\Rightarrow 2y = x$$

$$\therefore \frac{d}{dt}(2y) = \frac{d}{dt}(x)$$

$$\Rightarrow 2\frac{dy}{dt} = \frac{dx}{dt}$$

এতিয়া, $\frac{dx}{dt} = 6\,km/h$ (দিয়া আছে)

$$\therefore 2\frac{dy}{dt} = 6\ km/h$$

$$\Rightarrow \frac{dy}{dt} = 3\ km/h$$

$\therefore$ ছাঁৰ দৈর্ঘ্য ঘণ্টাত 3kmকৈ বাঢ়ে। আকৌ, লেম্প প'ষ্টৰ পৰা ছাঁৰ টুপৰ দূৰত্ব = x + y

$\therefore$ প'ষ্টটোৰ পৰা ছাঁ টুপ আঁতৰি অহাৰ হাৰ $= \frac{d}{dt}(x+y)$

$$= \frac{dx}{dt} + \frac{dy}{dt}$$

$$= 6\ km/h + 3\ km/h$$

$$= 9\ km/h$$

১০নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, যিকোনো সময় tত, ঘনটোৰ প্ৰত্যেক দাঁতিৰ দৈর্ঘ্য = x, ঘনটোৰ আয়তন = V

$\therefore V = x^3$ ... ... (i)

এতিয়া, $\frac{dx}{dt} = 3\,cm/sec$ (দিয়া আছে) ... ... (ii)

(i)ক t সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{dV}{dt} = 3x^2\frac{dx}{dt}$

$$\Rightarrow \frac{dV}{dt} = 9x^2\text{, (ii)-ৰ সহায়ত}$$

যেতিয়া x = 10cm,

আমি পালোঁ $\frac{dV}{dt} = 9 \times 10^2 \ \text{cm}^3/\text{sec}$

$= 900 \ \text{cm}^2/\text{sec}$

১১নং প্ৰশ্নৰ উত্তৰ ঃ a) ধৰা হ'ল, $f(x) = 2x^2 - 6x + 3$

$\therefore f'(x) = 4x - 6$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 4x - 6 = 0$

$\Rightarrow x = \frac{3}{2}$

এতিয়া, $f''(x) = \frac{d}{dx}(4x-6)$

$\Rightarrow f''(x) = 4$

$\Rightarrow f''\left(\frac{3}{2}\right) = 4 > 0$

$\therefore x = \frac{3}{2}$ ত ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান $= f\left(\frac{3}{2}\right)$

$= 2 \times \frac{9}{4} - 6 \times \frac{3}{2} + 3$

$= \frac{9 - 18 + 6}{2}$

$= -\frac{3}{2}$

b) ধৰা হ'ল, $f(x) = x + \frac{1}{x}$

$\therefore f'(x) = 1 - \frac{1}{x^2}$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 1 - \frac{1}{x^2} = 0$

$\Rightarrow x^2 - 1 = 0$

$\Rightarrow (x+1)(x-1) = 0$

$\Rightarrow x = -1, x = 1$

এতিয়া, $f''(x) = \frac{d}{dx}\left(1-\frac{1}{x^2}\right)$

$= 0 - \frac{-2}{x^3}$

$= \frac{2}{x^3}$

$\therefore f''(-1) = -2 < 0$

$\Rightarrow$ x = –1ত ফলনটো গৰিষ্ঠ আৰু গৰিষ্ঠ মান, $f(-1) = -1+\frac{1}{-1} = -2.$

আকৌ, $f''(1) = 2 > 0$

$\therefore$ x = 1ত ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান, f(1) = 1 + 1 = 2

c) ধৰা হ'ল, $f(x) = 4x^3 - 15x^2 + 12x - 1$

$\Rightarrow f'(x) = 12x^2 - 30x + 12$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow 12x^2 - 30x + 12 = 0$

$\Rightarrow 6(2x^2-5x+2) = 0$

$\Rightarrow (2x-1)(x-2) = 0$

$\Rightarrow x = \frac{1}{2}, x = 2$

এতিয়া, $f''(x) = \frac{d}{dx}\left(12x^2 - 30x + 12\right)$

$= 24x - 30$

$\therefore f''\left(\frac{1}{2}\right) = 12 - 30$

$= -18 < 0$

$\Rightarrow x = \frac{1}{2}$ত f(x) গৰিষ্ঠ আৰু গৰিষ্ঠ মান $= f\left(\frac{1}{2}\right)$

$= 4\times\frac{1}{8} - 15\times\frac{1}{4} + 12\times\frac{1}{2} - 1$

$= \frac{1}{2} - \frac{15}{4} + 5$

$= \frac{2-15+20}{4}$

$= \frac{7}{4}$

আকৌ, $f''(2) = 24 \times 2 - 30$

$= 18 > 0$

$\Rightarrow$ x = 2ত f(x) গৰিষ্ঠ আৰু গৰিষ্ঠ মান= f(2)

$= 4 \times 8 - 15 \times 4 + 12 \times 2 - 1$

$= 32 - 60 + 24 - 1$

$= 56 - 61$

$= -5$

১২নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $y = x^x$

$\therefore \log y = \log x^x$

$\Rightarrow \log y = x \log x$

$$\therefore \frac{d}{dx}(\log y) = \frac{d}{dx}(x \log x)$$

$$\Rightarrow \frac{1}{y}.\frac{dy}{dx} = x.\frac{1}{x} + 1.\log x$$

$$\Rightarrow \frac{dy}{dx} = y(1 + \log x) \qquad \text{... ... ... (1)}$$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dy}{dx} = 0$

$\Rightarrow y(1+\log x) = 0$

$\Rightarrow \log x = -1$

$$\Rightarrow x = e^{-1} = \frac{1}{e}$$

এতিয়া, $\frac{d^2y}{dx^2} = \frac{d}{dx}\{y(1+\log x)\}$

$$= \frac{dy}{dx}.(1+\log x) + y.\frac{1}{x}$$

$= y(1+\log x)^2 + \frac{y}{x}$, (1)-ৰ পৰা

যেতিয়া $x = \frac{1}{e}$,

$$\frac{d^2y}{dx^2} = \left(\frac{1}{e}\right)^{\frac{1}{e}}(1-1)^2 + \left(\frac{1}{e}\right)^{\frac{1}{e}}.e$$

$$= e\left(\frac{1}{e}\right)^{\frac{1}{e}} > 0$$

$x = \frac{1}{e}$ ত ফলনটো লঘিষ্ঠ আৰু ফলনটোৰ লঘিষ্ঠ মান, $\left(\frac{1}{e}\right)^{\frac{1}{e}}$.

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $f(x) = \sin x(1+\cos x)$

$\therefore f'(x) = \cos x(1+\cos x) + \sin x(-\sin x)$

$= \cos x + \cos^2 x - \sin^2 x$

$= \cos x + \cos 2x$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $f'(x) = 0$

$\Rightarrow \cos x + \cos 2x = 0$

$\Rightarrow \cos 2x = -\cos x$

$\Rightarrow \cos 2x = \cos(\pi - x)$

$\Rightarrow 2x = \pi - x$

$\Rightarrow x = \frac{\pi}{3}$

$f''(x) = -\sin x - 2\sin 2x$

$\therefore f''\left(\frac{\pi}{3}\right) = -\sin\frac{\pi}{3} - 2\sin\frac{2\pi}{3} < 0$

$\therefore$ ফলনটোৰ গৰিষ্ঠ মান $x = \frac{\pi}{3}$ বিন্দুত আছে।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, x আৰু y দুটা সংখ্যা।

প্ৰশ্নমতে, $x + y = 20$

$\Rightarrow y = 20 - x$ ... ... (1)

ধৰা হ'ল, সংখ্যা দুটাৰ পূৰণফল P

$\therefore P = xy$

$\Rightarrow P = x(20-x)$, (1)-ৰ সহায়ত

$\Rightarrow P = 20x - x^2$

$\therefore \frac{dP}{dx} = 20 - 2x$

P-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dP}{dx} = 0$

$\Rightarrow 20 - 2x = 0$

$\Rightarrow x = 10$

এতিয়া, $\frac{d^2P}{dx^2} = \frac{d}{dx}(20 - 2x)$

$= -2 < 0$


$\therefore$ যেতিয়া $x = 10$, P গৰিষ্ঠ।

আকৌ, $x = 10$, হ'লে, $y = 10$

$\therefore$ সংখ্যা দুটা হ'ল 10 আৰু 10.

১৫নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, আয়তক্ষেত্ৰটো ABCD আৰু DEC অৰ্ধবৃত্ত আৰু ইয়াৰ ব্যাস DC. ধৰা হ'ল, $DC = 2x$

$AD = y$



$\therefore$ চিত্ৰটোৰ পৰিসীমা $= 2x + 2y + \pi x$

$\therefore\ 2x + 2y + \pi x = 20$

$$\Rightarrow y = 10 - x - \frac{\pi}{2}x \qquad \text{... ... ... (1)}$$

ধৰা হ'ল, চিত্ৰটোৰ কালি A.

$$\therefore A = 2xy + \frac{1}{2}\pi x^2$$

$$= 2x\left[10 - x - \frac{\pi}{2}x\right] + \frac{1}{2}\pi x^2, \text{ (1)-ৰ পৰা}$$

$$= 20x - 2x^2 - 2.\frac{\pi}{2}x^2 + \frac{1}{2}\pi x^2$$

$$= 20x - 2x^2 - \frac{\pi}{2}x^2$$

$$\therefore \frac{dA}{dx} = 20 - 4x - \pi x \qquad \text{... ... ... (2)}$$

Aৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dA}{dx} = 0$

$$\Rightarrow 20 - 4x - \pi x = 0$$

$$\Rightarrow (4+\pi)x = 20$$

$$\Rightarrow x = \frac{20}{4+\pi}$$

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2A}{dx^2} = -4 - \pi < 0$

$\therefore$ যেতিয়া $x = \frac{20}{4+\pi}$ কালি গৰিষ্ঠ।

$\therefore$ আয়ত ক্ষেত্ৰটোৰ এটা বাহু $2x = \frac{40}{4+\pi}$

আয়ত ক্ষেত্ৰটোৰ আনটো বাহু = y

$$= 10 - \frac{20}{4+\pi} - \frac{\pi}{2}.\frac{20}{4+\pi}$$

$$= 10 - \frac{20}{4+\pi} - \frac{10\pi}{4+\pi}$$


$$= \frac{40+10\pi-20-10\pi}{4+\pi}$$

$$= \frac{20}{4+\pi}$$

১৬নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, শঙ্কুটো ABC, ইয়াৰ ভূমি BC আৰু শীৰ্ষ বিন্দু A.

ধৰা হ'ল, ইয়াৰ উচ্চতা AO. ধৰা হ'ল, $\angle OAC = \theta$

ধৰা হ'ল, হেলনীয়া (Slant) উচ্চতা AC.



শঙ্কুটোৰ ব্যাসাৰ্ধ = OC = $l \sin\theta$

শঙ্কুটোৰ উচ্চতা = OA = $l \cos\theta$

$\therefore$ আয়তন $V = \frac{1}{3}\pi(l\sin\theta)^2.l\cos\theta$

$$= \frac{\pi l^3}{3}\sin^2\theta\cos\theta$$

$$\therefore \frac{dV}{d\theta} = \frac{\pi l^3}{3}\left[2\sin\theta\cos^2\theta - \sin^3\theta\right]$$

$$= \frac{\pi l^3}{3}\sin\theta\left(2\cos^2\theta - \sin^2\theta\right) \quad \text{... ... ... (2)}$$

গৰিষ্ঠ আয়তনৰ বাবে, $\frac{dV}{d\theta} = 0$

$$\Rightarrow \frac{\pi l^3}{3}\sin\theta\left(2\cos^2\theta - \sin^2\theta\right) = 0$$

$$\Rightarrow 2\cos^2\theta - \sin^2\theta = 0 \quad [\because \sin\theta \neq 0 \text{ যিহেতু } \theta > 0]$$

$$\Rightarrow 2 - \tan^2\theta = 0$$

$$\Rightarrow \tan^2\theta = 2$$

$$\Rightarrow \tan\theta = \sqrt{2} \quad [\because \theta > 0 \quad \therefore \tan\theta > 0]$$

$$\Rightarrow \theta = \tan^{-1}\sqrt{2}$$

(2)ক θ সাপেক্ষে অৱকলন কৰি, আমি পাওঁ,

$$\frac{d^2V}{d\theta^2} = \frac{\pi l^3}{3}\left[\sin\theta(-4\cos\theta\sin\theta - 2\sin\theta\cos\theta) + \cos\theta\left(2\cos^2\theta - \sin^2\theta\right)\right]$$

$$= \frac{\pi l^3}{3}\left[\cos\theta\left\{-4\sin^2\theta - 2\sin^2\theta + 2\cos^2\theta - \sin^2\theta\right\}\right]$$

$$= \frac{\pi l^3}{3}\cos\theta\left(-7\sin^2\theta + 2 - 2\sin^2\theta\right)$$

$$= \frac{\pi l^3}{3}\cos\theta\left(2 - 9\sin^2\theta\right)$$

যেতিয়া $\theta = \tan^{-1}\sqrt{2}$, আমি পালোঁ,

$$\frac{d^2V}{d\theta^2} = \frac{\pi l^3}{3}.\frac{1}{\sqrt{3}}\left(2 - 9.\frac{2}{3}\right) \qquad \left[\because \tan\theta = \sqrt{2} \;\; \therefore \sin\theta = \sqrt{\frac{2}{3}}, \cos\theta = \frac{1}{\sqrt{3}}\right]$$

$$= -\frac{4\pi l^3}{3\sqrt{3}} < 0$$

$\therefore$ যেতিয়া $\theta = \tan^{-1}\sqrt{2}$, V গৰিষ্ঠ।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, ABCD আয়ত ক্ষেত্ৰটোৰ প্ৰদত্ত পৰিসীমা 'a'.

ধৰা হ'ল, AB = x

AD = y

$\therefore$ 2x + 2y = a

$$\Rightarrow y = \frac{1}{2}(a - 2x) \qquad \text{... ... ... (i)}$$

ধৰা হ'ল, আয়ত ক্ষেত্ৰটোৰ কালি A

$\therefore$ A = xy

$$\Rightarrow A = \frac{1}{2}\left(ax - 2x^2\right) \text{ (i)-ৰ সহায়ত}$$

$$\therefore \frac{dA}{dx} = \frac{1}{2}(a - 4x) \qquad \text{... ... ... (ii)}$$

A-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dA}{dx} = 0$

$$\Rightarrow \frac{1}{2}(a - 4x) = 0$$

$$\Rightarrow x = \frac{a}{4}$$

(ii)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2A}{dx^2} = \frac{1}{2}(0 - 4)$

$= -2 < 0$

$\therefore$ $x = \frac{a}{4}$ হ'লে, A গৰিষ্ঠ।

আকৌ, $x = \frac{a}{4}$ হ'লে, $y = \frac{1}{2}\left(a - 2.\frac{a}{4}\right) = \frac{a}{4}$


$\therefore$ $x = y = \frac{a}{4}$ হ'লে, A গৰিষ্ঠ।

প্ৰদত্ত পৰিসীমাৰ আয়ত ক্ষেত্ৰবোৰৰ ভিতৰত বৰ্গক্ষেত্ৰৰ কালি গৰিষ্ঠ।

১৮নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, প্ৰতিটো কোণৰ প্ৰত্যেক বাহুৰ পৰা কাটি লগীয়া অংশ x cm.

$\therefore$ বাকচটোৰ ভূমিৰ মাত্ৰা (18–2x)cm আৰু (18–2x)cm.

বাকচটোৰ উচ্চতা = x cm.



ধৰা হ'ল, বাকচটোৰ আয়তন = V

$\therefore$ $V = x(18–2x)(18–2x);\ x > 0,\ x < 9.$

$\Rightarrow$ $V = 324x – 7x – 72x^2 + 4x^3$

$\therefore$ $\frac{dV}{dx} = 324 - 144x + 12x^2$

গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে, $\frac{dV}{dx} = 0$

$\Rightarrow$ $324 – 144x + 12x^2 = 0$

$\Rightarrow$ $12(x^2–12x+27) = 0$

$\Rightarrow$ $x^2 – 12x + 27 = 0$

$\Rightarrow$ $(x–3)(x–9) = 0$

$\Rightarrow$ $x = 3 \qquad [\because x < 9]$

এতিয়া, $\frac{d^2V}{dx^2} = \frac{d}{dx}(324 - 144x + 12x^2)$

$= –144 + 24x$

যেতিয়া $x = 3$, আমি পাওঁ, $\frac{d^2V}{dx^2} = -144 + 72$

$= –72 < 0$

$\therefore$ যেতিয়া $x = 3$, V গৰিষ্ঠ।

$\therefore$ গৰিষ্ঠ আয়তন পাবলৈ বাকচটোৰ প্ৰত্যেক কোণৰ পৰা 3cm দৈৰ্ঘ্যৰ বৰ্গ কাটিব লাগিব।

১৯নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, R ব্যাসাৰ্ধৰ গোলকটোৰ কেন্দ্ৰ O.

ধৰা হ'ল, গোলকটোত অন্তৰ্লিখিত শঙ্কুটো হ'ল ABC.

ধৰা হ'ল, শঙ্কুটোৰ উচ্চতা R + x আৰু শঙ্কুৰ ভূমিৰ ব্যাসাৰ্ধ y.

$\therefore\ x^2 + y^2 = R^2$

$\Rightarrow\ y^2 = R^2 - x^2$ ... ... (1)

ধৰা হ'ল, শঙ্কু আৰু গোলকৰ আয়তন ক্ৰমে V আৰু V_1


$\therefore\ V = \frac{1}{3}\pi y^2(R + x)$ ... ... (2)

$V_1 = \frac{4}{3}\pi R^3$ ... ... (3)

(2)-ৰ পৰা $\Rightarrow V = \frac{1}{3}\pi(R^2 - x^2)(R + x)$, (1)-ৰ সহায়ত

$$\Rightarrow V = \frac{1}{3}\pi(R^3 + R^2x - Rx^2 - x^3)$$

$$\therefore \frac{dV}{dx} = \frac{1}{3}\pi(R^2 - 2Rx - 3x^2)$$



V-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$$\frac{dV}{dx} = 0$$

$\Rightarrow R^2 - 2Rx - 3x^2 = 0$

$\Rightarrow 3x^2 + 2Rx - R^2 = 0$

$\Rightarrow (3x - R)(x + R) = 0$

$\Rightarrow 3x - R = 0\ \ [\because x + R \neq 0]$

$$\Rightarrow x = \frac{R}{3}$$

এতিয়া, $\frac{d^2V}{dx^2} = \frac{d}{dx}\left[\frac{1}{3}\pi(R^2 - 2Rx - 3x^2)\right]$

$$= \frac{1}{3}\pi(-2R - 6x)$$

$x = \frac{R}{3}$ হ'লে, $\frac{d^2V}{dx^2} = \frac{1}{3}\pi\left(-2R - 6.\frac{R}{3}\right)$

$$= -\frac{4}{3}\pi R < 0$$

$\therefore\ x = \frac{R}{3}$ হ'লে,

V গৰিষ্ঠ আৰু গৰিষ্ঠ শঙ্কুটোৰ আয়তন = $\frac{1}{3}\pi\left(R^2-\frac{R^2}{9}\right)\left(R+\frac{R}{3}\right)$

$= \frac{1}{3}\pi.\frac{8R^2}{9}.\frac{4R}{3}$

$= \frac{8}{27}\left(\frac{4}{3}\pi R^3\right)$

$= \frac{8}{27}V_1 = \frac{8}{27}$ (গোলকটোৰ আয়তন)

২০নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত উপবৃত্তটো $\frac{x^2}{a^2}+\frac{y^2}{b^2}=1$ ... ... (1)

ধৰা হ'ল, উপবৃত্তটোত অন্তৰ্লিখিত আয়তক্ষেত্ৰটো ABCD.

ধৰা হ'ল, AB = 2x, BC = 2y.


ধৰা হ'ল, আয়তক্ষেত্ৰটোৰ কালি A.

$\therefore$ A = (2x)(2y)

= 4xy

$= 4\frac{b}{a}x\sqrt{a^2-x^2}$ $\left[\because \frac{y^2}{b^2}=1-\frac{x^2}{a^2}\right.$
$\left.\therefore y^2=\frac{b^2}{a^2}\left(a^2-x^2\right)\right]$

$\because$ A > 0 $\therefore$ A গৰিষ্ঠ $\Rightarrow$ A^2 গৰিষ্ঠ।



ধৰা হ'ল, $u = A^2$

$\Rightarrow u = \frac{16b^2}{a^2}x^2\left(a^2-x^2\right)$

$\Rightarrow u = \frac{16b^2}{a^2}\left(a^2x^2-x^4\right)$

$\therefore \frac{du}{dx} = \frac{16b^2}{a^2}\left(2a^2x-4x^3\right)$

u-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{du}{dx}=0$

$\Rightarrow 2a^2x - 4x^3 = 0$

$\Rightarrow 2x(a^2-2x^2) = 0$

$\Rightarrow 2x^2 = a^2$ $[\because x > 0]$

$\Rightarrow x = \frac{a}{\sqrt{2}}$

এতিয়া $\frac{d^2u}{dx^2} = \frac{16b^2}{a^2}\left(2a^2 - 12x^2\right)$

যেতিয়া $x = \frac{a}{\sqrt{2}}$, $\frac{d^2u}{dx^2} = \frac{16b^2}{a^2}\left(2a^2 - 12.\frac{a^2}{2}\right)$

$= \frac{16b^2}{a^2}\left(-4a^2\right)$

$= -64b^2 < 0$

$\therefore$ যেতিয়া $x = \frac{a}{\sqrt{2}}$, u গৰিষ্ঠ।

অৰ্থাৎ, যেতিয়া $x = \frac{a}{\sqrt{2}}$, A গৰিষ্ঠ।

$x = \frac{a}{\sqrt{2}} \Rightarrow y = \frac{b}{a}\sqrt{a^2 - \frac{a^2}{2}} = \frac{b}{\sqrt{2}}$

$\therefore$ সবাতোকৈ ডাঙৰ আয়তক্ষেত্ৰটোৰ কালি = $4xy = 4\frac{a}{\sqrt{2}}.\frac{b}{\sqrt{2}} = 2ab$

২১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল, $a^2y = x^3 - a^3$ ... ... (1)

x সাপেক্ষে অৱকলন কৰি, আমি পাওঁ, $a^2\frac{dy}{dx} = 3x^2$

$\Rightarrow \frac{dy}{dx} = \frac{3x^2}{a^2}$

আকৌ, x সাপেক্ষে অৱকলন কৰি আমি পাওঁ, $\frac{d^2y}{dx^2} = \frac{6x}{a^2}$

$$\because \rho = \frac{\left[1 + \left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$$

$$= \frac{\left[1 + \left(\frac{3x^2}{a^2}\right)^2\right]^{3/2}}{\frac{6x}{a^2}}$$

$$= \frac{\left(a^4 + 9x^4\right)^{3/2}}{6a^4x}$$

২২নং প্ৰশ্নৰ উত্তৰ ঃ a) $s = 4a \sin\psi$

$$\therefore \frac{ds}{d\psi} = 4a\cos\psi$$

$$\Rightarrow \rho = 4a\cos\psi$$

b) $s = c \log \sec\psi$

$$\Rightarrow \frac{ds}{d\psi} = c.\frac{1}{\sec\psi}.\sec\psi\tan\psi$$

$$\Rightarrow \rho = c\tan\psi$$

২৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল, $x^3 + y^3 = 3axy$ ... ... (1)

x সাপেক্ষে অৱকলন কৰি, আমি পাওঁ,

$$3x^2 + 3y^2\frac{dy}{dx} = 3a\left(x\frac{dy}{dx} + y\right)$$

$$\Rightarrow x^2 + y^2\frac{dy}{dx} = ax\frac{dy}{dx} + ay \qquad \text{... ... ... (2)}$$

$$\Rightarrow \left(y^2 - ax\right)\frac{dy}{dx} = ay - x^2$$

$$\Rightarrow \frac{dy}{dx} = \frac{ay - x^2}{y^2 - ax}$$

$\left(\frac{3a}{2}, \frac{3a}{2}\right)$ বিন্দুটোত $\frac{dy}{dx} = \frac{\frac{3a^2}{2} - \frac{9a^2}{4}}{\frac{9a^2}{4} - \frac{3a^2}{2}} = -1$

(2)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$2x + 2y\left(\frac{dy}{dx}\right)^2 + y^2\frac{d^2y}{dx^2} = a\frac{dy}{dx} + ax\frac{d^2y}{dx^2} + a\frac{dy}{dx}$$

$$\Rightarrow \left(y^2 - ax\right)\frac{d^2y}{dx^2} = 2a\frac{dy}{dx} - 2x - 2y\left(\frac{dy}{dx}\right)^2$$

$$\Rightarrow \frac{d^2y}{dx^2} = \frac{2a\frac{dy}{dx} - 2x - 2y\left(\frac{dy}{dx}\right)^2}{y^2 - ax}$$

$\left(\frac{3a}{2},\frac{3a}{2}\right)$ বিন্দুত $\frac{d^2y}{dx^2}=\frac{2a(-1)-3a-3a(1)}{\left(\frac{3a}{2}\right)^2-\frac{3a^2}{2}}$

$$= \frac{-8a}{9a^2-6a^2}\times 4$$

$$= \frac{-32}{3a}$$

$\therefore \left(\frac{3a}{2},\frac{3a}{2}\right)$ বিন্দুত বক্ৰতা ব্যাসাৰ্ধ $\rho = \left[\frac{\left[1+\left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}\right]_{\left(\frac{3a}{2},\frac{3a}{2}\right)}$

$$= \frac{(1+1)^{3/2}}{\frac{-32}{3a}}$$

$$= \frac{-2\sqrt{2}.3a}{32}$$

$$= -\frac{3a}{8\sqrt{2}}$$

$$= \frac{3a}{8\sqrt{2}}$$ (ঋণাত্মক চিন বিবেচনা নকৰি)

$\therefore$ বক্ৰতা $\left(\frac{3a}{2},\frac{3a}{2}\right)=\frac{1}{p}=\frac{8\sqrt{2}}{3a}$

২৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত ছাক্লিয়ডটো হ'ল,

$$x = a(t+\sin t) \quad \ldots\ldots\ldots (1)$$

$$y = a(1-\cos t) \quad \ldots\ldots\ldots (2)$$

$$\therefore \frac{dx}{dt} = a(1+\cos t)$$

আৰু $\frac{dy}{dt} = a\sin t$

$$\therefore \frac{dy}{dx} = \frac{\sin t}{1+\cos t} = \frac{2\sin\frac{t}{2}\cos\frac{t}{2}}{2\cos^2\frac{t}{2}} = \tan\frac{t}{2}$$

আকৌ, $\frac{d^2y}{dx^2} = \frac{d}{dx}\left(\tan\frac{t}{2}\right) = \sec^2\frac{t}{2}.\frac{1}{2}.\frac{dt}{dx}$

$$= \frac{1}{2}\sec^2\frac{t}{2}.\frac{1}{a(1+\cos t)}$$

$$= \frac{1}{2a}\sec^2\frac{t}{2}.\frac{1}{2\cos^2\frac{t}{2}}$$

$$= \frac{1}{4a}\sec^4\frac{t}{2}$$

বক্রতা ব্যাসার্ধ $\rho = \frac{\left[1+\left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$

$$= \frac{\left[1+\tan^2\frac{t}{2}\right]^{3/2}}{\frac{1}{4a}\sec^4\frac{t}{2}}$$

$$= 4a\sec^3\frac{t}{2}.\cos^4\frac{t}{2}$$

$$= 4a\cos\frac{t}{2}$$

২৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল,

$x = a\cos^2\theta$ ... ... (1)

$y = a\sin^3\theta$ ... ... (2)

$$\therefore \frac{dx}{d\theta} = a.3\cos^2\theta(-\sin\theta)$$

$= -3a\cos^2\theta.\sin\theta$

আৰু $\frac{dy}{d\theta} = a.3\sin^2\theta.\cos\theta$

$= 3a\sin^2\theta.\cos\theta$

$$\therefore \frac{dy}{dx} = \frac{3a\sin^2\theta\cos\theta}{-3a\cos^2\theta\sin\theta} = -\tan\theta$$

$$\therefore \frac{d^2y}{dx^2} = \frac{d}{dx}(-\tan\theta)$$

$$= -\sec^2\theta.\frac{d\theta}{dx}$$

$$= \frac{-\sec^2\theta}{-3a\cos^2\theta\sin\theta}$$

$$= \frac{\sec^4\theta\,\mathrm{cosec}\theta}{3a}$$

$$\therefore \text{বক্ৰতা ব্যাসার্ধ } \rho = \frac{\left[1+\left(\frac{dy}{dx}\right)^2\right]^{3/2}}{\frac{d^2y}{dx^2}}$$

$$\Rightarrow \rho = \frac{\left(1+\tan^2\theta\right)^{\frac{3}{2}}}{\frac{\sec^4\theta\,\mathrm{cosec}\theta}{3a}}$$

$$\Rightarrow \rho = \frac{3a\sec^3\theta}{\sec^4\theta\,\mathrm{cosec}\theta}$$

$$\Rightarrow \rho = 3a\sin\theta\cos\theta$$

$$\Rightarrow \rho = \frac{3}{2}a\sin 2\theta$$

$$\therefore \text{বক্ৰতা} = \frac{1}{\rho} = \frac{2}{3a}\mathrm{cosec}\,2\theta$$

২৬নং প্ৰশ্নৰ উত্তৰ ঃ বক্ৰটোৰ প্ৰদত্ত সমীকৰণ হ'ল, $x^2 - 4y^2 = 9$ ... ... (1)

$$\therefore \frac{d}{dx}\left(x^2-4y^2\right) = \frac{d}{dx}(9)$$

$$\Rightarrow 2x - 8y\frac{dy}{dx} = 0$$

$$\Rightarrow \frac{dy}{dx} = \frac{x}{4y}$$

$$\therefore \left[\frac{dy}{dx}\right]_{(5,-2)} = -\frac{5}{8}$$

$\therefore$ (5, –2) বিন্দুত স্পৰ্শকৰ সমীকৰণ হ'ল,

$$y + 2 = -\frac{5}{8}(x - 5)$$

or $8y + 16 = -5x + 25$

or $5x + 8x - 9 = 0$

(5, –2) বিন্দুত অভিলম্বৰ সমীকৰণ হ'ল,

$$y + 2 = \frac{-1}{-\frac{5}{8}}(x - 5)$$

or $y + 2 = \frac{8}{5}(x - 5)$

or $5y + 10 = 8x - 40$

or $8x - 5y - 50 = 0$

২৭নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল,

$$y = x^3 - 3x^2 - 9x + 5 \qquad \text{... ... ... (1)}$$

$$\therefore \frac{d}{dx}(y) = \frac{d}{dx}\left(x^3 - 3x^2 - 9x + 5\right)$$

$$\Rightarrow \frac{dy}{dx} = 3x^2 - 6x - 9$$

x অক্ষৰ সমান্তৰাল স্পৰ্শকৰ বাবে, $\frac{dy}{dx} = 0$

$$\Rightarrow 3x^2 - 6x - 9 = 0$$

$$\Rightarrow 3(x^2 - 2x - 3) = 0$$

$$\Rightarrow (x-3)(x+1) = 0$$

$$\Rightarrow x = 3, -1$$

যেতিয়া $x = 3$, (1)-ৰ পৰা আমি পাওঁ,

$$y = 27 - 27 - 27 + 5 = -22$$

যেতিয়া $x = -1$, (1)-ৰ পৰা আমি পাওঁ,

$$y = -1 - 3 + 9 + 5 = 10$$

$\therefore$ নিৰ্ণেয় বিন্দুকেইটা হ'ল, (3, –22) আৰু (–1, 10).

২৮নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত সমীকৰণটো হ'ল,

$$\left(\frac{x}{a}\right)^n + \left(\frac{y}{b}\right)^n = 2 \qquad \text{... ... ... (1)}$$

x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{nx^{n-1}}{a^n}+\frac{ny^{n-1}}{b^n}\frac{dy}{dx}=0$$

$$\Rightarrow \frac{ny^{n-1}}{b^n}\frac{dy}{dx}=-\frac{nx^{n-1}}{a^n}$$

$$\Rightarrow \frac{dy}{dx}=-\frac{b^n}{a^n}\cdot\frac{x^{n-1}}{y^{n-1}}$$

$$\therefore \left[\frac{dy}{dx}\right]_{(a,b)}=-\frac{b^n}{a^n}\cdot\frac{a^{n-1}}{b^{n-1}}=-\frac{b}{a}$$

$\therefore$ (a, b) বিন্দুত অভিলম্বৰ সমীকৰণ,

$$y-b=\frac{-1}{-\frac{b}{a}}(x-a)$$

বা $y-b=\frac{a}{b}(x-a)$

বা $by - b^2 = ax - a^2$

বা $ax - by = a^2 - b^2$

২৯নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল,

$y(x-2)(x-3) - x + 7 = 0$ ... ... (1)

(1) বক্ৰটোৱে x অক্ষক যিটো বিন্দুত কাটে সেই বিন্দুত কোটি শূন্য, অৰ্থাৎ, y = 0.

$\therefore -x + 7 = 0$

$\Rightarrow x = 7$

$\therefore$ (1) বক্ৰটোৱে x অক্ষক (7, 0) বিন্দুত ছেদ কৰে।

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$\frac{dy}{dx}(x-2)(x-3)+y.1(x-3)+y(x-2).1-1+0=0$$

$$\Rightarrow \frac{dy}{dx}(x-2)(x-3)=1-y(x-2)-y(x-3)$$

$$\Rightarrow \frac{dy}{dx}=\frac{1-y(x-2)-y(x-3)}{(x-2)(x-3)}$$

$$\Rightarrow \frac{dy}{dx}=\frac{1-y(2x-5)}{(x-2)(x-3)}$$

$$\therefore \left[\frac{dy}{dx}\right]_{(7,\,0)}=\frac{1}{5\times 4}=\frac{1}{20}$$

$\therefore$ (7, 0) বিন্দুত স্পৰ্শকৰ সমীকৰণ,

$$y - 0 = \frac{1}{20}(x - 7)$$

বা $20y = x - 7$

বা $x - 20y - 7 = 0$

(7, 0) বিন্দুত অভিলম্বৰ সমীকৰণ,

$$y - 0 = \frac{-1}{\frac{1}{20}}(x - 7)$$

বা $y = -20(x-7)$

বা $y = -20x + 140$

বা $20x + y = 140$

৩০নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদত্ত বক্ৰটো হ'ল,

$$y^2 = 4a\left\{x + a\sin\left(\frac{x}{a}\right)\right\} \qquad \text{... ... ... (1)}$$

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$2y\frac{dy}{dx} = 4a\left\{1 + a\cos\left(\frac{x}{a}\right).\frac{1}{a}\right\}$$

$$\Rightarrow \frac{dy}{dx} = \frac{2a}{y}\left\{1 + \cos\left(\frac{x}{a}\right)\right\}$$

ধৰা হ'ল, (1) বক্ৰৰ (α, β) বিন্দুত টনা স্পৰ্শকডাল x অক্ষৰ সমান্তৰাল।

$$\therefore \left[\frac{dy}{dx}\right]_{(\alpha,\beta)} = 0$$

$$\Rightarrow 1 + \cos\left(\frac{\alpha}{a}\right) = 0$$

$$\Rightarrow \cos\left(\frac{\alpha}{a}\right) = -1 \qquad \text{... ... ... (2)}$$

আকৌ, (α, β) বিন্দুটো (1)ত আছে।

$$\therefore \beta^2 = 4a\left\{\alpha + a\sin\left(\frac{\alpha}{a}\right)\right\}$$

$$= 4a\left[\alpha + a\sqrt{1 - \cos^2\left(\frac{\alpha}{a}\right)}\right]$$

$= 4a[\alpha + a.0]$ (2)-ৰ সহায়ত

$$\Rightarrow \beta^2 = 4a\alpha$$

(α, β) ৰ সঞ্চাৰ পথ হ'ল, $y^2 = 4ax$, এইটো এটা অধিবৃত্ত।



৯.১১ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st ed.): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.
2) Habib, Amber. (2011) (1st ed.): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.
3) Maron, I .A. (1993) (1st ed.): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt Ltd.
4) Sharma, A. K. (2004) (1st ed.): *Text Book of Differential Calculus for B.A, B.Sc, B.Com, I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



৯.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অধোলিখিত ফলনবোৰ কোনবোৰ অন্তৰালত বৰ্ধমান বা হ্ৰাসমান নিৰ্ণয় কৰক।

a) $x^3 - 9x^2 + 15x + 11$

b) $2x^3 - 12x^2 + 18x + 15$

c) $x^4 - 8x^3 + 22x^2 - 24x + 21$

d) $(x+3)^3(x-5)^3$

প্ৰশ্ন ২ ঃ দেখুওৱাক যে $\tan^{-1} x \geq x - \frac{x^3}{3},\ x \geq 0$.

প্ৰশ্ন ৩ ঃ অধোলিখিত ফলনবোৰৰ কোনবোৰ বিন্দুত গৰিষ্ঠ আৰু লঘিষ্ঠ মান আছে নিৰ্ণয় কৰক।

a) $y = 9x^3 - 45x^2 + 48x + 11$

b) $y = 11 - 12x + 6x^2 - x^3$

প্ৰশ্ন ৪ ঃ দেখুওৱাক যে $y = \frac{1}{2}\left(e^x + e^{-x}\right) + \cos x$ ফলনটোৰ $x = 0$ বিন্দুত চৰম মান আছে। চৰম মানটো গৰিষ্ঠ নে লঘিষ্ঠ থিৰ কৰক।

প্ৰশ্ন ৫ ঃ দেখুওৱাক যে $\sin x(1+\cos x)$ ফলনটোৰ $x = \frac{\pi}{3}$ বিন্দুত গৰিষ্ঠ মান আছে।

প্ৰশ্ন ৬ ঃ x-ৰ কি মানৰ বাবে, sinx ফলনটো x-ৰ আধা হাৰত বাঢ়ে?

প্ৰশ্ন ৭ ঃ এটা বেলুনৰ ব্যাসার্ধ ছেকেণ্ডত 2m হাৰে বাঢ়ে আৰু ইয়াৰ উচ্চতা ছেকেণ্ডত 3m হাৰত কমে। যেতিয়া ব্যাসার্ধ 3m আৰু উচ্চতা 5m, বেলুনটোৰ আয়তন কি হাৰত বাঢ়ে নির্ণয় কৰক।

প্ৰশ্ন ৮ ঃ $\frac{x^2}{a^2}+\frac{y^2}{b^2}=1$ বক্ৰৰ $(a\cos\theta, b\sin\theta)$ বিন্দুত স্পৰ্শক সমীকৰণ উলিওৱাক।

প্ৰশ্ন ৯ ঃ $xy^2 = 4(4-x)$ বক্ৰটোৱে $y = x$ ৰেখাডালক ছেদ কৰা বিন্দুত স্পৰ্শক নির্ণয় কৰক।

প্ৰশ্ন ১০ ঃ $r = 3(1+\cos\theta)$ বক্ৰটোৰ $(r, 0)$ বিন্দুত বক্ৰতাৰ ব্যাসার্ধ উলিওৱাক।

*** ***** ***

অধ্যায় ১০ ঃ মাধ্য মান উপপাদ্য

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰ'লৰ উপপাদ্য
১০.৩.১ ৰ'লৰ উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা
১০.৪ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য
১০.৪.১ লাগ্ৰাজৰ মাধ্য মান উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা
১০.৪.২ লাগ্ৰাজৰ মাধ্য মান উপপাদ্যৰ প্ৰমাণ
১০.৪.৩ লাগ্ৰাজৰ মাধ্য মান উপাপাদ্যৰ আন এটা ৰূপ
১০.৫ কছিৰ মাধ্য মান উপপাদ্য
১০.৫.১ কছিৰ মাধ্য মান উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা
১০.৫.২ কছিৰ মাধ্য মান উপপাদ্যৰ প্ৰমাণ
১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ অধিক জানিবলৈ
১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- জানিবলৈ পাব যে এটা মসৃণ বক্ৰৰ এটা প্ৰদত্ত অংশত এটা বিন্দু আছে য'ত বক্ৰটোৰ প্ৰৱণতা অংশটোৰ গড় অৱকলজৰ সমান
- বক্ৰৰ বিভিন্ন স্পৰ্শকৰ জ্যামিতীয় তাৎপৰ্য্য নিগমন কৰিব পাৰিব
- ৰ'লৰ উপপাদ্যৰ বিষয়ে জানিব পাৰিব
- লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ বিষয়ে জানিব পাৰিব
- কছিৰ মাধ্য মান উপপাদ্যৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়ত, আমি কেইটামান অতি প্ৰয়োজনীয় উপপাদ্যৰ বিষয়ে আলোচনা কৰিম। এই উপপাদ্যবোৰ এটা বন্ধ অন্তৰালৰ অন্তঃস্থ বিন্দুত এটা অবিচ্ছিন্ন বক্ৰৰ স্পৰ্শকৰ লগত জড়িত। সবাতোকৈ গুৰুত্বপূৰ্ণ উপপাদ্যটো হ'ল ৰ'লৰ উপপাদ্য (Rolle's Theorem)। ই মাধ্য মান

উপপাদ্য কেইটাৰ ভিত্তি স্বৰূপ। মাইকেল ৰ'ল (Michel Rolle, 1652-1719) আছিল এজন ফৰাছী গণিতজ্ঞ। আমি লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য [জোছেফ লুই লাগ্ৰাঞ্জ, (Joseph Louis Lagrange, 1736-1813)] আৰু কছিৰ মাধ্য মান উপপাদ্যৰ [অগষ্টিন লুই কছি, (Augustin Louis Cauchy, 1789-1857)] বিষয়ে আলোচনা কৰিম।

১০.৩ ৰ'লৰ উপপাদ্য

ধৰা হ'ল, f ফলনটো [a, b] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—


i) [a, b]ত f অবিচ্ছিন্ন,

ii)]a, b[ত f অৱকলনীয়,


iii) f(a) = f(b).

তেনেহ'লে]a, b[ত অন্ততঃ এটা মান, ধৰা হ'ল, $c \in]a, b[$ আছে যাতে $f'(c) = 0$.

১০.৩.১ ৰ'লৰ উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা



চিত্ৰ **10.1**



চিত্ৰ **10.2**



মাইকেল ৰ'ল (1652-1719) ঃ এজন ফৰাছী গণিতজ্ঞ। তেওঁ ৰলৰ উপপাদ্যৰ কাৰণে জনাজাত আছিল।

যদি $y = f(x)$ ফলনৰ লেখ A[a, f(a)] বিন্দুৰ পৰা B[b, f(b)] বিন্দুলৈ প্ৰতিটো বিন্দুত অবিচ্ছিন্ন, A আৰু B-ৰ মাজৰ প্ৰতিটো বিন্দুত স্পৰ্শক আছে; আৰু A আৰু B বিন্দু দুটাৰ y স্থানাঙ্ক সমান হয়, তেনেহ'লে বক্ৰটোত A আৰু B-ৰ মাজত অন্ততঃ এটা বিন্দু P থাকিব য'ত স্পৰ্শক x অক্ষৰ সমান্তৰাল।

চিত্ৰ 10.1 অত মাত্ৰ এটা বিন্দু আছে য'ত স্পৰ্শক x অক্ষৰ সমান্তৰাল, কিন্তু চিত্ৰ 10.2ত এটাতকৈয়ো অধিক বিন্দুত স্পৰ্শক x অক্ষৰ সমান্তৰাল।

ৰ'লৰ উপপাদ্যৰ বিপৰীতটো সত্য নহয়।

$f(x) = x^3 - x^2 - x + 1$, $1 \in [-1, 2]$ ফলনটো লোৱা হ'ল।

ইয়াত $f'(x) = 3x^2 - 2x - 1$

$f'(1) = 3 - 2 - 1 = 0$ আৰু $1 \in]-1, 2[$

কিন্তু $f(-1) \neq f(2)$. গতিকে ৰ'লৰ উপপাদ্যৰ চর্ত (iii) সিদ্ধ নহয়।

ৰ'লৰ উপপাদ্যৰ প্ৰমাণ ঃ

[a, b]ত f অবিচ্ছিন্ন,

$\therefore$ [a, b]ত f পৰিবদ্ধ।

ধৰা হ'ল [a, b]ত f-ৰ লঘিষ্ঠ উচ্চ পৰিবদ্ধ আৰু গৰিষ্ঠ নিম্ন পৰিবদ্ধ ক্ৰমে M আৰু m.

এতিয়া দুটা সম্ভাৱনা আছে।

$M = m$ বা $M \neq m$

ক্ষেত্ৰ প্ৰথম ঃ ধৰা হ'ল, $M = m$

এই ক্ষেত্ৰত $f(x) = f(a) = f(b) = M = m, \forall x \in [a, b]$

$\Rightarrow f(x) =$ ধ্ৰুৱক, $\forall x \in [a, b]$

$\Rightarrow f'(x) = 0, \ \forall x \in [a, b]$

$\Rightarrow f'(c) = 0, \ c \in]a, b[$

ক্ষেত্ৰ দ্বিতীয় ঃ ধৰা হ'ল, $M \neq m$

এই ক্ষেত্ৰত M বা m পৰিবদ্ধ দুটাৰ অন্ততঃ এটা f(a) = f(b)ৰ পৰা পৃথক হ'ব।

ধৰা হ'ল, $M \neq f(a)$

$\Rightarrow f(a) < M$

ধৰা হ'ল, $c \in]a, b[$, যাতে $f(c) = M$

তেনেহ'লে, $f(c+h) \leq f(c) = M$, $h \to 0$-ৰ বাবে

$\Rightarrow f(c+h) - f(c) \leq 0$, $h \to 0$-ৰ বাবে

$$\Rightarrow \begin{cases} \dfrac{f(c+h)-f(c)}{h} \leq 0, \ h \to 0 \text{ আৰু } h > 0\text{-ৰ বাবে} \\ \dfrac{f(c+h)-f(c)}{h} \geq 0, \ h \to 0 \text{ আৰু } h < 0\text{-ৰ বাবে} \end{cases}$$

$$\Rightarrow \begin{cases} \lim\limits_{h \to 0+} \dfrac{f(c+h)-f(c)}{h} \leq 0 \\ \lim\limits_{h \to 0-} \dfrac{f(c+h)-f(c)}{h} \geq 0 \end{cases}$$

$\Rightarrow f'(c) = 0$ [$\because$ $f'(c)$ আছে $\therefore$ $Rf'(c) = Lf'(c) = f'(c)$]

গতিকে উভয় ক্ষেত্ৰত $f'(c) = 0$; $c \in]a, b[$.

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $f(x) = x^3 - 6x^2 + 11x - 6$-ৰ বাবে ৰ'লৰ উপপাদ্য সত্যাপন কৰক। $x \in [1,3]$.

সমাধান ঃ দিয়া আছে, $f(x) = x^3 - 6x^2 + 11x - 6, \ x \in [1,3]$

যিহেতু f এটা বহুপদীয় ফলন, গতিকে ই IRত অবিচ্ছিন্ন।

আকৌ, $f'(x) = 3x^2 - 12x + 11;\ \forall x \in R$

আৰু $f(1) = 0 = f(3)$

$\therefore$ f-এ ৰ'লৰ উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore \exists\, c \in]1, 3[$, যাতে $f'(c) = 0$.

এতিয়া $f'(x) = 3x^2 - 12x + 11$

$\Rightarrow f'(c) = 3c^2 - 12c + 11$

$\therefore f'(c) = 0 \Rightarrow 3c^2 - 12c + 11 = 0$

$$\Rightarrow c = \frac{12 \pm \sqrt{144 - 132}}{6}$$

$$= \frac{12 \pm \sqrt{12}}{6}$$

$$= \frac{12}{6} \pm \frac{2\sqrt{3}}{6}$$

$$= 2 \pm \frac{1}{\sqrt{3}}$$

$\because\ 2 - \frac{1}{\sqrt{3}}$ আৰু $2 + \frac{1}{\sqrt{3}}$ উভয়ে 1 আৰু 3-ৰ মাজত আছে।

গতিকে ৰ'লৰ উপপাদ্য সত্যাপন কৰা হ'ল।

উদাহৰণ 2: অধোলিখিত ফলনকেইটাৰ বাবে ৰ'লৰ উপপাদ্যৰ চর্তকেইটা সিদ্ধ হয়নে?

a) $f(x) = x^2$, [2,3]

b) $f(x) = \tan x$, $[0, \pi]$

সমাধান ঃ

a) [2, 3]ত f অবিচ্ছিন্ন আৰু অৱকলনীয়।

কিন্তু $f(2) = 4, f(3) = 9$

$\therefore f(2) \neq f(3)$

$\therefore$ ৰ'লৰ উপপাদ্যৰ তৃতীয় চর্তটো সিদ্ধ নহয়।

b) এই ক্ষেত্রত $f(0) = 0$ আৰু $f(\pi) = 0$

$\therefore f(0) = f(\pi)$

$\therefore$ ৰ'লৰ উপপাদ্যৰ তৃতীয় চর্তটো সিদ্ধ হয়।

কিন্তু, $x = \frac{\pi}{2} \in [0,\pi]$ত f অবিচ্ছিন্ন নহয়।

$\therefore$ ৰ'লৰ উপপাদ্যৰ প্রথম দুটা চর্ত সিদ্ধ নহয়।

উদাহৰণ 3: [1,3]ত সংজ্ঞাৱদ্ধ $f(x) = x^3 - 6x^2 + ax + b$ ফলনে $c = \frac{2\sqrt{3}+1}{\sqrt{3}}$ ৰ বাবে ৰ'লৰ উপপাদ্য সিদ্ধ কৰে। a আৰু b-ৰ মান নির্ণয় কৰক।

সমাধান ঃ যিহেতু f(x)-এ [1, 3]ত ৰ'লৰ উপপাদ্যৰ চর্তকেইটা সিদ্ধ কৰে,

$\therefore f(1) = f(3)$

$\Rightarrow 1 - 6 + a + b = 27 - 54 + 3a + b$

$\Rightarrow -5 + a = -27 + 3a$

$\Rightarrow 22 = 2a$

$\Rightarrow a = 11$

$\because f(1) = f(3)$, b-ৰ ওপৰত নির্ভৰশীল নহয়।

$\therefore$ b যিকোনো বাস্তৱ সংখ্যা।

$\therefore b \in R$

$\therefore a = 11, b \in R.$

উদাহৰণ 4: যদি $2a + 3b + 6c = 0$, প্রমাণ কৰক যে $ax^2 + bx + c = 0$, সমীকৰণৰ অন্ততঃ এটা মূল]0, 1[অন্তৰালত থাকে।

সমাধান ঃ $f(x) = \frac{ax^3}{3} + \frac{bx^2}{2} + cx$ ফলনটো লোৱা হ'ল।

$\therefore f(0) = 0$

আৰু $f(1) = \frac{a}{3} + \frac{b}{2} + c$

$= \frac{2a + 3b + 6c}{6}$

$= 0$ [$\because 2a + 3b + 6c = 0$, দিয়া আছে]

$\therefore f(0) = f(1) = 0$

আকৌ, [0, 1]ত f অবিচ্ছিন্ন আৰু]0, 1[ত f অৱকলনীয়।

ৰ'লৰ উপপাদ্য মতে,

$\therefore$]0, 1[ত অন্ততঃ এটা সংখ্যা, ধৰা হ'ল, α আছে যাতে $f'(\alpha) = 0$

অর্থাৎ, $ax^2 + bx + c = 0$ সমীকৰণৰ এটা মূল আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ $f(x) = x^3 - 4x$, $x \in [-2, 2]$ ফলনৰ বাবে ৰ'লৰ উপপাদ্য সত্যাপন কৰক।

প্রশ্ন নং ২ঃ অধোলিখিত ফলনবোৰৰ বাবে নির্দিষ্ট অন্তৰালত ৰ'লৰ উপপাদ্য প্রযোজ্য হয়নে নহয় বিচাৰ কৰক।

a) $y = x(x-4)$; $x \in [0, 4]$ b) $f(x) = x$ in $[1, 2]$

c) $f(x) = |x|$ in $[-1, 1]$.


প্রশ্ন নং ৩ঃ $[1, 3]$ত সংজ্ঞাৱদ্ধ $f(x) = x^3 + bx^2 + ax + 5$ ফলনে $c = 2 + \frac{1}{\sqrt{3}}$-ৰ বাবে ৰ'লৰ উপপাদ্য সিদ্ধ কৰে। a আৰু bৰ মান নির্ণয় কৰক।

প্রশ্ন নং ৪ঃ ৰ'লৰ উপপাদ্যৰ সহায়ত অধোলিখিত বক্ৰবোৰৰ কোণবোৰ বিন্দুত স্পর্শক x অক্ষৰ সমান্তৰাল নির্ণয় কৰক।

a) $f(x) = 16 - x^2$; $x \in [-1, 1]$

b) $f(x) = \cos x - 1$; $x \in [0, 2\pi]$

১০.৪ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য



জোছেফ লুই লাগ্ৰাঞ্জৰ ***(1736-1813)*** *ঃ* ইটালীৰ এজন বিখ্যাত গণিতজ্ঞ।

ধৰা হ'ল f ফলনটো $[a, b]$ অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—


i) $[a, b]$ত f অবিচ্ছিন্ন,

ii) $]a, b[$ত f অৱকলনীয়।


তেনেহ'লে $]a, b[$ত অন্ততঃ এটা মান, ধৰা হ'ল $c \in]a, b[$ আছে যাতে—

$$f'(c) = \frac{f(b) - f(a)}{b - a}$$

১০.৪.১ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা



চিত্ৰ 10.3



চিত্ৰ 10.4

AB জ্যাৰ প্রৱণতা $= \frac{f(b) - f(a)}{b - a}$

যদি $y = f(x)$ ফলনৰ লেখ $A[a, f(a)]$ বিন্দুৰপৰা $B[b, f(b)]$ বিন্দুলৈ প্রতিটো বিন্দুত অবিচ্ছিন্ন; A আৰু B ৰ মাজৰ প্রতিটো বিন্দুত স্পর্শক আছে; আৰু A আৰু B বিন্দু দুটাৰ Y-স্থানাঙ্ক সমান নহয়, তেনেহ'লে বক্ৰটোত A আৰু B-ৰ মাজত অন্ততঃ এটা বিন্দু P থাকিব য'ত স্পর্শক AB জ্যাৰ সমান্তৰাল।

চিত্র 10.3ত মাত্র এটা বিন্দু আছে য'ত স্পর্শক AB জ্যাৰ সমান্তৰাল, কিন্তু চিত্র 10.4ত এটাতকৈয়ো অধিক বিন্দুত স্পর্শক জ্যাডালৰ সমান্তৰাল।

১০.৪.২ লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্যৰ প্রমাণ

g ফলনটো বিবেচনা কৰা হ'ল,

$$g(x) = f(x) + Ax \quad \ldots\ \ldots\ \ldots\ (1)$$

ইয়াত A এটা ধ্রুৱক (বাস্তৱ সংখ্যা)।

যাতে $g(a) = g(b)$

$\Rightarrow f(a) + Aa = f(b) + Ab$

$\Rightarrow Aa - Ab = f(b) + Ab$

$\Rightarrow -A(b-a) = f(b) - f(a)$

$$\Rightarrow A = -\frac{f(b)-f(a)}{b-a} \quad \ldots\ \ldots\ \ldots\ (2)$$

A-ৰ এই মানৰ বাবে—

i) [a, b]ত g অবিচ্ছিন্ন, যিহেতু [a, b]ত f আৰু Ax অবিচ্ছিন্ন;

ii)]a, b[ত g অৱকলনীয়, যিহেতু]a, b[ত f আৰু Ax অৱকলনীয়;

iii) $g(a) = g(b)$

g-এ ৰ'লৰ উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$]a, b[ত অন্তত এটা c থাকিব যাতে $g'(c) = 0 \quad \ldots\ \ldots\ \ldots\ (3)$

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$g'(x) = f'(x) + A$

$\Rightarrow g'(c) = f'(c) + A$

$\Rightarrow 0 = f'(c) + A$, (3)-ৰ সহায়ত

$\Rightarrow f'(c) = -A$

$\Rightarrow f'(c) = \frac{f(b)-f(a)}{b-a}$, (2)-ৰ সহায়ত

১০.৪.৩ লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্যৰ আন এটা ৰূপ

ধৰা হ'ল, f ফলনটো [a, a+h] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

i) [a, a+h] অন্তৰালত f অবিচ্ছিন্ন;

ii)]a, a+h[অন্তৰালত f অৱকলনীয়।

তেনেহ'লে,]0, 1[অন্তৰালত এনে এটা সংখ্যা, ধৰা হ'ল t, থাকিব যাতে—

$$f(a+h) = f(a) + h\, f'(a+th)$$

প্রমাণ ঃ g ফলনটো বিবেচনা কৰা হ'ল।

$$g(x) = f(x) + Ax \quad \ldots\ \ldots\ \ldots(1)$$

যাতে A এটা ধ্রুৱক, যাতে—

$g(a) = g(a+h)$

$\Rightarrow f(a) + Aa = f(a+h) + A(a+h)$

$\Rightarrow f(a) + Aa = f(a+h) + Aa + Ah$

$\Rightarrow f(a) - f(a+h) = Ah$

$$\Rightarrow A = \frac{f(a) - f(a+h)}{h} \quad \ldots\ \ldots\ \ldots\ (2)$$

এতিয়া, i) [a, a+h] ত g অবিচ্ছিন্ন;

ii)]a, a+h[ত g অৱকলনীয়;

iii) g(a) = g(a+h)

গতিকে, g-এ ৰ'লৰ উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$]a, a+h[ত এনে এটা সংখ্যা c থাকিব যাতে $g'(c) = 0 \ldots\ \ldots\ \ldots\ (3)$

$\because\ 0 < t < 1$ (দিয়া আছে)

$\therefore\ a + th \in\ ]a, a+h[$

গতিকে $c = a + th$ বুলি ধৰিব পাৰি।

$\therefore$ (3)-ৰ পৰা $g'(a+th) = 0 \quad \ldots\ \ldots\ \ldots\ (4)$

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$g'(x) = f'(x) + A$

$\Rightarrow g'(a+th) = f'(a+th) + A$

$\Rightarrow 0 = f'(a+th) + A$, (4)-ৰ পৰা

$$\Rightarrow 0 = f'(a+th) + \frac{f(a) - f(a+h)}{h}, \text{ (2)-ৰ পৰা}$$

$\Rightarrow 0 = hf'(a+th) + f(a) - f(a+h)$

$\Rightarrow f(a+h) = f(a) + hf'(a+th)$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: $f(x) = 2x^2 - 10x + 29,\ x \in [2, 7]$-ৰ বাবে লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰক।

সমাধান ঃ দিয়া আছে, $f(x) = 2x^2 - 10x + 29$

f(x) এটা বহুপদ। গতিকে সকলো বাস্তৱ সংখ্যাৰ বাবে f অবিচ্ছিন্ন আৰু অৱকলনীয়।

i) [2,7]ত f(x) অবিচ্ছিন্ন;

ii)]2,7[ত f(x) অৱকলনীয়।

[2,7] অন্তৰালত f(x)-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

∴]2, 7[অন্তৰালত অন্ততঃ এনে এটা বাস্তৱ সংখ্যা c থাকিব যাতে—

$$f'(c) = \frac{f(7) - f(2)}{7 - 2}$$

এতিয়া, $f'(x) = \frac{d}{dx}(2x^2 - 10x + 29)$

$= 4x - 10$

∴ $f'(c) = 4c - 10$

$$\frac{f(7) - f(2)}{7 - 2} = \frac{(2.7^2 - 10.7 + 29) - (2.2^2 - 10.2 + 29)}{5}$$

$$= \frac{57 - 17}{5}$$

$= 8$

$$\therefore\ f'(c) = \frac{f(7) - f(2)}{7 - 2}$$

$\Rightarrow 4c - 10 = 8$

$\Rightarrow 4c = 18$

$$\Rightarrow c = \frac{9}{2}$$

∵ $2 < c < 7$

∴ লাগ্ৰাঞ্জৰ মাধ্যমান উপপাদ্য সত্যাপন কৰা হ'ল।

উদাহৰণ 2: $y = (x-3)^2$ বক্ৰৰ যি বিন্দুত স্পর্শক (3, 0) আৰু (4, 1) বিন্দু সংযোগী জ্যাৰ সমান্তৰাল, সেই বিন্দুটো নির্ণয় কৰক।

সমাধান ঃ $y = f(x) = (x-3)^2$

∴ $f(x) = x^2 - 6x + 9$ এটা বহুপদ

∴ [3, 4]ত f অবিচ্ছিন্ন আৰু]3, 4[ত f অৱকলনীয়।

∴ f(x)-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

]3, 4[ত এটা বিন্দু c থাকিব যাতে—

$f'(c) = \frac{f(4) - f(3)}{4 - 3}$ = (3, 0) আৰু (4, 1) সংযোগী ৰেখাৰ প্ৰৱণতা।

$$\Rightarrow 2c - 6 = \frac{(4-3)^2 - (3-3)^2}{1}$$

$\Rightarrow 2c - 6 = 1$

$$\Rightarrow c = \frac{7}{2}$$

$$\therefore f(c) = \left(\frac{7}{2} - 3\right)^2 = \frac{1}{4}$$

গতিকে, বক্রটোৰ উলিয়াব লগীয়া বিন্দুটো হ'ল, $\left(\frac{7}{2}, \frac{1}{4}\right)$.

উদাহৰণ 3: যদি $0 < a < b$, প্রমাণ কৰক যে $\frac{b-a}{1+b^2} < \tan^{-1}b - \tan^{-1}a < \frac{b-a}{1+a^2}$

সমাধান ঃ ধৰা হ'ল, $f(x) = \tan^{-1}x$

$$\therefore f'(x) = \frac{1}{1+x^2}$$

[a, b]ত লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যটো হ'ল,

$$f'(c) = \frac{f(b) - f(a)}{b-a};\ a < c < b$$

$$\Rightarrow \frac{1}{1+c^2} = \frac{\tan^{-1}b - \tan^{-1}a}{b-a}$$

$$\Rightarrow \frac{b-a}{1+c^2} = \tan^{-1}b - \tan^{-1}a \qquad \text{... ... ... (1)}$$

$\because 0 < a < c,\ \therefore a^2 < c^2$

$\Rightarrow 1 + a^2 < 1 + c^2$

$$\Rightarrow \frac{1}{1+a^2} > \frac{1}{1+c^2}$$

$$\Rightarrow \frac{b-a}{1+a^2} > \frac{b-a}{1+c^2}$$

$$\Rightarrow \frac{b-a}{1+a^2} > \tan^{-1}b - \tan^{-1}a$$, (1)-ৰ পৰা

অৰ্থাৎ, $\tan^{-1}b - \tan^{-1}a < \frac{b-a}{1+a^2}$ ... ... (2)

আকৌ, $\because\ 0 < c < b,\ \therefore\ c^2 < b^2$

$\Rightarrow 1 + c^2 < 1 + b^2$

$$\Rightarrow \frac{1}{1+c^2} > \frac{1}{1+b^2}$$

$$\Rightarrow \frac{b-a}{1+c^2} > \frac{b-a}{1+b^2}$$

$$\Rightarrow \tan^{-1}b - \tan^{-1}a > \frac{b-a}{1+b^2}$$, (1)-ৰ পৰা

অৰ্থাৎ, $\frac{b-a}{1+b^2} < \tan^{-1}b - \tan^{-1}a$ ... ... (3)

(2) আৰু (3)ৰ পৰা, $\frac{b-a}{1+b^2} < \tan^{-1}b - \tan^{-1}a < \frac{b-a}{1+a^2}$

উদাহৰণ 4: লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ সহায়ত $\sqrt{66}$ -ৰ এটা আসন্ন মান উলিয়াওক।

সমাধান ঃ তলৰ ফলনটো লোৱা হ'ল,

$f(x) = \sqrt{x}\,;\ x \in [64, 66]$

যিহেতু $[0, \infty[$ত $\sqrt{x}$ অবিচ্ছিন্ন আৰু $]0, \infty[$ত অৱকলনীয়।

$\therefore$ $]64, 66[$ত f অবিচ্ছিন্ন আৰু $[64, 66]$ত অৱকলনীয়।

$\therefore$ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ পৰা, $]64,66[$ত এনে এটা c আছে।

যাতে, $f'(c) = \frac{f(66) - f(64)}{66 - 64}$

$\Rightarrow \frac{1}{2\sqrt{c}} = \frac{f(66) - f(64)}{2}$ $\left[\because f(x) = \sqrt{x}\ \ ,\therefore f'(x) = \frac{1}{2\sqrt{x}}\right]$

$\Rightarrow \frac{1}{\sqrt{c}} = \sqrt{66} - \sqrt{64}$

$\Rightarrow \frac{1}{\sqrt{c}} = \sqrt{66} - 8$

$\Rightarrow \sqrt{66} = 8 + \frac{1}{\sqrt{c}}$ ... ... (1)

$\Rightarrow \sqrt{66} < 8 + \frac{1}{8}$ $\left[\begin{array}{l}\because c \in]64,66[\\ \therefore c > 64 \\ \Rightarrow \sqrt{c} > 8 \\ \Rightarrow \frac{1}{\sqrt{c}} < \frac{1}{8}\end{array}\right]$

$\Rightarrow \sqrt{66} < \frac{65}{8}$

$\Rightarrow \sqrt{66} < 8.125$ ... ... (2)

আকৌ, (1) $\Rightarrow \sqrt{66} = 8 + \frac{1}{\sqrt{c}}$ $\left[\begin{array}{l} \\ \because c < 66 \\ \therefore \frac{1}{\sqrt{c}} > \frac{1}{\sqrt{66}} \\ \Rightarrow \frac{1}{\sqrt{c}} > \frac{8}{65}\end{array}\right]$

$\Rightarrow \sqrt{66} > 8 + \frac{8}{65}$

$\Rightarrow \sqrt{66} > 8.123$ ... ... (3)

(2) আৰু (3)-ৰ পৰা, $8.123 < \sqrt{66} < 8.125$

$\Rightarrow \sqrt{66} = 8.124$ (মোটামুটিভাৱে)

উদাহৰণ 5: যদি এটা ফলন f-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সিদ্ধ কৰে আৰু $f'(x) = 0, \forall x \in]a, b[$, প্ৰমাণ কৰক যে [a,b] ত f এটা ধ্ৰুৱক ফলন।

সমাধান ঃ ধৰা হ'ল, $a < x_1 < x_2 < b$

$\because$ [a, b]ত f-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সিদ্ধ কৰে আৰু $[x_1, x_2] \subset [a, b]$.

$\therefore$ $[x_1, x_2]$তো f-এ লাগ্ৰাঞ্জৰ উপপাদ্যৰ চৰ্তবোৰ সিদ্ধ কৰে।

$\therefore]x_1, x_2[$ত এনে এটা বিন্দু c থাকিব যাতে—

$$f'(c) = \frac{f(x_2) - f(x_1)}{x_2 - x_1} \qquad \ldots\ \ldots\ \ldots\ (1)$$

দিয়া আছে, $f'(x) = 0, \forall x \in]a, b[$

$\Rightarrow f'(c) = 0 \quad (\because c \in]a, b[)$

$\Rightarrow \frac{f(x_2) - f(x_1)}{x_2 - x_1} = 0$, (1)-ৰ পৰা

$\Rightarrow f(x_2) - f(x_1) = 0$

$\Rightarrow f(x_1) = f(x_2), a < x_1 < x_2 < b$

$\Rightarrow$ [a, b]ত f(x) ধ্ৰুৱক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অধোলিখিত ফলনবোৰৰ বাবে নিৰ্দিষ্ট অন্তৰালত লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰক।

a) $f(x) = x^3 - 2x^2 - x + 3;\ x \in [0, 1]$

b) $f(x) = \sqrt{25 - x^2}\ ;\ x \in [1, 5]$

c) $f(x) = \log_e x;\ x \in [1, e]$

প্ৰশ্ন নং ৬ ঃ যদি $f(x) = (x-1)(x-2)(x-3)$ আৰু $a = 0, b = 4$;

$\frac{f(b) - f(a)}{b - a} = f'(c)$ সিদ্ধ কৰাকৈ c-ৰ মান নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৭ ঃ $y = x^3 - 3x$ বক্ৰৰ যি বিন্দুত স্পৰ্শক, (1, –2) আৰু (2, 2) বিন্দু সংযোগী জ্যাৰ সমান্তৰাল, সেই বিন্দু নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৮ ঃ যদি $f(x) = ax^2 + bx + c$, লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য $f(x+h) = f(x) + hf'(x+th)$-ৰ পৰা t-ৰ মান নিৰ্ণয় কৰক।

১০.৫ কছিৰ মাধ্য মান উপপাদ্য

ধৰা হ'ল, f আৰু g ফলন দুটা [a, b] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

i) [a, b] ত f আৰু g অবিচ্ছিন্ন;

ii)]a, b[ত f আৰু g অৱকলনীয়;

iii) $g'(x) \neq 0 \quad \forall x \in]a, b[$.


তেনেহ'লে,]a, b[ত অন্ততঃ এটা মান, ধৰা হ'ল, $c \in]a, b[$ আছে যাতে—

$$\frac{f(b)-f(a)}{g(b)-g(a)} = \frac{f'(c)}{g'(c)}$$

১০.৫.১ কছিৰ মাধ্য মান উপপাদ্যৰ জ্যামিতীয় ব্যাখ্যা



অগষ্টিন লই কছি (1789-1857) ঃ এজন ফৰাছী গণিতজ্ঞ আছিল।



$$\frac{f'(c)}{g'(c)} = \frac{[c,f(c)] \text{ বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতা}}{[c,g(c)] \text{ বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতা}}$$

আকৌ, $\frac{f(b)-f(a)}{b-a}$ = AB জ্যাৰ প্ৰৱণতা আৰু

$\frac{g(b)-g(a)}{g-a}$ = A′B′ জ্যাৰ প্ৰৱণতা

$$\therefore \frac{f(b)-f(a)}{g(b)-g(a)} = \frac{AB \text{ জ্যাৰ প্ৰৱণতা}}{A'B' \text{ জ্যাৰ প্ৰৱণতা}}$$

এইদৰে, যদি y = f(x) আৰু y = g(x) ফলনৰ লেখ যথাক্ৰমে A[a, f(a)] বিন্দুৰ পৰা B[b, f(b)] আৰু A′[a, g(a)] বিন্দুৰ পৰা B′[b, g(b)] বিন্দুলৈ প্ৰতিটো বিন্দুত অবিচ্ছিন্ন; A আৰু Bৰ মাজৰ, A′ আৰু B′ মাজৰ প্ৰতিটো বিন্দুত স্পৰ্শক আছে; A′ আৰু B′ মাজৰ কোনো বিন্দুতে স্পৰ্শক x অক্ষৰ সমান্তৰাল নহয়, তেনেহ'লে]a, b[ত অন্ত এটা বিন্দু C থাকিব যাতে AB আৰু A′B′ জ্যাৰ প্ৰৱণতাৰ অনুপাত, x = c-এ বক্ৰ দুডালক কটা বিন্দুত টনা স্পৰ্শকৰ প্ৰৱণতাৰ অনুপাতৰ সমান।

১০.৫.২ কছিৰ মাধ্য মান উপপাদ্যৰ প্ৰমাণ

φ ফলনটো বিবেচনা কৰা হ'ল,

$$\varphi(x) = f(x) + Ag(x) \qquad \text{... ... ... (1)}$$

A এটা ধ্রুৱক (বাস্তৱ সংখ্যা) যাতে—

$\varphi(a) = \varphi(b)$

$\Rightarrow f(a) + Ag(a) = f(b) + Ag(b)$

$\Rightarrow A[g(a)-g(b)] = f(b) - f(a)$

$$\Rightarrow A = -\frac{f(b)-f(a)}{g(b)-g(a)} \quad \text{... ... ... (2)}$$

A-ৰ এই মানৰ বাবে,

i) [a, b]ত φ অবিচ্ছিন্ন, কিয়নো [a, b]ত f আৰু g অবিচ্ছিন্ন;

ii)]a, b[ত φ অৱকলনীয়, কিয়নো]a, b[ত f আৰু g অৱকলনীয়;

iii) $\varphi(a) = \varphi(b)$

গতিকে, -এ ৰ'লৰ উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$]a, b[ত অন্ততঃ এটা বিন্দু c থাকিব যাতে $\varphi'(c) = 0$ ... ... (3)

(1)ক x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$\varphi'(x) = f'(x) + Ag'(x)$

$\Rightarrow \varphi'(c) = f'(c) + Ag'(c)$

$\Rightarrow 0 = f'(c) + Ag'(c)$, (3)-ৰ সহায়ত

$\Rightarrow -Ag'(c) = f'(c)$

$$\Rightarrow -A = \frac{f'(c)}{g'(c)}$$

$$\Rightarrow \frac{f(b)-f(a)}{g(b)-g(a)} = \frac{f'(c)}{g'(c)}$$

অনুসিদ্ধান্ত ঃ কছিৰ মাধ্য মান উপপাদ্যৰ অন্য ৰূপ।

ধৰা হ'ল, [a, a+h] অন্তৰালত সংজ্ঞাৱদ্ধ f আৰু g দুটা ফলন যাতে—

i) [a, a+h]ত f আৰু g অবিচ্ছিন্ন;

ii)]a, a+h[ত f আৰু g অৱকলনীয়;

iii) $g'(x) \neq 0,\ \forall x \in]a, a+h[$.

তেনেহ'লে]0, 1[এনে বিন্দু t থাকিব যাতে—

$$\frac{f(a+h)-f(a)}{g(a+h)-g(a)} = \frac{f'(a+th)}{g'(a+th)}$$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: [1, 2]ত সংজ্ঞাৱদ্ধ $f(x) = x^2$ আৰু $g(x) = x^3$ ফলনৰ বাবে কছিৰ মাধ্য মান উপপাদ্য সত্যাপন কৰক।

সমাধান ঃ দিয়া আছে, $f(x) = x^2$, $g(x) = x^3$

f আৰু g উভয়ে বহুপদীয় ফলন। গতিকে [1, 2] অন্তৰালত উভয়ে অবিচ্ছিন্ন আৰু অৱকলনীয়।

আকৌ, $f'(x) = 2x$, $g'(x) = 3x^2$

$\therefore g'(x) \neq 0, \ \forall x \in]1,2[$

$\therefore$ f আৰু g-এ কছিৰ মাধ্য মান উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$]1, 2[ত এনে এটা বিন্দু c থাকিব যাতে—

$$\frac{f(2)-f(1)}{g(2)-g(1)} = \frac{f'(c)}{g'(c)}$$

$$\Rightarrow \frac{4-1}{8-1} = \frac{2c}{3c^2}$$

$$\Rightarrow \frac{3}{7} = \frac{2c}{3c^2}$$

$\Rightarrow 9c^2 = 14c$

$\Rightarrow 9c = 14 \quad [\because c \neq 0]$

$$\Rightarrow c = \frac{14}{9}$$

$$\because 1 < \frac{14}{9} < 2$$

$\therefore$ কছিৰ মাধ্য মান উপপাদ্য সত্যাপন কৰা হ'ল।

উদাহৰণ 2: ধৰা হ'ল, a, b আৰু θ ই $0 < a < \theta < b < \frac{\pi}{2}$, সিদ্ধ কৰে। প্রমাণ কৰক যে

$$\frac{\sin a - \sin b}{\cos b - \cos a} = \cot\theta$$

সমাধান ঃ ধৰা হ'ল, $f(x) = \sin x$, $g(x) = \cos x$.

ধৰা হ'ল, f(x) আৰু g(x) অবিচ্ছিন্ন আৰু অৱকলনীয়।

আকৌ, $f'(x) = \cos x$, $g'(x) = -\sin x$

আৰু $g'(x) \neq 0; \ \forall x \in \left]0, \frac{\pi}{2}\right[$.

$\therefore$]a, b[ত এনে এটা θ থাকিব যাতে—

$$\frac{f(b)-f(a)}{g(b)-g(a)} = \frac{f'(\theta)}{g'(\theta)}$$

$$\Rightarrow \frac{\sin b - \sin a}{\cos b - \cos a} = \frac{\cos\theta}{-\sin\theta}$$

$$\Rightarrow \frac{\sin b - \sin a}{\cos b - \cos a} = -\cot\theta$$

$$\Rightarrow \frac{\sin a - \sin b}{\cos b - \cos a} = \cot\theta$$

উদাহৰণ 3: যদি f ফলনটো [a, b]ত অবিচ্ছিন্ন আৰু]a, b[ত অৱকলনীয়, আৰু a < c < b, কছিৰ মাধ্য মান উপপাদ্যৰ পৰা নিগমন কৰক যে

$$f(b) - f(a) = cf'(c)\log\frac{b}{a},\ b > a > 0$$

সমাধান ঃ ধৰা হ'ল, $g(x) = \log x,\ x > 0$

$$\therefore g'(x) = \frac{1}{x} \neq 0,\ x > 0$$

কছিৰ মাধ্য মান উপপাদ্যটো হ'ল,

$$\frac{f(b) - f(a)}{g(b) - g(a)} = \frac{f'(c)}{g'(c)};\ c \in]a,b[$$

$$\Rightarrow \frac{f(b) - f(a)}{\log b - \log a} = \frac{f'(c)}{\frac{1}{c}}$$

$$\Rightarrow \frac{f(b) - f(a)}{\log\frac{b}{a}} = cf'(c)$$

$$\Rightarrow f(b) - f(a) = cf'(c)\log\frac{b}{a}$$

উদাহৰণ 4: কছিৰ মাধ্য মান উপপাদ্যত, ধৰা হ'ল, $f(x) = \sqrt{x}$ আৰু $g(x) = \frac{1}{\sqrt{x}}$.

প্ৰমাণ কৰক যে c হ'ল a আৰু b-ৰ গুণোত্তৰ মাধ্য।

সমাধান ঃ কছিৰ মাধ্য মান উপপাদ্যটো হ'ল,

$$\frac{f(b) - f(a)}{g(b) - g(a)} = \frac{f'(c)}{g'(c)};\ a < c < b \qquad \ldots\ \ldots\ \ldots\ (1)$$

এতিয়া, $f(x) = \sqrt{x}\ \therefore f'(x) = \frac{1}{2\sqrt{x}}$

আৰু $g(x) = \frac{1}{\sqrt{x}}\ \therefore g'(x) = -\frac{1}{2x\sqrt{x}}$

$$\therefore (1) \Rightarrow \frac{\sqrt{b} - \sqrt{a}}{\frac{1}{\sqrt{b}} - \frac{1}{\sqrt{a}}} = \frac{\frac{1}{2\sqrt{c}}}{-\frac{1}{2c\sqrt{c}}}$$

$$\Rightarrow \frac{\left(\sqrt{b}-\sqrt{a}\right)\sqrt{ab}}{\sqrt{a}-\sqrt{b}} = -\frac{c\sqrt{c}}{\sqrt{c}}$$

$$\Rightarrow \frac{-\sqrt{ab}\left(\sqrt{a}-\sqrt{b}\right)}{\sqrt{a}-\sqrt{b}} = -c$$

$$\Rightarrow c = \sqrt{ab}$$

$\Rightarrow$ a আৰু b-ৰ মাজৰ গুণোত্তৰ মাধ্য c.



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃঅধোলিখিত ফলনৰ যোৰকেইটাৰ বাবে কছিৰ মাধ্য মান উপপাদ্যৰ c নির্ণয় কৰক।

i) $f(x) = \log x,\ g(x) = \frac{1}{x}$ on [1, e]

ii) $f(x) = \sqrt{x},\ g(x) = \frac{1}{\sqrt{x}}$ on [1, 3]

প্রশ্ন নং ১০ ঃ কছিৰ মাধ্য মান উপপাদ্যত যদি $f(x) = \frac{1}{x^2}$, $g(x) = \frac{1}{x}$, প্রমাণ কৰক যে c হ'ল a আৰু b-ৰ হৰাত্মক মাধ্য।

প্রশ্ন নং ১১ ঃ কছিৰ মাধ্য মান উপপাদ্যত যদি $f(x) = e^{-x}$, $g(x) = e^{x}$, প্রমাণ কৰক যে c হ'ল a আৰু b ৰ সমান্তৰ মাধ্য।



১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ৰ'লৰ উপপাদ্য হ'ল এনে ধৰণৰ—

  ধৰা হ'ল f ফলনটো [a, b] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

  i) [a, b]ত f অবিচ্ছিন্ন;

  ii)]a, b[ত f অৱকলনীয়;

  iii) f(a) = f(b).

  তেনেহ'লে]a, b[অন্ততঃ এটা মান, ধৰা হ'ল, $c \in]a, b[$ আছে যাতে $f'(c) = 0$.

- লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্য হ'ল এনে ধৰণৰ—

  ধৰা হ'ল, f ফলনটো [a, b] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

  i) [a, b]ত f অবিচ্ছিন্ন;

  ii)]a, b[ত f অৱকলনীয়।

  তেনেহ'লে,]a,b[ত অন্ততঃ এটা মান, ধৰা হ'ল, $c \in]a, b[$ আছে যাতে—

$$f'(c) = \frac{f(b) - f(a)}{b - a}.$$

লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্যৰ আন এটা ৰূপ হ'ল এনে ধৰণৰ—

ধৰা হ'ল, f ফলনটো [a, a+h] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

i) [a, a+h] অন্তৰালত f অবিচ্ছিন্ন;

ii)]a, a+h[অন্তৰালত f অৱকলনীয়।

তেনেহ'লে,]0, 1[অন্তৰালত এনে এটা সংখ্যা, ধৰা হ'ল, t থাকিব যাতে—

$f(a+h) = f(a) + h\, f'(a+th)$

- কছিৰ মাধ্য মান উপপাদ্য হ'ল এনে ধৰণৰ—

ধৰা হ'ল, f আৰু g ফলন দুটা [a, b] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

i) [a, a+h]ত f আৰু g অবিচ্ছিন্ন;

ii)]a, b[ত f আৰু g অৱকলনীয়;

iii) $g'(x) \neq 0 \ \forall x \in]a, b[$.

তেনেহ'লে,]a,b[ত এনে বিন্দু t থাকিব যাতে—

$$\frac{f(b) - f(a)}{g(b) - g(a)} = \frac{f'(c)}{g'(c)}$$

কছিৰ মাধ্য মান উপপাদ্য হ'ল এনে ধৰণৰ—

ধৰা হ'ল, f আৰু g ফলন দুটা [a, a+h] অন্তৰালত সংজ্ঞাৱদ্ধ যাতে—

i) [a, a+h]ত f আৰু g অবিচ্ছিন্ন;

ii)]a, a+h[ত f আৰু g অৱকলনীয়;

iii) $g'(x) \neq 0, \ \forall x \in]a, a+h[$.

তেনেহ'লে,]0, 1[ত এনে বিন্দু t থাকিব যাতে—

$$\frac{f(a+h) - f(a)}{g(a+h) - g(a)} = \frac{f'(a+th)}{g'(a+th)}$$

১০.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ যিহেতু f(x) এটা বহুপদীয় ফলন, গতিকে ই [–2, 2] অন্তৰালত অবিচ্ছিন্ন।

আকৌ, $f'(x) = 3x^2 - 4$ অন্তৰালত]–2, 2[.

আৰু $f(-2) = -8 + 8 = 0$, $f(2) = 8 - 8 = 0$

$\therefore f(-2) = f(2)$

$\therefore$ f(x)-এ [–2, 2] অন্তৰালত ৰ'লৰ উপপাদ্যৰ সকলোবোৰ চর্ত সিদ্ধ কৰে।

$\therefore$]–2, 2[ত এনে এটা c আছে যাতে $f'(c) = 0$.

$f'(c) = 0 \Rightarrow 3c^2 - 4 = 0$

$\Rightarrow c^2 = \frac{4}{3}$

$\Rightarrow c = \pm\frac{2}{\sqrt{3}}$

cৰ এই দুয়োটা মানেই –2 আৰু 2-ৰ মাজত আছে।

গতিকে, ৰ'লৰ উপপাদ্য সত্যাপন কৰা হ'ল।

২নং প্ৰশ্নৰ উত্তৰ ঃ a) দিয়া আছে $y = f(x) = x(x-4);\ x \in [0,4]$

$= x^2 - 4x$

$\because$ y এটা বহুপদীয় ফলন, গতিকে ই [0, 4]ত অবিচ্ছিন্ন।

আকৌ,]0, 4[অন্তৰালত $\frac{dy}{dx} = 2x - 4$ স্থিত।

আকৌ, $f(0) = 0$

$f(4) = 0$

$\therefore\ f(0) = f(4)$

$\therefore$ y-এ ৰ'লৰ উপপাদ্যৰ সকলোবোৰ চর্ত সিদ্ধ কৰে।

]0, 4[ত এনে এটা বিন্দু c আছে যাতে $\left[\frac{dy}{dx}\right]_{x=c} = 0$.

$\Rightarrow 2c - 4 = 0$

$\Rightarrow c = 2\, c \in]0, 4[$

$\therefore$ ৰ'লৰ উপপাদ্য প্ৰযোজ্য।

b) দিয়া আছে $f(x) = x,\ x \in [1,\ 2]$.

যিহেতু f(x) এটা বহুপদীয় ফলন, সকলো বাস্তৱ সংখ্যাৰ বাবে ই অবিচ্ছিন্ন আৰু অৱকলনীয়।

$\therefore$ [1, 2]ত $f(x) = x$ অবিচ্ছিন্ন আৰু]1, 2[ত $f'(x) = 1$ স্থিত।

কিন্তু $f(1) \neq f(2)$

ৰ'লৰ উপপাদ্য প্ৰযোজ্য নহয়।

c) $f(x) = |x|;\ x \in [-1, 1]$

[–1, 1] অন্তৰালত f(x) অবিচ্ছিন্ন।

x = 0 বিন্দুত ফলনটো অৱকলনীয় নহয়।

গতিকে $x \in]-1, 1[$ত ই অৱকলনীয় নহয়।

ৰ'লৰ উপপাদ্য প্ৰযোজ্য নহয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = x^3 + bx^2 + ax + 5$

$f'(x) = 3x^2 + 2bx + a$

$c = 2 + \frac{1}{\sqrt{3}}$-ৰ বাবে ৰ'লৰ উপপাদ্য সিদ্ধ হয়।

$f(1) = f(3)$ আৰু $f'\left(2 + \frac{1}{\sqrt{3}}\right) = 0$

এতিয়া, $f(1) = f(3)$

$\Rightarrow 1 + b + a + 5 = 27 + 9b + 3a + 5$

$\Rightarrow 2a + 8b + 26 = 0$

$\Rightarrow a + 4b + 13 = 0$ ... ... (1)

আকৌ, $f'(c) = 0$

$\Rightarrow 3c^2 + 2bc + a = 0$

$\Rightarrow 3\left(2 + \frac{1}{\sqrt{3}}\right)^2 + 2b\left(2 + \frac{1}{\sqrt{3}}\right) + a = 0$ $\because$ দিয়া আছে, $c = 2 + \frac{1}{\sqrt{3}}$

$\Rightarrow \left(2\sqrt{3} + 1\right)^2 + \frac{2b\left(2\sqrt{3} + 1\right)}{\sqrt{3}} - 4b - 13 = 0$, (1)-ৰ পৰা

$\Rightarrow b\left[-4 + \frac{4\sqrt{3} + 2}{\sqrt{3}}\right] = 13 - \left(2\sqrt{3} + 1\right)^2$

$\Rightarrow b\left[\frac{-4\sqrt{3} + 4\sqrt{3} + 2}{\sqrt{3}}\right] = 13 - \left(12 + 1 + 4\sqrt{3}\right)$

$\Rightarrow b\left(\frac{2}{\sqrt{3}}\right) = -4\sqrt{3}$

$\Rightarrow b = -6$

$\therefore$ (1)-ৰ পৰা $a - 24 + 13 = 0 \Rightarrow a = 11$

৪নং প্ৰশ্নৰ উত্তৰ ঃ a) দিয়া আছে, $f(x) = 16 - x^2$ $\therefore f'(x) = -2x$

এতিয়া, $f'(c) = 0$ gives $-2c = 0 \Rightarrow c = 0$

$\therefore f(0) = 16 - 0 = 16$

নিৰ্ণেয় বিন্দুটো হ'ল, (0, 16).

b) দিয়া আছে, $f(x) = \cos x - 1$

$\therefore f'(x) = -\sin x$

এতিয়া, $f'(c) = 0$, $-\sin c = 0$

$\Rightarrow \sin c = 0$

$\Rightarrow c = \pi$

$\therefore f(p) = \cos\pi - 1 = -1 - 1 = -2$

$\therefore$ নিৰ্ণেয় বিন্দুটো $(\pi, -2)$.

৫নং প্রশ্নৰ উত্তৰ ঃ a) দিয়া আছে, $f(x) = x^3 - 2x^2 - x + 3$

$\therefore f'(x) = 3x^2 - 4x - 1$

$f(x)$ এটা বহুপদ।

$\therefore$ x-ৰ সকলো বাস্তৱ মানৰ বাবে $f(x)$ অবিচ্ছিন্ন।

$[0, 1]$ত $f(x)$ অবিচ্ছিন্ন আৰু $]0, 1[$ত অৱকলনীয়।

গতিকে $[0, 1]$ অন্তৰালত $f(x)$-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ চর্ত সিদ্ধ কৰে।

$\therefore$ $]0, 1[$ অন্তৰালত এনে এটা c আছে যাতে

$$f'(c) = \frac{f(1) - f(0)}{1 - 0}$$

$$\Rightarrow 3c^2 - 4c - 1 = (1-2-2+3) - (3)$$

$$\Rightarrow 3c^2 - 4c - 1 = -2$$

$$\Rightarrow 3c^2 - 4c + 1 = 0$$

$$\Rightarrow (3c-1)(c-1) = 0$$

$$\Rightarrow c = \frac{1}{3}, 1.$$

কিন্তু, $0 < c < 1 \quad \therefore \quad c = \frac{1}{3}$

গতিকে, প্রদত্ত ফলনৰ বাবে লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰা হ'ল।

b) দিয়া আছে, $f(x) = \sqrt{25 - x^2}$

স্পষ্টত, $[1, 5]$ত $f(x)$ অবিচ্ছিন্ন।

এতিয়া, $f'(x) = \frac{1}{2\sqrt{25 - x^2}}(-2x) = \frac{-x}{\sqrt{25 - x^2}}, \quad -5 < x < 5.$

$\therefore$ $]1, 5[$ অন্তৰালত $f(x)$ অৱকলনীয়।

$\therefore$ $[1, 5]$ অন্তৰালত $f(x)$-এ লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ চর্ত সিদ্ধ কৰে।

$\therefore$ $]1, 5[$ অন্তৰালত এনে এটা c আছে যাতে

$$f'(c) = \frac{f(5) - f(1)}{5 - 1}$$

$$\Rightarrow \frac{-c}{\sqrt{25 - c^2}} = \frac{\sqrt{25 - 5^2} - \sqrt{25 - 1^2}}{4}$$

$$\Rightarrow \frac{-c}{\sqrt{25 - c^2}} = -\frac{\sqrt{24}}{4}$$

$$\Rightarrow \frac{c^2}{25 - c^2} = \frac{24}{16}$$

$$\Rightarrow \frac{c^2}{25-c^2} = \frac{3}{2}$$

$$\Rightarrow 2c^2 = 75 - 3c^2$$

$$\Rightarrow 5c^2 = 75$$

$$\Rightarrow c^2 = 15$$

$$\Rightarrow c = \pm\sqrt{15}$$

কিন্তু, $1 < c < 5$ $\therefore c = \sqrt{15}$

গতিকে লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰা হ'ল।

c) দিয়া আছে, $f(x) = \log_e x$

$\therefore$ x-ৰ সকলো বাস্তৱ মানৰ বাবে f(x) অবিচ্ছিন্ন আৰু অৱকলনীয়।

$\therefore$]1, e[অন্তৰালত f(x) অবিচ্ছিন্ন আৰু [1, e] অন্তৰালত ই অৱকলনীয়।

$\therefore$]1, 3[অন্তৰালত এনে এটা c আছে যাতে

$$f'(c) = \frac{f(e) - f(1)}{e-1}$$

$$\Rightarrow \frac{1}{c} = \frac{\log_e e - \log_e 1}{e-1}$$

$$\Rightarrow \frac{1}{c} = \frac{1}{e-1}$$

$$\Rightarrow c = e - 1 \in]1, e[$$

গতিকে, প্ৰদত্ত ফলনৰ বাবে লাগ্রাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰা হ'ল।

৬নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = (x-1)(x-2)(x-3)$, $a = 0$, $b = 4$

এতিয়া, $f(0) = (-1)(-2)(-3) = -6$

$f(4) = (3)(2)(1) = 6$

$f(x) = x^3 - 6x^2 + 11x - 6$

$f'(x) = 3x^2 - 12x + 11$

$f'(c) = 3c^2 - 12c + 11$

$$\therefore \frac{f(b) - f(a)}{b-a} = f'(c)$$

$$\Rightarrow \frac{6-(-6)}{4-0} = 3c^2 - 12c + 11$$

$$\Rightarrow 3 = 3c^2 - 12c + 11$$

$$\Rightarrow 3c^2 - 12c + 8 = 0$$

$$\Rightarrow c = \frac{12 \pm \sqrt{144 - 96}}{6}$$

$$\Rightarrow c = 2 \pm \frac{2\sqrt{3}}{3}$$

৭নং প্রশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $f(x) = y$

$$\Rightarrow f(x) = x^3 - 3x$$

$\therefore$ $f(x)$ এটা বহুপদ।

$\therefore$ x-ৰ সকলো বাস্তৱ মানৰ বাবে $f(x)$ অবিচ্ছিন্ন আৰু অৱকলনীয়।

$[1, 2]$ অন্তৰালত লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ চৰ্ত সিদ্ধ কৰে।

$\therefore$ $]1, 2[$ অন্তৰালত এনে c আছে যাতে

$$f'(c) = \frac{f(2) - f(1)}{2 - 1}$$

$$\Rightarrow 3c^2 - 3 = \frac{(2^3 - 6) - (1^3 - 3)}{1}$$

$$\Rightarrow 3c^2 - 3 = 4$$

$$\Rightarrow c^2 = \frac{7}{3}$$

$$\therefore c = \pm\sqrt{\frac{7}{3}}$$

$f(c) = c^3 - 3c$

$$\therefore f\left(\sqrt{\frac{7}{3}}\right) = \frac{7\sqrt{7}}{3\sqrt{3}} - \frac{3\sqrt{7}}{\sqrt{3}} = -\frac{2\sqrt{7}}{3\sqrt{3}} = -\frac{2}{3}\sqrt{\frac{7}{3}}$$

আৰু $f\left(-\sqrt{\frac{7}{3}}\right) = -\frac{7\sqrt{7}}{3\sqrt{3}} + \frac{3\sqrt{7}}{\sqrt{3}} = \frac{2\sqrt{7}}{3\sqrt{3}} = \frac{2}{3}\sqrt{\frac{7}{3}}$.

$\therefore$ বক্ৰটোৰ বিন্দু দুটা হ'ল $\left(\sqrt{\frac{7}{3}}, -\frac{2}{3}\sqrt{\frac{7}{3}}\right)$ আৰু $\left(-\sqrt{\frac{7}{3}}, \frac{2}{3}\sqrt{\frac{7}{3}}\right)$.

৮নং প্রশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x) = ax^2 + bx + c$

$$\therefore f(x+h) = a(x+h)^2 + b(x+h) + c$$

আৰু $f'(x) = 2ax + b$

এতিয়া, $f(x+h) = f(x) + hf'(x+th)$

$\Rightarrow a(x+h)^2 + b(x+h) + c = ax^2 + bx + c + h[2a(x+th) + b]$

$\Rightarrow ax^2 + 2ahx + ah^2 + bx + bh + c = ax^2 + bx + c + 2ahx + 2ah^2t + bh$

$\Rightarrow ah^2 = 2ah^2t$

$$\Rightarrow t = \frac{1}{2}.$$

৯নং প্রশ্নৰ উত্তৰ ঃ i) দিয়া আছে, $f(x) = \log x,\ g(x) = \frac{1}{x}$

$f(x)$ আৰু $g(x)$ উভয়ে $[1, e]$ত অবিচ্ছিন্ন।

আকৌ, $]1, e[$ অন্তৰালত $f'(x) = \frac{1}{x}$ আৰু $g'(x) = -\frac{1}{x^2}$ স্থিত হয়।

আৰু $g'(x) \neq 0,\ x \in]1, e[$.

$\therefore$ $f(x)$ আৰু $g(x)$ফলন দুটাই কছিৰ মাধ্য মান উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$ $]1, e[$ অন্তৰালত এনে c আছে যাতে—

$$\frac{f'(c)}{g'(c)} = \frac{f(e) - f(1)}{g(e) - g(1)}$$

$$\Rightarrow \frac{\frac{1}{c}}{-\frac{1}{c^2}} = \frac{\log e - \log 1}{\frac{1}{e} - 1}$$

$$\Rightarrow -c = \frac{e}{1-e}$$

$$\Rightarrow c = \frac{e}{e-1} \in]1, e[.$$

ii) দিয়া আছে, $f(x) = \sqrt{x},\ g(x) = \frac{1}{\sqrt{x}}$

$f(x)$ আৰু $g(x)$ উভয়ে $[1, 3]$ত অবিচ্ছিন্ন।

আকৌ, $]1, 3[$ অন্তৰালত $f'(x) = \frac{1}{2\sqrt{x}}$ আৰু $g'(x) = \frac{-1}{2x\sqrt{x}}$ স্থিত হয়।

আৰু $g'(x) \neq 0,\ \forall x \in]1, 3[$

$\therefore$ $f(x)$ আৰু $g(x)$ ফলন দুটাই কছিৰ মাধ্য মান উপপাদ্যৰ সকলো চর্ত সিদ্ধ কৰে।

$\therefore$ $]1, 3[$ অন্তৰালত এনে c আছে যাতে—

$$\frac{f'(c)}{g'(c)} = \frac{f(3) - f(1)}{g(3) - g(1)}$$

$$\Rightarrow \frac{\frac{1}{2\sqrt{c}}}{-\frac{1}{2c\sqrt{c}}} = \frac{\sqrt{3} - 1}{\frac{1}{\sqrt{3}} - 1}$$

$$\Rightarrow -c = \frac{\sqrt{3} - 1}{1 - \sqrt{3}} \times \sqrt{3}$$

$$\Rightarrow c = \sqrt{3} \in]1, \sqrt{3}[$$

১০নং প্রশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x)=\frac{1}{x^2}$ আৰু $g(x)=\frac{1}{x}$.

$$f'(x)=-\frac{2}{x^3} \text{ আৰু } g'(x)=-\frac{1}{x^2}.$$

কছিৰ মাধ্য মান উপপাদ্যৰ পৰা, আমি পাওঁ,

$$\frac{f(b)-f(a)}{g(b)-g(a)}=\frac{f'(c)}{g'(c)}$$

$$\Rightarrow \frac{\frac{1}{b^2}-\frac{1}{a^2}}{\frac{1}{b}-\frac{1}{a}}=\frac{-\frac{2}{c^3}}{-\frac{1}{c^2}}$$

$$\Rightarrow \frac{a^2-b^2}{ab(a-b)}=\frac{2}{c}$$

$$\Rightarrow \frac{a+b}{ab}=\frac{2}{c}$$

$$\Rightarrow c=\frac{2ab}{a+b}$$

$$\Rightarrow c=\frac{2}{\frac{1}{a}+\frac{1}{b}}$$

$\therefore$ a আৰু b-ৰ হৰাত্মক মাধ্য c.

১১নং প্রশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x)=e^{-x}$ আৰু $g(x)=e^x$

$$f'(x)=-e^{-x} \text{ আৰু } g'(x)=e^x$$

কছিৰ মাধ্য মান উপপাদ্যৰ পৰা, আমি পাওঁ,

$$\frac{f(b)-f(a)}{g(b)-g(a)}=\frac{f'(c)}{g'(c)}$$

$$\Rightarrow \frac{e^{-b}-e^{-a}}{e^b-e^a}=\frac{-e^{-c}}{e^c}$$

$$\Rightarrow \frac{\frac{1}{e^b}-\frac{1}{e^b}}{e^b-e^a}=\frac{-1}{e^{2c}}$$

$$\Rightarrow \frac{e^a-e^b}{e^ae^b\left(e^b-e^a\right)}=\frac{-1}{e^{2c}}$$

$$\Rightarrow \frac{-1}{e^{a+b}}=\frac{-1}{e^{2c}}$$

$\Rightarrow e^{2c} = e^{a+b}$

$\Rightarrow 2c = a + b$

$\Rightarrow c = \frac{a+b}{2}$

$\therefore$ a আৰু b-ৰ সমান্তৰ মাধ্য c.



১০.৮ অধিক জানিবলৈ

1) Gupta, Sudhir (2011) (1st ed.): *Basics of Differentential Calculus*; New Delhi: Anmol publication Pvt. Ltd.
2) Habib, Amber. (2011) (1st ed.): *The Calculus of Finance*; Hyderabad: Universities Press India Pvt. Ltd.
3) Maron, I .A. (1993) (1st ed.): *Problems in Calculus of One Variable*; New Delhi: CBS Publishers & Distributors Pvt Ltd.
4) Sharma, A. K. (2004) (1st ed.): *Text Book of Differential Calculus for B.A, B.Sc, B.Com, I.A.S., P.C.S.*; New Delhi: Discovery Publishing House.



১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অধোলিখিত ফলনবোৰৰ বাবে ৰ'লৰ উপপাদ্য সত্যাপন কৰক।

i) $f(x) = \log \frac{x^2 + ab}{(a+b)x}$; $x \in [a, b]$

ii) $f(x) = (x-a)^m(x-b)^n$; $x \in [a, b]$

iii) $f(x) = \frac{\sin x}{e^x}$; $x \in [0, \pi]$

iv) $f(x) = e^x(\sin x - \cos x)$; $x \in \left[\frac{\pi}{4}, \frac{5\pi}{4}\right]$

v) $f(x) = (x-1)(x-2)^2$; $x \in [1, 2]$

প্ৰশ্ন ২ ঃ অধোলিখিত ফলনবোৰৰ বাবে লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্য সত্যাপন কৰক।

i) $f(x) = x^3 - 6x$, $1 \le x \le 3$.

ii) $f(x) = x^3 - 3x - 1$, $\left[\frac{-11}{7}, \frac{13}{7}\right]$.

iii) $f(x) = \log x, \left[\frac{1}{2}, 2\right]$.

প্রশ্ন ৩ ঃ $f(x) = x^3 + 5x^2 - 6x$, [0, 1] ফলনৰ বাবে ৰ'লৰ উপপাদ্য সত্যাপন কৰক।

প্রশ্ন ৪ ঃ [–2, 1] অন্তৰালত সংজ্ঞাৱদ্ধ $f(x) = x - x^3$ ফলনৰ বাবে লাগ্ৰাঞ্জৰ মাধ্যমান উপপাদ্য প্ৰযোজ্য হয়নে নহয় পৰীক্ষা কৰক। লগতে c-ৰ মান উলিয়াওক।

প্রশ্ন ৫ ঃ প্ৰমাণ কৰক যে $|\sin b - \sin a| \le |b - a|$, a আৰু b বাস্তৱ সংখ্যা।

প্রশ্ন ৬ ঃ যদি এটা পৰিমেয় অখণ্ড ফলন f(x)-ৰ a আৰু b-ৰ মাজত nটা শূন্য আছে, প্ৰমাণ কৰক যে (a, b)ত $f'(x)$-ৰ (n–1)টা শূন্য আছে।

প্রশ্ন ৭ ঃ যদি $0 < u < v < 1$, লাগ্ৰাঞ্জৰ মাধ্য মান উপপাদ্যৰ সহায়ত প্ৰমাণ কৰক।

$$\frac{v-u}{1+v^2} < \tan^{-1} v - \tan^{-1} u < \frac{v-u}{1+u^2} \text{ ss}$$

নিগমন কৰক $\frac{\pi}{4} + \frac{3}{25} < \tan^{-1}\frac{4}{3} < \frac{\pi}{4} + \frac{1}{6}$.

প্রশ্ন ৮ ঃ অধোলিখিত ফলনৰ যোৰকেইটাৰ বাবে কছিৰ মাধ্য মান উপপাদ্য সত্যাপন কৰক।

i) x^2, x in [a, b] ii) e^x, e^{-x} in [a, b]

iii) $\sqrt{x}, \frac{1}{\sqrt{x}}$ in [a, b] iv) $\frac{1}{x^2}, \frac{1}{x}$ in [a, b]

প্রশ্ন ৯ ঃ যদি $0 \le a < b < \frac{\pi}{2}$, দেখুওৱাক যে $0 < \cos a - \cos b < b - a$.

প্রশ্ন ১০ ঃ দেখুওৱাক যে $\sqrt{\frac{1-x}{1+x}} < \frac{\log(1+x)}{\sin^{-1} x} < 1$, যদি $0 \le x < 1$.

*** ***** ***

অধ্যায় ১১ ঃ আংশিক অৱকলন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ বহু চলক বিশিষ্ট ফলন
১১.৪ আংশিক অৱকলজ
১১.৫ আংশিক অৱকলনৰ বাবে শৃঙ্খল বিধি
১১.৬ সুষম ফলন
১১.৭ অইলাৰৰ সুষম ফলন সম্পৰ্কীয় উপপাদ্য
১১.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ অধিক জানিবলৈ
১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- এটাতকৈ অধিক চলক বিশিষ্ট ফলনৰ বিষয়ে জানিব পাৰিব
- আংশিক অৱকলনৰ বিষয়ে অৱগত হ'ব পাৰিব
- শৃঙ্খল বিধিৰ সহায়ত আংশিক অৱকলজ নির্ণয় কৰিব পাৰিব
- সুষম ফলন সম্পর্কে শিকিব
- অইলাৰৰ সুষম ফলন সম্পৰ্কীয় উপপাদ্য সম্বন্ধে অৱগত হ'ব।

১১.২ পৰিচয়

এই অধ্যায়ত আমি বহু চলক বিশিষ্ট ফলন সম্বন্ধে আলোচনা কৰিম। প্রথম অধ্যায়ত এটা চলক বিশিষ্ট ফলন সম্বন্ধে আলোচনা কৰিছোঁ আৰু পঞ্চম অধ্যায়ত এনে ফলনৰ অৱকলজো উলিয়াইছোঁ। এতিয়া আমি বহু চলক বিশিষ্ট ফলনৰ আংশিক অৱকলজ উলিয়াম। লগতে সুষম ফলন সম্পর্কে আৰু অইলাৰৰ সুষম ফলন সম্পৰ্কীয় উপপাদ্য সম্বন্ধে আলোচনা কৰিম।

১১.৩ বহু চলক বিশিষ্ট ফলন

এটা চলক বিশিষ্ট ফলন সম্বন্ধে আমি জানো কিন্তু বহু ক্ষেত্রত আমি বহু চলক বিশিষ্ট ফলনৰ মুখামুখি হওঁ।

ধৰি লওঁক আপোনাৰ চহৰখনৰ সপ্তাহৰ অন্তত বতৰৰ আগতীয়া বতৰা দিব লাগে। আমি তাপমাত্রাৰ বাবে এটা সূত্র গঠন কৰোঁ। ই কেবাটাও পৰিৱেশভিত্তিক চলকৰ ফলন। এটা পৰিৱেশভিত্তিক চলক পৰিৱর্তিত হ'লে আৰু বাকীকেইটা চলক অপৰিৱর্তিত হৈ থাকিলেও বতৰৰ বতৰা সলনি হ'ব। এই ক্ষেত্রত আমি আংশিক অৱকলজৰ ধাৰণা ব্যৱহাৰ কৰিম।

উদাহৰণ স্বৰূপে আয়ত ক্ষেত্রৰ কালি A = xy। ই চলক x (দৈর্ঘ্য) আৰু চলক y-ৰ (প্রস্থ) ফলন। কিউবয়ডৰ আয়তন V = xyz । ই চলক x (দৈর্ঘ্য), চলক, y (প্রস্থ) আৰু চলক z অৰ (উচ্চতা) ফলন।

যদি u, y, z চলক তিনিটা এনেদৰে সম্পর্কিত হৈ থাকে যে x আৰু y-ৰ মানৰ ওপৰত u নির্ভৰশীল, তেনেহ'লে uক x আৰু y চলক দুটাৰ ফলন বুলি কোৱা হয় আৰু ইয়াক এনেদৰে লিখা হয় u = f(x, y). ইয়াত uক পৰতন্ত্র চলক (Dependent Variable) আৰু x আৰু yক স্বতন্ত্র চলক (Independent Variables) বুলি কোৱা হয়।

এনেদৰে, $u = f(x_1, x_2)$ হ'ল দুটা চলকৰ ফলন, ইয়াত u হ'ল পৰতন্ত্র চলক, আৰু x_1, x_2 স্বতন্ত্র চলক।

আকৌ, $u = f(x_1, x_2, x_3)$ হ'ল তিনিটা চলকৰ ফলন, ইয়াত u হ'ল পৰতন্ত্র চলক আৰু x_1, x_2, x_3 হ'ল স্বতন্ত্র চলক। সেইদৰে $u = f(x_1, x_2, x_3, x_4)$ হ'ল চাৰিটা চলকৰ ফলন, ইয়াত u হ'ল পৰিতন্ত্র চলক আৰু x_1, x_2, x_3, x_4 হ'ল স্বতন্ত্র চলক।

এইদৰে $u = f(x_1, x_2, x_3, ..., ..., x_n)$ হ'ল nটা চলকৰ ফলন। ইয়াত u হ'ল পৰতন্ত্র চলক আৰু x_1, x_2, x_3, ..., ..., x_n হ'ল স্বতন্ত্র চলক।

উদাহৰণ ঃ

i) $u = f(x, y) = x^2 + 2xy + y^2$ দুটা চলক x, y-ৰ ফলন।

ii) $u = f(x, y, z) = x^2 + 3xy + yz^2 + z^3$ তিনিটা চলক x, y, z-ৰ ফলন।

১১.৪ আংশিক অৱকলজ

যদি বহু স্বতন্ত্র চলক বিশিষ্ট এটা ফলনৰ এটা চলক সাপেক্ষে অৱকলজ (বাকীকেইটা চলকক ধ্রুৱক হিচাপে লৈ) উলিওৱা হয়। তেনেহ'লে ইয়াক আংশিক অৱকলজ (Partial Derivative) বুলি কোৱা হয়। এটাতকৈ বেছি স্বতন্ত্র চলক বিশিষ্ট ফলনৰ আংশিক অৱকলজ উলিওৱা প্রক্রিয়াক আংশিক অৱকলন (Partial Differentiation) বুলি কোৱা হয়।

ধৰা হ'ল, z = f(x, y) দুটা চলকৰ ফলন।

x সাপেক্ষে z-ৰ আংশিক অৱকলজক $\frac{\partial z}{\partial x}$ বা $\frac{f(x,y)}{\partial x}$ বা f_x-ৰে বুজোৱা হয় আৰু ইয়াৰ সংখ্যা এনেদৰে দিয়া হয়,

$$\frac{\partial z}{\partial x} = \lim_{h\to 0}\frac{f(x+h,y)-f(x,y)}{h}$$ যদিহে সীমা থাকে।

সেইদৰে, y সাপেক্ষে z-ৰ আংশিক অৱকলজক $\frac{\partial z}{\partial y}$ বা $\frac{\partial f(x,y)}{\partial y}$ বা f_yৰে বুজোৱা হয় আৰু ইয়াৰ সংজ্ঞা এনেদৰে দিয়া হয়।

$\frac{\partial z}{\partial y} = \lim_{h\to 0}\frac{f(x,y+h)-f(x,y)}{h}$ যদিহে সীমা থাকে।

$\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ক z-ৰ প্ৰথম ক্ৰমৰ আংশিক অৱকলজ (First Order Partial Derivatives) বুলি কোৱা হয়।

উদাহৰণ 1: ধৰা হ'ল, $f(x, y) = xy^2$

তেনেহ'লে, $f_x(x, y) = \lim_{h\to 0}\frac{(x+h)y^2 - xy^2}{h}$, $f_y(x, y) = \lim_{h\to 0}\frac{x(y+h)^2 - xy^2}{h}$

$= \lim_{h\to 0}\frac{hy^2}{h}$ $= \lim_{h\to 0}\frac{2xyh + xh^2}{h}$

$= y^2$ $= \lim_{h\to 0}(2xy + xh)$

$= 2xy$

দুটাতকৈ অধিক চলক বিশিষ্ট ফলনঃ তিনিটা বা ততোধিক চলক বিশিষ্ট ফলনৰ বাবেও আংশিক অৱকলজৰ সংজ্ঞা দিব পাৰি।

যদি $u = f(x, y, z)$, তেনেহ'লে y আৰু zক ধ্ৰুৱক হিচাপে লৈ x সাপেক্ষে uক অৱকলন কৰি x সাপেক্ষে uৰ আংশিক অৱকল সহগ অৰ্থাৎ, $\frac{\partial u}{\partial x}$ উলিওৱা হয়।

অৰ্থাৎ, $\frac{\partial u}{\partial x} = \frac{\partial f}{\partial x} = f_x(x,y,z) = \lim_{h\to 0}\frac{f(x+h,y,z)-f(x,y,z)}{h}$ যদিহে সীমা থাকে।

সেইদৰে, x আৰু zক ধ্ৰুৱক হিচাপে লৈ y সাপেক্ষে uক অৱকলন কৰি y সাপেক্ষে uৰ আংশিক অৱকল সহগ, অৰ্থাৎ, $\frac{\partial u}{\partial y}$ উলিওৱা হয়।

অৰ্থাৎ, $\frac{\partial u}{\partial y} = \frac{\partial f}{\partial y} = f_y(x,y,z) = \lim_{h\to 0}\frac{f(x,y+h,z)-f(x,y,z)}{h}$ যদিহে সীমা থাকে।

আকৌ, x আৰু yক ধ্ৰুৱক হিচাপে লৈ z সাপেক্ষে uক অৱকলন কৰি z সাপেক্ষে u-ৰ আংশিক অৱকল সহগ $\frac{\partial u}{\partial z}$ উলিওৱা হয়।

অৰ্থাৎ, $\frac{\partial u}{\partial z} = \frac{\partial f}{\partial z} = f_z(x,y,z) = \lim_{h\to 0}\frac{f(x,y,z+h)-f(x,y,z)}{h}$ যদিহে সীমা থাকে।

সাধাৰণভাৱে, যদি u এটা nটা চলকৰ ফলন হয়, অৰ্থাৎ, $u = f(x_1, x_2, ..., ..., x_n)$, চলক x_i সাপেক্ষে u-ৰ আংশিক অৱকলজৰ সংজ্ঞা এনেদৰে দিয়া হয়।

$$\frac{\partial u}{\partial x_i} = f_{x_i}(x_1, x_2, ..., ..., x_n)$$

$$= \lim_{h \to 0} \frac{f(x_1, x_2, ..., ..., x_i + h, x_{i+1}, .., ..., x_n) - f(x_1, x_2, ..., ..., x_n)}{h},$$

যদিহে সীমা থাকে।

দ্বিতীয় ক্রমৰ আংশিক অৱকল সহগ ঃ যদি $z = f(x, y)$, তেনেহ'লে $\frac{\partial z}{\partial x}$ বা f_x আৰু $\frac{\partial z}{\partial y}$ বা f_y প্রত্যেকেই x আৰু y ৰ ফলন। গতিকে ইয়াক পুনৰ আংশিকভাৱে অৱকলন কৰিব পাৰি।

$\frac{\partial}{\partial x}\left(\frac{\partial u}{\partial y}\right)$, $\frac{\partial}{\partial y}\left(\frac{\partial u}{\partial x}\right)$, $\frac{\partial}{\partial x}\left(\frac{\partial u}{\partial x}\right)$ আৰু $\frac{\partial}{\partial y}\left(\frac{\partial u}{\partial y}\right)$ ক u-ৰ দ্বিতীয় ক্রমৰ আংশিক অৱকলজ (Second Order Partial Derivatives) বুলি কোৱা হয় আৰু এইবোৰক যথাক্রমে,

$\frac{\partial^2 u}{\partial x \partial y}$, $\frac{\partial^2 u}{\partial y \partial x}$, $\frac{\partial^2 u}{\partial x^2}$ আৰু $\frac{\partial^2 u}{\partial y^2}$ ৰে বুজোৱা হয়।

উচ্চতৰ ক্রমৰ আংশিক অৱকলজ ঃ ধাৰাবাহিক অৱকলনৰ দ্বাৰা এটা ফলনৰ উচ্চতৰ ক্রমৰ আংশিক অৱকলজ উলিওৱা।

তৃতীয় ক্রমৰ আংশিক অৱকলজক এনেদৰে বুজোৱা হয়।

$$\frac{\partial}{\partial x}\left(\frac{\partial^2 f}{\partial x^2}\right) = \frac{\partial^3 f}{\partial x^3} = f_{xxx}, \quad \frac{\partial}{\partial y}\left(\frac{\partial^2 f}{\partial x^2}\right) = \frac{\partial^3 f}{\partial y \partial x^2} = f_{yxx},$$

$$\frac{\partial}{\partial x}\left(\frac{\partial^2 f}{\partial x \partial y}\right) = \frac{\partial^3 f}{\partial x^2 \partial y} = f_{xxy}, \text{ ইত্যাদি।}$$

সাধাৰণভাৱে nতম্ আংশিক অৱকলজবোৰ হ'ল,

$$\frac{\partial}{\partial x}\left(\frac{\partial^{n-1} f}{\partial x^{n-1}}\right) = \frac{\partial^n f}{\partial x^n} = f_{x^n}$$

$$\frac{\partial}{\partial y}\left(\frac{\partial^{n-1} f}{\partial x^{n-1}}\right) = \frac{\partial^n f}{\partial y \partial x^{n-1}} = f_{yx^{n-1}}, \text{ ইত্যাদি।}$$

টোকা ঃ 1) এটা চলক বিশিষ্ট ফলনৰ অৱকলনৰ ক্ষেত্রত যিবোৰ বিধি প্রযোজ্য, সেই একেবোৰ বিধি আংশিক অৱকলনৰ ক্ষেত্রতো প্রযোজ্য। একমাত্র পার্থক্য এইটোৱেই যে এটা চলক সাপেক্ষে আংশিকভাৱে অৱকলন কৰোঁতে বাকীকেইটা চলকক (সাময়িকভাৱে) ধ্রুৱক বুলি গণ্য কৰা হয়।

2) যদি $z = f(x)$ এটা চলক x-ৰ ফলন, তেতিয়া আমি $\frac{dz}{dx}$ পাওঁ।

3) যদি z = f(x, y), দুটা স্বতন্ত্র চলক x আৰু y-ৰ ফলন, আমি $\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ নির্ণয় কৰিব পাৰোঁ। সেইদৰে, দুটাতকৈ অধিক স্বতন্ত্র চলক $x_1, x_2, ..., ..., x_n$-ৰ বাবে, আমি $\frac{\partial z}{\partial x_1}, \frac{\partial z}{\partial x_2}, ..., ..., \frac{\partial z}{\partial x_n}$ নির্ণয় কৰিব পাৰোঁ।

4) যদি u = f(x, y) আৰু ইয়াৰ আংশিক অৱকলজ অবিচ্ছিন্ন হয়, অর্থাৎ, $\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ অবিচ্ছিন্ন, অৱকলনৰ ক্রম অর্থহীন, অর্থাৎ, $\frac{\partial^2 z}{\partial x \partial y} = \frac{\partial^2 z}{\partial y \partial x}$.

5) যদি z = u + v, য'ত u = f(x, y), v = g(x, y), তেনেহ'লে, z এটা x আৰু y-ৰ ফলন।

$\frac{\partial z}{\partial x} = \frac{\partial u}{\partial x} + \frac{\partial v}{\partial x}$ আৰু $\frac{\partial z}{\partial y} = \frac{\partial u}{\partial y} + \frac{\partial v}{\partial y}$.

6) যদি z = uv, য'ত u = f(x, y), v = g(x, y), তেনেহ'লে,

$\frac{\partial z}{\partial x} = \frac{\partial (uv)}{\partial x} = u\frac{\partial v}{\partial x} + v\frac{\partial u}{\partial x}$; $\frac{\partial z}{\partial y} = \frac{\partial (uv)}{\partial y} = u\frac{\partial v}{\partial y} + v\frac{\partial u}{\partial y}$.

7) যদি $z = \frac{u}{v}$, য'ত u = f(x, y), v = g(x, y), তেনেহ'লে,

$\frac{\partial z}{\partial x} = \frac{\partial}{\partial x}\left(\frac{u}{v}\right) = \frac{v\frac{\partial u}{\partial x} - u\frac{\partial v}{\partial x}}{v^2}$; $\frac{\partial z}{\partial y} = \frac{\partial}{\partial y}\left(\frac{u}{v}\right) = \frac{v\frac{\partial u}{\partial y} - u\frac{\partial v}{\partial y}}{v^2}$.

8) দুটা চলকবিশিষ্ট ফলনৰ পৌনঃপুনিক অৱকলনত অৱকলনৰ ক্রম স্বেচ্ছাই পৰিৱর্তিত কৰিব পাৰি, যদিহে অৱকলজবোৰ অবিচ্ছিন্ন ফলন হয়।

9) দুটা চলকবিশিষ্ট ফলনৰ দুটা প্রথম ক্রমৰ আংশিক অৱকলজ আছে, চাৰিটা দ্বিতীয় ক্রমৰ আংশিক অৱকলজ আছে আৰু এইদৰে 2^nটা n ক্রমৰ আংশিক অৱকলজ আছে। mটা স্বতন্ত্র চলকবিশিষ্ট ফলনৰ m^nটা n ক্রমৰ আংশিক অৱকলজ আছে।

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: যদি $z = x^2y + xy^3$, প্রথম ক্রমৰ আংশিক অৱকলজ নির্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $z = x^2y + xy^3$

$$\frac{\partial z}{\partial x} = \frac{\partial}{\partial x}\left(x^2y + xy^3\right)$$

$$= \frac{\partial}{\partial x}\left(x^2y\right) + \frac{\partial}{\partial x}\left(xy^3\right)$$

$$= 2xy + y^3$$

আকৌ, $\frac{\partial z}{\partial y} = \frac{\partial}{\partial y}\left(x^2y + xy^3\right)$

$= \frac{\partial}{\partial y}\left(x^2y\right) + \frac{\partial}{\partial y}\left(xy^3\right)$

$= x^2 + 3xy^2$

উদাহৰণ 2: যদি $z = \log\left(x^2 + y^2\right)^{1/2}$, $\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ নির্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $z = \log\left(x^2 + y^2\right)^{1/2}$

$\frac{\partial z}{\partial x} = \frac{\partial}{\partial x}\left(\log\left(x^2 + y^2\right)^{1/2}\right)$

$= \frac{1}{2\left(x^2 + y^2\right)}.2x$

$= \frac{x}{x^2 + y^2}$

আকৌ, $\frac{\partial z}{\partial y} = \frac{\partial}{\partial y}\left(\log\left(x^2 + y^2\right)^{1/2}\right)$

$= \frac{1}{2\left(x^2 + y^2\right)}.2y$

$= \frac{y}{x^2 + y^2}$.

উদাহৰণ 3: যদি $f(x, y) = x^3 + x^2y^3 - 2y^2$, $f_x(2, 1)$ আৰু $f_y(2, 1)$ নির্ণয় কৰক।

সমাধান ঃ yক ধ্ৰুৱক হিচাপে লৈ আৰু x সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$f_x(x, y) = 3x^2 + 2xy^3$

আৰু $f_x(2, 1) = 3.2^2 + 2.2.1^3 = 16$

সেইদৰে xক ধ্ৰুৱক হিচাপে লৈ আৰু y সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$f_y(x, y) = 3x^2y^2 - 4y$

$f_y(2, 1) = 3.2^2.1^2 - 4.1 = 8$

উদাহৰণ 4: যদি $u = \log\left(x^2 + y^2 + z^2\right)$, দেখুওৱাক যে

$$x.\frac{\partial u}{\partial x} + y.\frac{\partial u}{\partial y} + z.\frac{\partial u}{\partial z} = 2$$

সমাধান ঃ দিয়া আছে, $u = \log(x^2 + y^2 + z^2)$

$\frac{\partial u}{\partial x} = \frac{1}{x^2 + y^2 + z^2} \times (2x)$

$$x.\frac{\partial u}{\partial x} = x.\frac{2x}{x^2+y^2+z^2} = \frac{2x^2}{x^2+y^2+z^2} \quad \ldots\ \ldots\ \ldots\ (1)$$

আকৌ, $\frac{\partial u}{\partial y} = \frac{1}{x^2+y^2+z^2} \times (2y)$

$$\frac{\partial u}{\partial y} = \frac{2y}{x^2+y^2+z^2}$$

$$y.\frac{\partial u}{\partial y} = \frac{2y^2}{x^2+y^2+z^2} \quad \ldots\ \ldots\ \ldots\ (2)$$

আৰু $\frac{\partial u}{\partial z} = \frac{1}{x^2+y^2+z^2} \times (2z)$

$$\frac{\partial u}{\partial z} = \frac{2z}{x^2+y^2+z^2}$$

$$z.\frac{\partial u}{\partial z} = \frac{2z^2}{x^2+y^2+z^2} \quad \ldots\ \ldots\ \ldots\ (3)$$

(1), (2) আৰু (3) যোগ কৰি, আমি পাওঁ,

$$x.\frac{\partial u}{\partial x} + y.\frac{\partial u}{\partial y} + z.\frac{\partial u}{\partial z} = \frac{2(x^2+y^2+z^2)}{x^2+y^2+z^2} = 2$$

উদাহৰণ 5: যদি z = f(x+ay) + ϕ(x–ay), প্ৰমাণ কৰক যে $\frac{\partial^2 z}{\partial y^2} = a^2\left(\frac{\partial^2 z}{\partial x^2}\right)$.

সমাধান ঃ দিয়া আছে, z = f(x+ay) + ϕ(x–ay)

$$\frac{\partial z}{\partial x} = f'(x+ay) + \phi'(x-ay)$$

$$\therefore\ \frac{\partial^2 z}{\partial x^2} == f''(x+ay) + \phi''(x-ay) \quad \ldots\ \ldots\ \ldots(1)$$

আকৌ, $\frac{\partial z}{\partial y} = af'(x+ay) - a\phi'(x-ay)$

$$\therefore\ \frac{\partial^2 z}{\partial y^2} = a^2 f''(x+ay) + a^2\phi''(x-ay) \quad \ldots\ \ldots\ \ldots\ (2)$$

(1) আৰু (2) ৰ পৰা, $\frac{\partial^2 z}{\partial y^2} = a^2\left(\frac{\partial^2 z}{\partial x^2}\right)$.

উদাহৰণ 6: অধোলিখিত ফলনবোৰৰ বাবে $\frac{\partial^2 z}{\partial x \partial y} = \frac{\partial^2 z}{\partial y \partial x}$ সত্যাপন কৰক।

i) z = x log(y) ii) $z = \sin^{-1}\left(\frac{x}{y}\right)$

সমাধান ঃ (i) দিয়া আছে, $z = x \log(y)$

$$\frac{\partial z}{\partial x} = \log y$$

আকৌ, $\frac{\partial^2 z}{\partial y \partial x} = \frac{\partial}{\partial y}\left(\frac{\partial z}{\partial x}\right) = \frac{\partial}{\partial y}(\log y) = \frac{1}{y}$

$$\frac{\partial z}{\partial y} = \frac{x}{y}$$

এতিয়া, $\frac{\partial^2 z}{\partial x \partial y} = \frac{\partial}{\partial x}\left(\frac{\partial z}{\partial y}\right) = \frac{\partial}{\partial x}\left(\frac{x}{y}\right) = \frac{1}{y}$

$\therefore \frac{\partial^2 z}{\partial x \partial y} = \frac{\partial^2 z}{\partial y \partial x}$ সত্যাপন কৰা হ'ল।

(ii) দিয়া আছে, $z = \sin^{-1}\left(\frac{x}{y}\right)$

$$\frac{\partial z}{\partial x} = \frac{1}{\sqrt{\left\{1-\left(\frac{x}{y}\right)^2\right\}}}.\frac{1}{y} = \frac{1}{\sqrt{y^2 - x^2}} = \left(y^2 - x^2\right)^{-1/2}$$

এতিয়া, $\frac{\partial^2 z}{\partial y \partial x} = \frac{\partial}{\partial y}\left(\frac{\partial z}{\partial x}\right) = \frac{\partial}{\partial y}\left\{\left(y^2 - x^2\right)^{-1/2}\right\}$

$$= -\frac{1}{2}\left(y^2 - x^2\right)^{-3/2}.2y = \frac{-y}{\left(y^2 - x^2\right)^{3/2}}$$

$$\frac{\partial z}{\partial y} = \frac{1}{\sqrt{\left\{1-\left(\frac{x}{y}\right)^2\right\}}}.\left(-\frac{x}{y^2}\right) = -\frac{x}{y}\left(y^2 - x^2\right)^{-1/2}$$

$$\frac{\partial^2 z}{\partial x \partial y} = \frac{\partial}{\partial x}\left(\frac{\partial z}{\partial y}\right) = -\frac{1}{y}\left(y^2 - x^2\right)^{-1/2} - \left(\frac{y}{x}\right).\left\{-\frac{1}{2}\left(y^2 - x^2\right)^{-3/2}\right\}.(-2x)$$

$$= -\frac{1}{y\left(y^2 - x^2\right)^{1/2}} - \frac{x^2}{y\left(y^2 - x^2\right)^{3/2}}$$

$$= -\frac{\left(y^2 - x^2\right) + x^2}{y\left(y^2 - x^2\right)^{3/2}} = \frac{-y}{\left(y^2 - x^2\right)^{3/2}}$$

$\therefore \frac{\partial^2 z}{\partial x \partial y} = \frac{\partial^2 z}{\partial y \partial x}$ সত্যাপন কৰা হ'ল।

উদাহৰণ 7: যদি $u = \log(x^3 + y^3 + z^3 - 3xyz)$, দেখুওৱাক যে

i) $\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)^2 u = -\frac{9}{(x+y+z)^2}$

ii) $\frac{\partial^2 u}{\partial x^2}+\frac{\partial^2 u}{\partial y^2}+\frac{\partial^2 u}{\partial z^2}+2\frac{\partial^2 u}{\partial y\partial z}+2\frac{\partial^2 u}{\partial z\partial x}+2\frac{\partial^2 u}{\partial x\partial y} = -\frac{9}{(x+y+z)^2}$

সমাধান ঃ দিয়া আছে, $u = \log(x^3 + y^3 + z^3 - 3xyz)$

$$\frac{\partial u}{\partial x} = \frac{3x^2 - 3yz}{x^3+y^3+z^3-3xyz}$$

$$\frac{\partial u}{\partial y} = \frac{3y^2 - 3zx}{x^3+y^3+z^3-3xyz}$$

$$\frac{\partial u}{\partial z} = \frac{3z^2 - 3xy}{x^3+y^3+z^3-3xyz}$$

$$\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z} = \frac{3(x^2+y^2+z^2-xy-yz-zx)}{x^3+y^3+z^3-3xyz} = \frac{3}{x+y+z}$$

[$\because$ $x^3 + y^3 + z^3 - 3xyz = (x + y + z)(x^2 + y^2 + z^2 - xy - yz - zx)$]

i) $$\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)^2 u = \left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)u$$

$$= \left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)\left(\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z}\right)$$

$$= \left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)\left(\frac{3}{x+y+z}\right)$$

$$= \frac{\partial}{\partial x}\left(\frac{3}{x+y+z}\right)+\frac{\partial}{\partial y}\left(\frac{3}{x+y+z}\right)+\frac{\partial}{\partial z}\left(\frac{3}{x+y+z}\right)$$

$$= -\frac{3}{(x+y+z)^2}-\frac{3}{(x+y+z)^2}-\frac{3}{(x+y+z)^2}$$

$$= -\frac{9}{(x+y+z)^2}$$

ii) $$\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)^2 u = \left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)u$$

$$= \left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)\left(\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z}\right)$$

$$= \frac{\partial}{\partial x}\left(\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z}\right)+\frac{\partial}{\partial y}\left(\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z}\right)+\frac{\partial}{\partial z}\left(\frac{\partial u}{\partial x}+\frac{\partial u}{\partial y}+\frac{\partial u}{\partial z}\right)$$

$$= \frac{\partial^2 u}{\partial x^2}+\frac{\partial^2 u}{\partial x\partial y}+\frac{\partial^2 u}{\partial x\partial z}+\frac{\partial^2 u}{\partial y\partial x}+\frac{\partial^2 u}{\partial y^2}+\frac{\partial^2 u}{\partial y\partial z}+\frac{\partial^2 u}{\partial z\partial x}+\frac{\partial^2 u}{\partial z\partial y}+\frac{\partial^2 u}{\partial z^2}$$

$$\therefore \frac{\partial^2 u}{\partial x^2}+\frac{\partial^2 u}{\partial y^2}+\frac{\partial^2 u}{\partial z^2}+2\frac{\partial^2 u}{\partial y\partial z}+2\frac{\partial^2 u}{\partial z\partial x}+2\frac{\partial^2 u}{\partial x\partial y}=\left(\frac{\partial}{\partial x}+\frac{\partial}{\partial y}+\frac{\partial}{\partial z}\right)^2 u$$

$$\left[\because \frac{\partial^2 u}{\partial y\partial x}=\frac{\partial^2 u}{\partial x\partial y},\frac{\partial^2 u}{\partial z\partial y}=\frac{\partial^2 u}{\partial y\partial z},\frac{\partial^2 u}{\partial x\partial z}=\frac{\partial^2 u}{\partial z\partial x}\right] = -\frac{9}{(x+y+z)^2}$$ (i)-ৰ পৰা

উদাহৰণ 8: যদি $x = r\cos\theta$, $y = r\sin\theta$, প্ৰমাণ কৰক যে

a) $\frac{\partial^2 r}{\partial x^2}+\frac{\partial^2 r}{\partial y^2}=\frac{1}{r}\left[\left(\frac{\partial r}{\partial x}\right)^2+\left(\frac{\partial r}{\partial y}\right)^2\right]$

b) $\frac{\partial^2 r}{\partial x^2}\cdot\frac{\partial^2 r}{\partial y^2}=\left(\frac{\partial^2 r}{\partial x\partial y}\right)^2$ c) $\left(\frac{\partial r}{\partial x}\right)^2+\left(\frac{\partial r}{\partial t}\right)^2=1$

সমাধান ঃ (a) $x = r\cos\theta$, $y = r\sin\theta$ দিয়া আছে।

$\therefore r^2 = x^2 + y^2$ ... ... (1)

এতিয়া, $2r\left(\frac{\partial r}{\partial x}\right)=2x$ [(1)ক x সাপেক্ষে আংশিকভাৱে অৱকলন কৰি]

$$\therefore \frac{\partial r}{\partial x}=\frac{x}{r} \quad \text{... ... ... (2)}$$

$$\frac{\partial^2 r}{\partial x^2}=\frac{r.1-x.\frac{\partial r}{\partial x}}{r^2}=\frac{r.1-x.\frac{x}{r}}{r^2}$$ (2)-ৰ পৰা

$$=\frac{r^2-x^2}{r^3}=\frac{(x^2+y^2)-x^2}{r^3}=\frac{y^2}{r^3} \quad \text{... ... ... (3)}$$

আকৌ (1)ক y সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ, $2r\left(\frac{\partial r}{\partial y}\right)=2y$

$$\therefore \frac{\partial r}{\partial y}=\frac{y}{r} \quad \text{... ... ... (4)}$$

(4)ক y সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ,

$$\frac{\partial^2 r}{\partial y^2}=\frac{r.1-y.\frac{\partial r}{\partial y}}{r^2}=\frac{r.1-y.\frac{y}{r}}{r^2},$$ (4)-ৰ পৰা

$$= \frac{r^2 - y^2}{r^3} = \frac{(x^2 + y^2) - y^2}{r^3} = \frac{x^2}{r^3} \qquad \ldots\ \ldots\ \ldots\ (5)$$

(3) আৰু (5) যোগ কৰি আমি পাওঁ, $\frac{\partial^2 r}{\partial x^2} + \frac{\partial^2 r}{\partial y^2} = \frac{y^2}{r^3} + \frac{x^2}{r^3} = \frac{r^2}{r^3} = \frac{1}{r}$.

আকৌ, $\frac{1}{r}\left[\left(\frac{\partial r}{\partial x}\right)^2 + \left(\frac{\partial r}{\partial y}\right)^2\right] = \frac{1}{r}\left[\frac{x^2}{r^2} + \frac{y^2}{r^2}\right] = \frac{x^2 + y^2}{r^3} = \frac{r^2}{r^3} = \frac{1}{r}$

$\therefore\ \frac{\partial^2 r}{\partial x^2} + \frac{\partial^2 r}{\partial y^2} = \frac{1}{r}\left[\left(\frac{\partial r}{\partial x}\right)^2 + \left(\frac{\partial r}{\partial y}\right)^2\right]$

(b) (4)ক x সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ,

$$\frac{\partial^2 r}{\partial x \partial y} = \frac{\partial}{\partial x}\left(\frac{\partial r}{\partial y}\right) = \frac{\partial}{\partial x}\left(\frac{y}{r}\right) \qquad (4)\text{-ৰ পৰা, } \frac{\partial r}{\partial y} = \frac{y}{r}$$

$$= \frac{-y.\frac{\partial r}{\partial x}}{r^2} = -\frac{y.\frac{x}{r}}{r^2} = -\frac{xy}{r^3} \qquad (2)\text{-ৰ পৰা, } \frac{\partial r}{\partial x} = \frac{x}{r}$$

এতিয়া, $\frac{\partial^2 r}{\partial x^2} \cdot \frac{\partial^2 r}{\partial y^2} = \frac{y^2}{r^3} \cdot \frac{x^2}{r^3}$ (2) আৰু (3)-ৰ পৰা

$$= \frac{x^2 y^2}{r^6} = \left(\frac{xy}{r^3}\right)^2 = \left(\frac{\partial^2 r}{\partial x \partial y}\right)^2$$

(c) (2) আৰু (4) বৰ্গ কৰি আৰু যোগ কৰি আমি পাওঁ,

$$\left(\frac{\partial r}{\partial x}\right)^2 + \left(\frac{\partial r}{\partial y}\right)^2 = \frac{x^2}{r^2} + \frac{y^2}{r^2}$$

$$= \frac{x^2 + y^2}{r^2} = \frac{r^2}{r^2} = 1$$

উদাহৰণ 9: যদি $u = e^{xyz}$, দেখুওৱাক যে $\frac{\partial^3 u}{\partial x \partial y \partial z} = (1 + 3xyz + x^2y^2z^2)e^{xyz}$

সমাধান ঃ ইয়াত, $u = e^{xyz}$

z সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ, $\frac{\partial u}{\partial z} = xye^{xyz}$

এতিয়া y সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ,

$$\frac{\partial^2 u}{\partial y \partial z} = \frac{\partial}{\partial y}\left(\frac{\partial u}{\partial z}\right) = \frac{\partial}{\partial y}\left(xye^{xyz}\right)$$

$$= x\frac{\partial}{\partial y}\left(ye^{xyz}\right) = x\left[y.xze^{xyz} + e^{xyz}\right]$$

$= e^{xyz}(x^2yz + x)$

এতিয়া x সাপেক্ষে আংশিকভাৱে অৱকলন কৰি আমি পাওঁ,

$$\frac{\partial^3 u}{\partial x\partial y\partial z} = \frac{\partial}{\partial x}\left(\frac{\partial^2 u}{\partial y\partial z}\right) = \frac{\partial}{\partial x}\left[e^{xyz}\left(x^2yz + x\right)\right]$$

$= e^{xyz}(2xyz + 1) + yze^{xyz}(x^2yz + x)$

$= e^{xyz}(2xyz + 1 + x^2y^2z^2 + xyz)\backslash$

$= e^{xyz}(1 + 3xyz + x^2y^2z^2)$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অধোলিখিত ফলনবোৰৰ বাবে $\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ নির্ণয় কৰক।

a) $z = x^2y^4$ b) $z = (x^4 + x^2)y^3$

c) $z = \sin x \cos xy$ d) $z = \sin(x^2 + y)$

প্রশ্ন নং ২ঃ যদি $z = e^{x^3+y^2}$, $\frac{\partial^2 z}{\partial x^2}$ নির্ণয় কৰক।

প্রশ্ন নং ৩ঃ যদি $f = x^3 + y^3 + z^3 + 3xyz$

(a) f_x, (b) f_{xx}, (c) f_{xy}, (d) f_{xyz} নির্ণয় কৰক।

প্রশ্ন নং ৪ঃ যদি $\theta = t^n e^{-\frac{r^2}{4t}}$, n-ৰ কি মানৰ বাবে $\frac{1}{r^2}\frac{\partial}{\partial r}\left(r^2\frac{\partial\theta}{\partial r}\right) = \frac{\partial\theta}{\partial t}$.

প্রশ্ন নং ৫ঃ $u = x \log y$-ৰ বাবে $\frac{\partial^2 u}{\partial x\partial y} = \frac{\partial^2 u}{\partial y\partial x}$ সত্যাপন কৰক।

প্রশ্ন নং ৬ঃ যদি $u = \log(x^2 + y^2 + z^2)$, দেখুওৱাক যে

$$x\frac{\partial^2 u}{\partial y\partial z} = y\frac{\partial^2 u}{\partial z\partial x} = z\frac{\partial^2 u}{\partial x\partial y}.$$

প্রশ্ন নং ৭ঃ $z = xf(x + y) + y\phi(x + y)$, প্রমাণ কৰক যে

$$\left(\frac{\partial^2 z}{\partial x^2}\right) + \left(\frac{\partial^2 z}{\partial y^2}\right) = 2\left(\frac{\partial^2 z}{\partial x\partial y}\right)$$

১১.৫ আংশিক অৱকলনৰ বাবে শৃঙ্খল বিধি

পূর্ণ অৱকলজ ঃ যদি $u = f(x, y)$, য'ত $x = \phi_1(t)$ আৰু $y = \phi_2(t)$, তেনেহ'লে,

$$\frac{du}{dt} = \frac{\partial u}{\partial x}.\frac{dx}{dt} + \frac{\partial u}{\partial y}.\frac{dy}{dt}$$

$\frac{du}{dt}$ ক t সাপেক্ষে u-ৰ পূর্ণ অৱকল সহগ (Total Differential Coefficient) বুলি কোৱা হয়।

$\frac{\partial u}{\partial x}$ আৰু $\frac{\partial u}{\partial y}$ ক্রমে x আৰু y সাপেক্ষে u-ৰ আংশিক অৱকলজ।

প্রমাণ ঃ ধৰা হ'ল, tত δt এটা ক্ষুদ্র বৃদ্ধি আৰু ধৰা হ'ল, u, x আৰু y ত অনুৰূপ বৃদ্ধি ক্রমে δu, δx আৰু δy তেনেহ'লে আমি পাওঁ,

$$u = f(x, y) \quad \text{... ... ... (1)}$$

আৰু $u + \delta u = f(x + \delta x, y + \delta y)$ ... ... (2)

$\therefore \delta u = f(x + \delta x, y + \delta y) - f(x, y)$

$= [f(x + \delta x, y + \delta y) - f(x, y + \delta y)] + [f(x, y + \delta y) - f(x, y)]$

δtৰে হৰণ কৰি আমি পাওঁ,

$$\frac{\delta u}{\delta t} = \left\{\frac{f(x+\delta x, y+\delta y) - f(x, y+\delta y)}{\delta t}\right\} + \left\{\frac{f(x, y+\delta y) - f(x, y)}{\delta t}\right\} \quad \text{... ... ... (3)}$$

ধৰা হ'ল, $\delta t \to 0$ $\therefore \delta x \to 0$ আৰু $\delta y \to 0$

এতিয়া, (3)-ৰ পৰা পাওঁ,

$$\lim_{\delta t \to 0} \frac{\delta u}{\delta t} = \lim_{\partial x \to 0} \frac{f(x+\delta x, y+\delta y) - f(x, y+\delta y)}{\delta x} \lim_{\partial t \to 0} \frac{\partial x}{\partial t}$$

$$+ \lim_{\delta y \to 0} \frac{f(x, y+\delta y) - f(x, y)}{\delta y} \lim_{\partial t \to 0} \frac{\delta y}{\delta t} \quad \text{... ... ... (4)}$$

যিহেতু, δt শূন্যৰ পিনে অগ্রসৰ হ'লে, δx আৰু δyও শূন্যৰ পিনে আগবাঢ়ে।

গতিকে (4)-ৰ পৰা,

$$\frac{du}{dt} = \frac{\partial u}{\partial x}.\frac{dx}{dt} + \frac{\partial u}{\partial y}.\frac{dy}{dt}$$

টোকা ঃ 1) যদি $u = f(x, y, z)$, য'ত $x = \phi_1(t)$, $y = \phi_2(t)$, $z = \phi_3(t)$, তেনেহ'লে,

$$\frac{du}{dt} = \frac{\partial u}{\partial x}.\frac{dx}{dt} + \frac{\partial u}{\partial y}.\frac{dy}{dt} + \frac{\partial u}{\partial z}.\frac{\partial z}{\partial t}$$

2) উপৰিউক্ত ফলটো সসীম সংখ্যক চলকলৈ সম্প্রসাৰণ কৰিব পাৰি।

যদি $u = f(x_1, x_2, ..., x_n)$, য'ত $x_1 = \phi_1(t)$, $x_2 = \phi_2(t)$, ..., $x_n = \phi_n(t)$.

তেনেহ'লে, $\frac{du}{dt} = \frac{\partial u}{\partial x_1}.\frac{dx_1}{dt} + \frac{\partial u}{\partial x_2}.\frac{dx_2}{dt} + \cdots + \frac{\partial u}{\partial x_n}.\frac{dx_n}{dt}$

3) যদি u এটা x আৰু y-ৰ ফলন, অর্থাৎ, u = f(x, y), য'ত y এটা x-ৰ ফলন, তেনেহ'লে, $\frac{du}{dx} = \frac{\partial u}{\partial x} + \frac{\partial u}{\partial y}.\frac{dy}{dx}$

নিগমন ঃ1) যদি u = f(x, y), য'ত $x = f_1(t_1, t_2)$ আৰু $y = f_2(t_1, t_2)$, তেনেহ'লে, আমি পাওঁ, $\frac{\partial u}{\partial t_1} = \frac{\partial u}{\partial x}.\frac{\partial x}{\partial t_1} + \frac{\partial u}{\partial y}.\frac{\partial y}{\partial t_1}$

আৰু $\frac{\partial u}{\partial t_2} = \frac{\partial u}{\partial x}.\frac{\partial x}{\partial t_2} + \frac{\partial u}{\partial y}.\frac{\partial y}{\partial t_2}$

2) **অন্তর্নিহিত ফলনৰ অৱকলন ঃ** যদি u = f(x, y) = c, য'তc এটা ধ্রুৱক, এটা অন্তর্নিহিত ফলন, তেনেহ'লে, টোকা (3)-ৰ পৰা,

$$0 = \frac{\partial u}{\partial x} + \frac{\partial u}{\partial y}.\frac{dy}{dx}$$

অর্থাৎ, $0 = \frac{\partial f}{\partial x} + \frac{\partial f}{\partial y}.\frac{dy}{dx}$

বা $\frac{dy}{dx} = -\frac{\frac{\partial f}{\partial x}}{\frac{\partial f}{\partial y}}$

ব্যাখ্যাকাৰী উদাহৰণ ঃ

উদাহৰণ 1: যদি $u = x^5 y^4$, য'ত $x = t^2$ আৰু $y = t^3$, $\frac{du}{dt}$ নির্ণয় কৰক।

সমাধান ঃ ইয়াত u এটা x আৰু y-ৰ ফলন, আৰু x আৰু y হ'ল t-ৰ ফলন। u চলক tৰো ফলন।

$$\therefore \frac{du}{dt} = \frac{\partial u}{\partial x}.\frac{dx}{dt} + \frac{\partial u}{\partial y}.\frac{dy}{dt}$$

$= (5x^4 y^4).2t + (4x^5 y^3).3t^2$

$= 10.x^4 y^4 t + 12x^5 y^3 t^2$

$= 10.t^8 t^{12} t + 12t^{10} t^9 t^2$

$= 22t^{21}$

উদাহৰণ 2: যদি u = f(x – y, y – z, z – x), প্রমাণ কৰক যে $\frac{\partial u}{\partial x} + \frac{\partial u}{\partial y} + \frac{\partial u}{\partial z} = 0$.

সমাধান ঃ ধৰা হ'ল, x – y = X, y – z = y, z – x = Z.

তেনেহ'লে, u = f(X, Y, Z), য'ত X, Y, Z হ'ল x, y, z-ৰ ফলন।

$$\therefore \frac{\partial u}{\partial x} = \frac{\partial u}{\partial X}.\frac{\partial X}{\partial x} + \frac{\partial u}{\partial Y}.\frac{\partial Y}{\partial x} + \frac{\partial u}{\partial Z}.\frac{\partial Z}{\partial x}$$

$$= \frac{\partial u}{\partial X}.(1) + \frac{\partial u}{\partial Y}.(0) + \frac{\partial u}{\partial Z}.(-1)$$

$$= \frac{\partial u}{\partial X} - \frac{\partial u}{\partial Z} \quad \text{... ... ... (1)}$$

সেইদৰে, $\frac{\partial u}{\partial y} = \frac{\partial u}{\partial X}.\frac{\partial X}{\partial y} + \frac{\partial u}{\partial Y}\frac{\partial Y}{\partial y} + \frac{\partial u}{\partial Z}.\frac{\partial Z}{\partial y}$

$$= \frac{\partial u}{\partial X}.(-1) + \frac{\partial u}{\partial Y}(1) + \frac{\partial u}{\partial Z}.(0)$$

$$= -\frac{\partial u}{\partial X}. + \frac{\partial u}{\partial Y} \quad \text{... ... ... (2)}$$

আৰু $\frac{\partial u}{\partial z} = -\frac{\partial u}{\partial Y} + \frac{\partial u}{\partial Z}$ ... ... (3)

(1), (2) আৰু (3) যোগ কৰি আমি পাওঁ, $\frac{\partial u}{\partial x} + \frac{\partial u}{\partial y} + \frac{\partial u}{\partial z} = 0$

উদাহৰণ 3: যদি $z = xy^2 + x^2y$, $x = at^2$, $y = 2at$; $\frac{dz}{dt}$ নির্ণয় কৰক। প্রত্যক্ষ প্রতিষ্ঠানৰ দ্বাৰা সত্যাপন কৰক।

সমাধান ঃ $\frac{\partial z}{\partial x} = y^2 + 2xy$, $\frac{\partial z}{\partial y} = 2xy + x^2$

$$\frac{dx}{dt} = 2at, \quad \frac{dy}{dt} = 2a$$

এতিয়া, $\frac{dz}{dt} = \frac{\partial z}{\partial x}.\frac{dx}{dt} + \frac{\partial z}{\partial y}.\frac{dy}{dt}$

$= (y^2 + 2xy)2at + (2xy + x^2)2a$

$= (4a^2t^2)2at + (4a^2t^3 + a^2t^4)2a$

$= a^3(16t^3 + 10t^4)$

দ্বিতীয় অংশ ঃ

$z = xy^2 + x^2y = 2a^3t^5 + 4a^3t^4$

$$\therefore \frac{dz}{dt} = 10a^3t^4 + 16a^3t^3$$

$= a^3(10t^4 + 16t^3)$

$= a^3(16t^3 + 10t^4)$ সত্যাপন কৰা হ'ল।

উদাহৰণ 4: যদি z এটা x আৰু y-ৰ ফলন হ'লে, প্ৰমাণ কৰক যে

$$\frac{\partial z}{\partial u}-\frac{\partial z}{\partial v}=x\frac{\partial z}{\partial x}-y\frac{\partial z}{\partial y}$$, যদি $x = e^{u} + e^{-v}$, $y = e^{-u} - e^{v}$.

সমাধান ঃ z এটা x আৰু y-ৰ ফলন। আকৌ x আৰু y প্ৰত্যেকেই u আৰু v-ৰ ফলন।

$$\frac{\partial z}{\partial u}=\frac{\partial z}{\partial x}.\frac{\partial x}{\partial u}+\frac{\partial z}{\partial y}.\frac{\partial y}{\partial u}$$

$$=\frac{\partial z}{\partial x}e^{u}-\frac{\partial z}{\partial y}e^{-u} \qquad \text{... ... ... (1)}$$

আকৌ, $\frac{\partial z}{\partial v}=\frac{\partial z}{\partial x}.\frac{\partial x}{\partial v}+\frac{\partial z}{\partial y}.\frac{\partial y}{\partial v}$

$$=-\frac{\partial z}{\partial x}e^{-v}-\frac{\partial z}{\partial y}e^{v} \qquad \text{... ... ... (2)}$$

(1)-ৰ পৰা (2) বিয়োগ কৰি আমি পাওঁ,

$$\frac{\partial z}{\partial u}-\frac{\partial z}{\partial v}=\frac{\partial z}{\partial x}\left(e^{u}+e^{-v}\right)-\frac{\partial z}{\partial y}\left(e^{-u}-e^{v}\right)$$

$$=x\frac{\partial z}{\partial x}-y\frac{\partial z}{\partial y}$$

উদাহৰণ 5: যদি $w = f(x, y)$, $x = r\cos\theta$, $y = r\sin\theta$, দেখুওৱাক যে

$$\left(\frac{\partial w}{\partial r}\right)^{2}+\frac{1}{r^{2}}\left(\frac{\partial w}{\partial \theta}\right)^{2}=\left(\frac{\partial f}{\partial x}\right)^{2}+\left(\frac{\partial f}{\partial y}\right)^{2}$$

সমাধান ঃ ইয়াত w হ'ল x আৰু y-ৰ ফলন। আকৌ x আৰু y প্ৰত্যেকেই r আৰু θ-ৰ ফলন।

$$\frac{\partial w}{\partial r}=\frac{\partial w}{\partial x}\frac{\partial x}{\partial r}+\frac{\partial w}{\partial y}\frac{\partial y}{\partial r}=\frac{\partial w}{\partial x}.\cos\theta+\frac{\partial w}{\partial y}.\sin\theta$$

অৰ্থাৎ, $\frac{\partial w}{\partial r}=\frac{\partial f}{\partial x}.\cos\theta+\frac{\partial f}{\partial y}.\sin\theta$ ... ... (1) [$\because$ $w = f(x, y)$]

বা $x\cos u\frac{\partial u}{\partial x} + y\cos u\frac{\partial u}{\partial y} + z\cos u\frac{\partial u}{\partial z} = 2\sin u$

বা $x\frac{\partial u}{\partial x} + y\frac{\partial u}{\partial y} + z\frac{\partial u}{\partial z} = 2\frac{\sin u}{\cos u}$

বা $x\frac{\partial u}{\partial x} + y\frac{\partial u}{\partial y} + z\frac{\partial u}{\partial z} = 2\tan u$

২২নং প্রশ্নৰ উত্তৰ ঃ ইয়াত $u = \sin^{-1}\frac{x + y}{\sqrt{x} + \sqrt{y}}$

$\therefore \sin u = \frac{x + y}{\sqrt{x} + \sqrt{y}}$ এটা x আৰু y-ৰ $\frac{1}{2}$ মাত্রাৰ সুষম ফলন।

$\therefore$ অইলাৰৰ উপপাদ্যৰ পৰা, আমি পালোঁ,

$$x\frac{\partial(\sin u)}{\partial x} + y\frac{\partial(\sin u)}{\partial y} = \frac{1}{2}\sin u$$

বা $x\cos u\frac{\partial u}{\partial x} + y\cos u\frac{\partial u}{\partial y} = \frac{1}{2}\sin u$

বা $x\frac{\partial u}{\partial x} + y\frac{\partial u}{\partial y} = \frac{1}{2}\tan u$ ... ... (1)

(1)ক আংশিকভাৱে x সাপেক্ষে অৱকলন কৰি, আমি পাওঁ,

$$x\frac{\partial^2 u}{\partial x^2} + 1\frac{\partial u}{\partial x} + y\frac{\partial^2 u}{\partial x\partial y} = \frac{1}{2}\sec^2 u\frac{\partial u}{\partial x}$$

বা $x\frac{\partial^2 u}{\partial x^2} + y\frac{\partial^2 u}{\partial x\partial y} = \left(\frac{1}{2}\sec^2 u - 1\right)\frac{\partial u}{\partial x}$ ... ... (2)

আকৌ, (1অক আংশিকভাৱে y সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$$x\frac{\partial^2 u}{\partial y\partial x} + y\frac{\partial^2 u}{\partial y^2} + 1.\frac{\partial u}{\partial y} = \frac{1}{2}\sec^2 u\frac{\partial u}{\partial y}$$

$$x\frac{\partial^2 u}{\partial y\partial x} + y\frac{\partial^2 u}{\partial y^2} = \left(\frac{1}{2}\sec^2 u - 1\right)\frac{\partial u}{\partial y} \text{ ... ...(3)} \left[\because \frac{\partial^2 u}{\partial y\partial x} = \frac{\partial^2 u}{\partial x\partial y}\right]$$

(2)ক xৰে আৰু (3)ক yৰে পূৰণ কৰি আৰু যোগ কৰি, আমি পাওঁ,

$$x^2\frac{\partial^2 u}{\partial x^2}+2xy\frac{\partial^2 u}{\partial x\partial y}+y^2\frac{\partial^2 u}{\partial y^2}=\left(\frac{1}{2}\sec^2 u-1\right)\left(x\frac{\partial u}{\partial x}+y\frac{\partial u}{\partial y}\right)$$

$$=\left(\frac{1}{2\cos^2 u}-1\right)\frac{1}{2}\tan u$$

$$=\frac{1-2\cos^2 u}{2\cos^2 u}.\frac{1}{2}\frac{\sin u}{\cos u} \quad [(1)\text{-ৰ পৰা}]$$

$$=\frac{-(2\cos^2 u-1)}{2\cos^2 u}.\frac{1}{2}\frac{\sin u}{\cos u}$$

$$=-\frac{\sin u\cos^2 u}{4\cos^3 u} \quad [\because 2\cos^2 u - 1 = \cos^2 u]$$



১১.১০ অধিক জানিবলৈ

1) Dhami, H. S., *Differential Calculus*; New Delhi: New Age International (P) Limited Publishers.
2) Ginzburg, A.: *Calculus Problems and Solutions*.
3) Kishan, Hari: *Differential Calculus*; New Delhi: Atlantic Publishers Distributors (P) Ltd.
4) Naryan, Shanti: Differential Calculus; S. Chand Limited.
5) Rao, S. Balachandra & Shantha, C. K.: *Differential Calculus*; New Delhi: New Age International (P) Limited Publishers.
6) Sharma, A. K.: *Text Book of Differential Calculus*; New Delhi: Discovery Publishing House.



১১.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ $\frac{\partial \upsilon}{\partial x}$ আৰু $\frac{\partial \upsilon}{\partial y}$ নিৰ্ণয় কৰক, যদি

i) $u = x\sin y + y\sin x$

ii) $u=\frac{1}{\sqrt{x^2+y^2}}$

iii) $u = x^y$

iv) $u=\sin^{-1}\frac{x}{y}$

প্রশ্ন ২ ঃ যদি $u = x^2 \tan^{-1}\left(\frac{x}{y}\right) - y^2 \tan^{-1}\left(\frac{x}{y}\right)$, প্রমাণ কৰক যে $\frac{\partial^2 \upsilon}{\partial x \partial y} = \frac{\partial^2 \upsilon}{\partial y \partial x}$

প্রশ্ন ৩ ঃ যদি $u = \tan^{-1}\left(\frac{xy}{\sqrt{1+x^2+y^2}}\right)$, প্রমাণ কৰক যে $\frac{\partial^2 \upsilon}{\partial x \partial y} = \frac{1}{\left(1+x^2+y^2\right)^{3/2}}$

প্রশ্ন ৪ ঃ যদি $v = \log\left(x^2+y^2\right) + \tan^{-1}\left(\frac{y}{x}\right)$, দেখুওৱাক যে $\frac{\partial^2 \nu}{\partial x^2} + \frac{\partial^2 \nu}{\partial y^2} = 0$

প্রশ্ন ৫ ঃ অধোলিখিত ফলনবোৰৰ বাবে অইলাৰৰ উপপাদ্য সত্যাপন কৰক।

i) $u = 3x^2yz + 4xy^2z + 5y^4$ ii) $u = \frac{x\left(x^3-y^3\right)}{x^3+y^3}$

iii) $u = x^2 \log\left(\frac{y}{x}\right)$ iv) $u = axy + byz + czx$

v) $u = \sin^{-1}\left(\frac{x}{y}\right) + \tan^{-1}\left(\frac{y}{x}\right)$

প্রশ্ন ৬ ঃ যদি $u = \frac{1}{x^3} + \frac{1}{x^2y} - \frac{1}{x^3+5y^3}$, $x\frac{\partial u}{\partial x} + y\frac{\partial u}{\partial y} + 3u$ নির্ণয় কৰক।

প্রশ্ন ৭ ঃ যদি $z = z(x, y)$, $x = e^u + e^{-v}$, $y = e^{-u} - e^v$,

প্রমাণ কৰক যে $\frac{\partial z}{\partial u}.\frac{\partial z}{\partial \nu} = x\frac{\partial z}{\partial x} - y\frac{\partial z}{\partial y}$

প্রশ্ন ৮ ঃ যদি $z = f(x, y)$, য'ত $x = e^u \cos v$, $y = e^u \sin v$

প্রমাণ কৰক যে $\left(\frac{\partial z}{\partial x}\right)^2 + \left(\frac{\partial z}{\partial y}\right)^2 = e^{2\upsilon}\left[\left(\frac{\partial z}{\partial u}\right)^2 + \left(\frac{\partial z}{\partial v}\right)^2\right]$

প্রশ্ন ৯ ঃ যদি u এটা n মাত্রাৰ সুষম ফলন, প্রমাণ কৰক যে–

a) $x\frac{\partial^2 u}{\partial x^2} + y\frac{\partial^2 u}{\partial x \partial y} = (n-1)\frac{\partial u}{\partial x}$

b) $x\frac{\partial^2 u}{\partial x \partial y} + y\frac{\partial^2 u}{\partial y^2} = (n-1)\frac{\partial u}{\partial y}$

প্রশ্ন ১০ ঃ যদি $u = e^{ax+by} f(ax-by)$, প্রমাণ কৰক যে $b\frac{\partial u}{\partial x} + ac\frac{\partial u}{\partial y} = 2abu$

প্রশ্ন ১১ ঃ যদি $u = \cos xyz$, $\frac{\partial^3 u}{\partial x \partial y \partial z}$ নির্ণয় কৰক।

প্রশ্ন ১২ ঃ যদি $U = \left(x^2+y^2+z^2\right)^{-1/2}$, প্রমাণ কৰক যে $U_{xx} + U_{yy} + U_{zz} = 0$

*** ***** ***

অধ্যায় ১২ঃ বহু চলক বিশিষ্ট ফলনৰ চৰম মান

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ দুটা চলক বিশিষ্ট ফলনৰ বাবে টেলৰৰ উপপাদ্য

১২.৪ দুটা চলক বিশিষ্ট ফলনৰ বাবে গৰিষ্ঠ আৰু লঘিষ্ঠ মান

১২.৪.১ দুটা চলক বিশিষ্ট ফলনৰ বা লঘিষ্ঠ মানৰ অস্তিত্বৰ বাবে প্রয়োজনীয় চর্ত

১২.৪.২ অচল বিন্দু আৰু চৰম বিন্দু

১২.৪.৩ দুটা চলক বিশিষ্ট ফলনৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে পর্য্যাপ্ত চর্ত

১২.৪.৪ দুটা চলক বিশিষ্ট ফলনৰ গৰিষ্ঠ বা লঘিষ্ঠ মান উলিওৱাৰ কার্যকৰী নিয়ম

১২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১২.৬ অগ্রগতিৰ খতিয়ান

১২.৭ অধিক জানিবলৈ

১২.৮ আর্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- দুটা চলক বিশিষ্ট ফলনৰ বাবে টেলৰৰ উপপাদ্য সম্বন্ধে জানিব
- দুটা চলক বিশিষ্ট ফলনৰ বাবে গৰিষ্ঠ আৰু লঘিষ্ঠ মান নির্ণয় কৰিব পাৰিব।

১২.২ পৰিচয়

একাদশ অধ্যায়ত আমি বহু চলক বিশিষ্ট ফলন, আংশিক অৱকলজ, সুষম ফলন আৰু অইলাৰৰ সুষম ফলন সম্পর্কীয় উপপাদ্যৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত আমি দুটা চলক বিশিষ্ট টেলৰৰ উপপাদ্যৰ বিষয়ে আলোচনা কৰিম। লগতে আমি দুটা চলক বিশিষ্ট ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান পদ্ধতি সম্বন্ধে অধ্যয়ন কৰিম।

১২.৩দুটা চলকত টেলৰৰ শ্রেণী

ধৰা হ'ল, f(x, y) এটা দুটা চলক বিশিষ্ট ফলন। ধৰা হ'ল ফলনটোৰ সকলো ক্রমৰ অৱকলজ আছে। তেনেহ'লে,

$$f(x+h,y+k)=f(x,y)+\left(h\frac{\partial f}{\partial x}+k\frac{\partial f}{\partial y}\right)+\frac{1}{2!}\left(h^2\frac{\partial^2 f}{\partial x^2}+2hk\frac{\partial^2 f}{\partial x\partial y}+k^2\frac{\partial^2 f}{\partial y^2}\right)+\ldots \quad (1)$$

ব্রুক টেলৰৰ (Brook Taylor, 1685-1731) নাম অনুসৰি উপৰিউক্ত শ্রেণীটো টেলৰৰ শ্রেণী (Taylor's Series) বুলি কোৱা হয়।



ব্রুক টেলৰ (1685-1731) ঃ এজন ব্রিটিছ গণিতজ্ঞ আছিল।

টোকা ঃ 1) উপৰিউক্ত ফলটো যিকোনো সসীম সংখ্যক স্বতন্ত্র চলকলৈ সম্প্রসাৰণ কৰিব পাৰি।

2) উপৰিউক্ত ফলটো তলত দিয়া ধৰণেও লিখিব পাৰি,

$$f(x+h,y+k)=f(x,y)+\left(h\frac{\partial}{\partial x}+k\frac{\partial}{\partial y}\right)f+\frac{1}{2!}\left(h\frac{\partial}{\partial x}+k\frac{\partial}{\partial y}\right)^2 f+\ldots\ \ldots\ \ldots\ \ldots\ (2)$$

3) (1)ত x = a, y = b বহুৰাই আমি পাওঁ

$$f(a+h,\ y+k)=f(a,b)+[hf_x(a,b)+kf_y(a,b)]$$

$$+\frac{1}{2!}\left[h^2f_{xx}(a,b)+2hkf_{xy}(a,b)+k^2f_{yy}(a,b)\right]+\ldots\ \ldots\ \ldots\ \ldots\ (3)$$

আন এটা ৰূপ ঃ (a, b) বিন্দু সাপেক্ষে টেলৰৰ শ্রেণী,

$$f(x,y)=f(a,b)+\left[(x-a)\left(\frac{\partial f}{\partial x}\right)_{(a,b)}+(y-b)\left(\frac{\partial f}{\partial y}\right)_{(a,b)}\right]+$$

$$\frac{1}{2!}\left[(x-a)^2\frac{\partial^2 f}{\partial x^2}_{(a,b)}+2(x-a)(y-b)\left(\frac{\partial^2 f}{\partial x\partial y}\right)_{(a,b)}+(y-b)^2\left(\frac{\partial^2 f}{\partial y^2}\right)_{(a,b)}\right]+\ldots\ \ldots\ \ldots\ \ldots\ (4)$$

(4)ত a = 0, b = 0 বহুৰাই আমি পাওঁ,

$$f(x,y)=f(0,0)+\left[x\left(\frac{\partial f}{\partial x}\right)_{(0,0)}+y\left(\frac{\partial f}{\partial y}\right)_{(0,0)}\right]+$$

$$\frac{1}{2!}\left[x^2\frac{\partial^2 f}{\partial x^2}_{(0,0)}+2xy\left(\frac{\partial^2 f}{\partial x\partial y}\right)_{(0,0)}+y^2\left(\frac{\partial^2 f}{\partial y^2}\right)_{(0,0)}\right]+\cdots\ \ldots\ \ldots\ \ldots\ (5)$$

কলিন মেকলৰিনৰ (Colin Maclaurin, 1698-1746) নাম অনুসৰি (4) শ্রেণীটো মেকলৰিনৰ শ্রেণী (Maclaurin's Series) বুলি কোৱা হয়।



কলিন মেকলৰিন (1698-1746) ঃ এজন স্কটিছ গণিতজ্ঞ আছিল।

উদাহৰণ 1: (1, 1) বিন্দু সাপেক্ষে e^{xy}ক সম্প্রসাৰণ কৰক।

সমাধান ঃ ধৰা হ'ল, $f(x, y) = e^{xy}$

$\therefore\ f(1, 1) = e^{1.1} = e$

$$\frac{\partial f}{\partial x}=ye^{xy}\Rightarrow\left(\frac{\partial f}{\partial x}\right)_{(1.1)}=e^1=e$$

$$\frac{\partial f}{\partial y}=xe^{xy}\Rightarrow\left(\frac{\partial f}{\partial y}\right)_{(1.1)}=e^1=e$$

$$\frac{\partial^2 f}{\partial x^2} = y^2 e^{xy} \Rightarrow \left(\frac{\partial^2 f}{\partial x^2}\right)_{(1.1)} = 1^2 e^1 = e$$

$$\frac{\partial^2 f}{\partial y \partial x} = xye^{xy} + e^{xy} \Rightarrow \left(\frac{\partial^2 f}{\partial y \partial x}\right)_{(1.1)} = 1.1.e^1 + e^1 = 2e$$

$$\frac{\partial^2 f}{\partial y^2} = x^2 e^{xy} \Rightarrow \left(\frac{\partial^2 f}{\partial y^2}\right)_{(1.1)} = 1^2 e^1 = e$$

দুটা চলকৰ ফলনৰ বাবে টেলৰৰ শ্ৰেণীৰ পৰা,

$$f(x,y) = f(a,b) + \left[(x-a)\frac{\partial f(a,b)}{\partial x} + (y-b)\frac{\partial f(a,b)}{\partial y}\right] +$$

$$\frac{1}{2!}\left[(x-a)^2 \frac{\partial^2 f(a,b)}{\partial x^2} + 2(x-a)(y-b)\frac{\partial^2 f(a,b)}{\partial x \partial y} + (y-b)^2 \frac{\partial^2 f(a,b)}{\partial y^2}\right] + \cdots$$

$$\Rightarrow e^{xy} = e\left[1 + (x-1) + (y-1)\right] + \frac{1}{2!}\left[(x-1)^2 + 4(x-1)(y-1) + (y-1)^2\right]e + \cdots$$

উদাহৰণ 2: (1, 1) বিন্দুৰ সামীপ্যত $\tan^{-1}\frac{y}{x}$ সম্প্ৰসাৰণ কৰক।

সমাধান ঃ ইয়াত, $f(x,y) = \tan^{-1}\frac{y}{x}$, $f(1.1) = \tan^{-1}1 = \frac{\pi}{4}$

$$f_x(x,y) = \frac{1}{1+\frac{y^2}{x^2}}\left(-\frac{y}{x^2}\right) = \frac{-y}{x^2+y^2}, \quad f_x(1,1) = -\frac{1}{2}$$

$$f_y(x,y) = \frac{1}{1+\frac{y^2}{x^2}}.\frac{1}{x} = \frac{x}{x^2+y^2}, \quad f_y(1,1) = -\frac{1}{2}$$

$$f_{xx}(x,y) = -y(-1)\left(x^2+y^2\right)^{-2}.2x = \frac{2xy}{\left(x^2+y^2\right)^2}, \quad f_{xx}(1,1) = \frac{1}{2}$$

$$f_{xy}(x,y) = \frac{\left(x^2+y^2\right).1 - x.2x}{\left(x^2+y^2\right)^2} = \frac{y^2-x^2}{\left(x^2+y^2\right)^2}, \quad f_{xy}(1,1) = 0$$

$$f_{yy}(x,y) = x(-1)\left(x^2+y^2\right)^{-2}.2y = -\frac{2xy}{\left(x^2+y^2\right)^2}, \quad f_{yy}(1,1) = -\frac{1}{2}$$

$$\therefore \tan^{-1}\frac{y}{x} = f(x,y) = f(1,1) + \left[(x-1)f_x(1,1) + (y-1)f(1,1)\right] +$$

$$\frac{1}{2!}\left[(x-1)^2 f_{xx}(1,1) + 2(x-1)(y-1)f_{xy}(1,1) + (y-1)^2 f_{yy}(1,1)\right] + \cdots$$

$$= \frac{\pi}{4} + \left[(x-1)\left(-\frac{1}{2}\right) + (y-1)\frac{1}{2}\right] +$$

$$\frac{1}{2!}\left[(x-1)^2.\frac{1}{2} + 2(x-1)(y-1).0 + (y-1)^2\left(-\frac{1}{2}\right)\right] + \ldots$$

$$= \frac{\pi}{4} - \frac{1}{2}(x-1) + \frac{1}{2}(y-1) + \frac{1}{4}(x-1)^2 - \frac{1}{4}(y-1)^2 + \ldots.$$

উদাহৰণ 3: x আৰু y-ৰ ঘাতত $f(x, y) = e^y \log(1+x)$ক সম্প্রসাৰণ কৰক।

সমাধান ঃ ইয়াত, $f(x, y) = e^y \log(1+x)$, $f(0, 0) = 0$

$$\therefore f_x(x,y) = e^y \frac{1}{1+x}, \quad fx(0,0) = 1$$

$f_y(x, y) = e^y \log(1+x)$, $f_y(0, 0) = 0$

$$f_{xy}(x,y) = \frac{e^y}{1+x}, \quad f_{xy}(0, 0) = 1$$

$$f_{xx}(x,y) = \frac{-e^y}{(1+x)^2}, \quad f_{xx}(0, 0) = -1$$

$f_{yy}(x, y) = e^y \log(1+x)$, $f_{yy}(0, 0) = 0$

টেলৰৰ শ্রেণীৰ পৰা,

$f(x, y) = e^y \log(1+x) = f(0, 0) + [xf_x(0, 0) + yf_y(0, 0)] +$

$$\frac{1}{2!}\left[x^2 f_{xx}(0,0) + 2xy\, f_{xy}(0,0) + y^2 f_{yy}(0,0)\right] + \cdots$$

$$= 0 + \left[x.1 + y.0\right] + \frac{1}{2!}\left[-x^2 + 2.1.xy + 0\right] + \ldots$$

$$= x - \frac{x^2}{2} + xy + \ldots$$

উদাহৰণ 4: টেলৰৰ শ্রেণী ব্যৱহাৰ কৰি (x–1) আৰু (y+2)-ৰ ঘাতত $x^2y + 3y - 2$ ফলনটোক সম্প্রসাৰণ কৰক।

সমাধান ঃ ইয়াত, $f(x,y) = x^2y + 3y - 2$, $a = 1$, $b = -2$

$\therefore f(1, -2) = 1^2 \times (-2) + 3(-2) - 2 = -10$

$f_x = 2xy$, $f_x(1, -2) = 2(1)(-2) = -4$

$f_y = x^2+3$, $f_y(1, -2) = 1^2 + 3 = 4$

$f_{xx} = 2y$, $f_{xx}(1, -2) = 2(-2) = -4$

$f_{xy} = 2x$, $f_{xy}(1, -2) = 2(1) = 2$

$f_{yy} = 0$, $f_{yy}(1, -2) = 0$

টেলৰৰ শ্রেণীৰ পৰা,

$f(x, y) = f(a, b) + [(x-a)f_x(a.b) + (y-b)f_y(a.b)] +$

$\frac{1}{2!}\left[(x-a)^2 f_{xx}(a,b) + 2(x-a)(y-b)f_{xy}(a,b) + (y-b)^2 f_{yy}(a,b)\right] + \ldots$

$\therefore x^2y + 3y - 1 = f(x, y)$

$= -10 + [(x-1)(-4) + (y+2)(4)] + ½[(x-1)^2(-4) + 2(x-1)(y+2)$

$+ (y+2)^20] + \ldots$

$= -10 - 4(x-1) + 4(y+2) - 2(x-1)^2 + 2(x-1)(y+2) + \ldots$



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ (0, 0) বিন্দুৰ সামীপ্যত $e^x \log(1+y)$ ফলনটোৰ প্রথম ছটা পদ টেলৰৰ শ্রেণীৰ সহায়ত নির্ণয় কৰক।

প্রশ্ন নং ২ঃ টেলৰৰ শ্রেণী ব্যৱহাৰ কৰি $f(x, y) = x^3 + y^3 + xy^2$ ফলনটো $(x - 1)$ আৰু $(y - 2)$-ৰ ঘাতত সম্প্রসাৰণ কৰক।

প্রশ্ন নং ৩ঃ $(x - 1)$ আৰু $(y - 1)$-ৰ ঘাতত e^{xy} ফলনটো সম্প্রসাৰণ কৰক।

প্রশ্ন নং ৪ঃ মূল বিন্দু সাপেক্ষে $e^{ax} \sin by$ ফলনটো তৃতীয় মাত্রাৰ পদলৈ সম্প্রসাৰণ কৰক।

১২.৪ দুটা চলক বিশিষ্ট ফলনৰ বাবে গৰিষ্ঠ আৰু লঘিষ্ঠ মান

নৱম অধ্যায়ৰ অনুচ্ছেদ ৯.৫ত আমি এটা চলক বিশিষ্ট ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান উলিওৱাৰ পদ্ধতি সম্বন্ধে আলোচনা কৰিছোঁ।

আমি পাইছিলোঁ যে $f(x)$ ফলনটোৰ a বিন্দুত গৰিষ্ঠ মান থাকিব যদি $f'(a) = 0$ আৰু $f''(a) < 0$, ফলনটোৰ a বিন্দুত লঘিষ্ঠ মান থাকিব যদি $f'(a) = 0$ আৰু $f''(a) > 0$.

এইটো অনুচ্ছেদত আমি দুটা চলক বিশিষ্ট ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান উলিওৱা পদ্ধতি সম্বন্ধে আলোচনা কৰিম।

সংজ্ঞা ঃ $f(x, y)$ ফলনটোৰ $x = a, y = b$ বিন্দুত গৰিষ্ঠ মান থাকে বুলি কোৱা হয় যদি h আৰু k ৰ ক্ষুদ্র আৰু স্বতন্ত্র মানৰ বাবে (ধনাত্মক বা ঋণাত্মক) $f(a, b) > f(a+h, b+k)$.

$f(x. y)$ ফলনটোৰ $x = a, y = b$ বিন্দুত লঘিষ্ঠ মান থাকে বুলি কোৱা হয় যদি h আৰু k ৰ ক্ষুদ্র আৰু স্বতন্ত্র মানৰ বাবে (ধনাত্মক বা ঋণাত্মক) $f(a, b) < f(a+h, b+k)$.

গতিকে $f(x, y)$ ফলনটোৰ (a, b) বিন্দুত গৰিষ্ঠ বা লঘিষ্ঠ মান থাকিব যদি ক্রমানুসাৰে $\Delta f = f(a+h, b+k) - f(a, b) < 0$ or > 0. ফলন এটাৰ গৰিষ্ঠ বা লঘিষ্ঠ মানক চৰম মান বুলি কোৱা হয়। ফলন এটাৰ চৰম (গৰিষ্ঠ বা লঘিষ্ঠ) বিন্দুত মানটোক ফলনটোৰ চৰম (গৰিষ্ঠ বা লঘিষ্ঠ) মান বুলি কোৱা হয়।

১২.৪.১ f(x y) ফলনটো গৰিষ্ঠ বা লঘিষ্ঠ হোৱাৰ চর্ত

টেলৰৰ শ্রেণীৰ পৰা, $f(a+h, b+k) = f(a, b) + [hf_x(a, b) + kf_y(a, b)]$

$$+\frac{1}{2!}\left[h^2f_{xx}(a,b)+2hkf_{xy}(a,b)+k^2f_{yy}(a,b)\right]+\cdots \text{ ... ... (1)}$$

যিহেতু h, k আদি ক্ষুদ্র সংখ্যা, আমি h^2, hk, k^2 ইত্যাদি পদ বিবেচনা নকৰোঁ।

$\therefore$ উপৰিউক্ত (1) প্রসাৰণটো হ'বগৈ,

$\Delta f = [f(a+h, b+k) - f(a, b)]$

$= hf_x(a, b) + kf_y(a, b)$ ... ... (2)

$\therefore \Delta f$-ৰ চিন = $[hf_x(a, b) + kf_y(a, b)]$-ৰ চিন

$h = 0$ হ'লে, Δf-ৰ চিন k-ৰ চিনৰ সৈতে সলনি হয়। সেইদৰে $k = 0$ হ'লে, Δf-ৰ চিন h আৰু k-ৰ সৈতে চিন সলনি কৰে, $f_x(a, b) = 0 = f_y(a, b)$ নহ'লে, f(x, y)ৰ (a, b)ত গৰিষ্ঠ বা লঘিষ্ঠ মান থাকিব নোৱাৰে।

$\therefore$ (a, b)ত f(x, y) ফলনটো গৰিষ্ঠ বা লঘিষ্ঠ হোৱাৰ প্রয়োজনীয় চর্ত হ'ল,

$$f_x(a, b) = 0, f_y(a, b) = 0$$

যদি এই চর্তসমূহ সিদ্ধ হয়, তেনেহ'লে, h আৰু k-ৰ ক্ষুদ্র মানৰ বাবে, (1)-ৰ পৰা আমি পাম,

$$\Delta f = \frac{1}{2!}\left[h^2f_{xx}(a,b)+2hkf_{xy}(a,b)+k^2f_{yy}(a,b)\right]+\cdots$$

$$= \frac{1}{2!}\left[h^2r+2hks+k^2t\right]+...$$

[যi'ত, $r = f_{xx}(a, b), s = f_{xy}(a, b), t = f_{yy}(a, b)$]

বা $$\Delta f = \frac{1}{2r}\left[h^2r^2+2hkrs+k^2rt\right]+\cdots$$

$$= \frac{1}{2r}\left[\left(h^2r^2+2hkrs+k^2s^2\right)+\left(k^2rt-k^2s^2\right)\right]+\cdots$$

$$= \frac{1}{2r}\left[(hr+ks)^2+k^2\left(rt-s^2\right)\right]+\cdots \quad \text{... ... ... (3)}$$

এতিয়া, $(hr + ks)^2$ সদায় ধনাত্মক আৰু $k^2 (rt - s^2)$ ধনাত্মক হ'ব, যদি $rt - s^2 > 0$. এই ক্ষেত্রত h আৰু k-ৰ সকলো মানৰ বাবে Δf-ৰ চিন r-ৰ সৈতে একে হ'ব। সেয়েহে,

i) যদি $rt - s^2 > 0$, (a, b)ত f(x, y)-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মান থাকিব যদি ক্রমানুসাৰে $r < 0$ বা $r > 0$.

ii) যদি $rt - s^2 < 0$, h আৰু k-ৰ সৈতে Δf-ৰ চিন একে হ'ব। সেয়েহে (a, b)ত গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

iii) যদি $rt - s^2 = 0$, (a, b)ত গৰিষ্ঠ বা লঘিষ্ঠ মান সম্বন্ধে কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি আৰু সেয়ে পুনৰ পৰীক্ষাৰ প্ৰয়োজন।

অচল বিন্দু ঃ (a, b) বিন্দুটোক অচল বিন্দু (Stationary Point) বুলি কোৱা হয়, যদি $f_x(a.\ b) = 0$, $f_y(a.\ b) = 0$ মানটোক অচল মান (Stationary Value) বুলি কোৱা হয়

১২.৪.২ z = f(x, y) ফলনৰ চৰম মান উলিওৱাৰ পদ্ধতি

i) প্ৰথমতে, $\frac{\partial z}{\partial x}$ আৰু $\frac{\partial z}{\partial y}$ নিৰ্ণয় কৰক।

ii) $\frac{\partial z}{\partial x} = 0$ আৰু $\frac{\partial z}{\partial y} = 0$ সমাধান কৰক।

ধৰা হ'ল, সমাধান (a, b) ; (c, d), ...

iii) (ii)-ৰ প্ৰতিটো সমাধানৰ বাবে $r = \frac{\partial^2 f}{\partial x^2}$, $s = \frac{\partial^2 f}{\partial x \partial y}$ আৰু $t = \frac{\partial^2 f}{\partial y^2}$.

iv) a) যদি (ii)-ৰ এটা সমাধান (a, b)-ৰ বাবে $rt - s^2 > 0$ আৰু $r < 0$, (a, b)ত z-ৰ গৰিষ্ঠ মান আছে।

b) যদি (ii)-ৰ এটা সমাধান (a, b)-ৰ বাবে $rt - s^2 > 0$ আৰু $r > 0$, (a, b)ত z-ৰ লঘিষ্ঠ মান আছে।

c) যদি (ii)-ৰ এটা সমাধান (a, b)-ৰ বাবে $rt - s^2 < 0$, (a, b)ত z-ৰ চৰম মান নাই।

d) যদি $rt - s^2 = 0$, এটা অনিশ্চিত তথা অস্পষ্ট অৱস্থা আৰু পুনৰ পৰীক্ষাৰ প্ৰয়োজন।

উদাহৰণ 1: $u = x^3y^2 (1-x-y)$ ফলনৰ গৰিষ্ঠ বা লঘিষ্ঠ মান নিৰ্ণয় কৰক।

সমাধান ঃ দিয়া আছে, $u = x^3y^2(1 - x - y)$

এতিয়া, $\frac{\partial u}{\partial x} = 3x^2y^2(1-x-y) - x^3y^2$

$= x^2y^2[3(1-x-y) - x]$

$= x^2y^2[3 - 4x - 3y]$

$\frac{\partial^2 u}{\partial x^2} = 6xy^2(1-x-y) - 3x^2y^2 - 3x^2y^2$

$= 6xy^2(1-x-y) - 6x^2y^2$

$\frac{\partial u}{\partial y} = 2x^3y(1-x-y) - x^3y^2$

$$\frac{\partial^2 u}{\partial x \partial y} = 6x^2y(1-x-y) - 2x^3y - 3x^2y^2$$

$$\frac{\partial^2 u}{\partial y^2} = 2x^3(1-x-y) - 2x^3y - 2x^3y = 2x^3(1-x-y) - 4x^3y$$

u-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{\partial u}{\partial x} = 0$ আৰু $\frac{\partial u}{\partial y} = 0$

$\Rightarrow 3x^2y^2(1-x-y) - x^2y^2 = 0$ $\Rightarrow 2x^3y(1-x-y) - x^3y^2 = 0$

$\Rightarrow x^2y^2 3 - 4x - 3y = 0$ $\Rightarrow x^3y\,[2(1-x-y) - y] = 0$

$\Rightarrow 3 - 4x - 3y = 0$ $\Rightarrow 2 - 2x - 3y = 0$

$\Rightarrow 4x + 3y = 3$ ... (1) $\Rightarrow 2x + 3y = 2$ ... (2)

(1) আৰু (2) সমাধান কৰি আমি পাওঁ, $x = \frac{1}{2},\ y = \frac{1}{3}$

এতিয়া আমি $\left(\frac{1}{2}, \frac{1}{3}\right)$ বিন্দুত $r = \frac{\partial^2 u}{\partial x^2}$ উলিয়াওঁ।

$$= 6xy^2(1-x-y) - 6x^2y^2 \text{ at } \left(\frac{1}{2}, \frac{1}{3}\right)$$

$$= 6.\frac{1}{2}.\frac{1}{9}\left(1 - \frac{1}{2} - \frac{1}{3}\right) - 6.\frac{1}{4}.\frac{1}{9}$$

$$= -\frac{1}{9} < 0$$

সেইদৰে $s = \frac{\partial^2 u}{\partial x \partial y}, \left(\frac{1}{2}, \frac{1}{3}\right)$

$$= 6x^2y(1-x-y) - 2x^3y - 3x^2y^2 \text{ at } \left(\frac{1}{2}, \frac{1}{3}\right)$$

$$= 6.\frac{1}{4}.\frac{1}{3}\left(1 - \frac{1}{2} - \frac{1}{3}\right) - 2.\frac{1}{8}.\frac{1}{3} - 3.\frac{1}{4}.\frac{1}{9}$$

$$= -\frac{1}{12}$$

আৰু $t = \frac{\partial^2 u}{\partial y^2}, \left(\frac{1}{2}, \frac{1}{3}\right)$

$$= 2x^3(1-x-y) - 4x^3y, \left(\frac{1}{2}, \frac{1}{3}\right)$$

$$= 2.\frac{1}{8}\left(1-\frac{1}{2}-\frac{1}{3}\right)-4.\frac{1}{8}.\frac{1}{3}$$

$$= -\frac{1}{8}$$

এতিয়া, $rt - s^2 = \frac{1}{72} - \frac{1}{144} = \frac{1}{144} > 0$

আকৌ, $r < 0$

$\therefore \left(\frac{1}{2}, \frac{1}{3}\right)$ বিন্দুত ফলনটোৰ গৰিষ্ঠ মান আছে। ফলনটোৰ গৰিষ্ঠ মান,

$$u\left(\frac{1}{2}, \frac{1}{3}\right) = \left(\frac{1}{2}\right)^3\left(\frac{1}{3}\right)^2\left(1-\frac{1}{2}-\frac{1}{3}\right) = \frac{1}{432}$$

উদাহৰণ 2: $z = x^2 - 3xy + y^2 + 2x$ ফলনটোৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

সমাধান ঃ দিয়া আছে, $z = x^2 - 3xy + y^2 + 2x$.

এতিয়া, $\frac{\partial z}{\partial x} = 2x - 3y + 2$ ... ... (1)

$$\frac{\partial z}{\partial y} = -3x + 2y$$ ... ... (2)

আকৌ, $\frac{\partial^2 z}{\partial x^2} = 2$

$$\frac{\partial^2 z}{\partial x \partial y} = -3$$

আৰু $\frac{\partial^2 z}{\partial y^2} = 2$

z-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$\frac{\partial z}{\partial x} = 0$ আৰু $\frac{\partial z}{\partial y} = 0$

$\therefore 2x - 3y + 2 = 0$ ... (1) আৰু $-3x + 2y = 0$ ... (2)

(1) আৰু (2) সমাধান কৰি আমি পাওঁ, $x = \frac{4}{5}$, $y = \frac{6}{5}$

এতিয়া, $r = \frac{\partial^2 z}{\partial x^2} = 2 > 0$

$$s = \frac{\partial^2 z}{\partial x \partial y} = -3$$

$$t = \frac{\partial^2 z}{\partial y^2} = 2$$

$\therefore\ rt - s^2 = 2 \times 2 - (-3)^2 = -5 < 0$

$\therefore\ x = \frac{4}{5},\ y = \frac{6}{5}$ ত ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান নাই।

উদাহৰণ 3: $u = x^2y^2 - 5x^2 - 8xy - 5y^2$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

সমাধান ঃ প্ৰদত্ত ফলনটো হ'ল, $u = x^2y^2 - 5x^2 - 8xy - 5y^2$

এতিয়া, $\frac{\partial u}{\partial x} = 2xy^2 - 10x - 8y$

$$\frac{\partial u}{\partial y} = 2x^2y - 8x - 10y$$

আকৌ, $r = \frac{\partial^2 u}{\partial x^2} = 2y^2 - 10$

$$s = \frac{\partial^2 u}{\partial x \partial y} = 4xy - 8$$

$$t = \frac{\partial^2 u}{\partial y^2} = 2x^2 - 10$$

u-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$$\frac{\partial u}{\partial x} = 0 \Rightarrow 2xy^2 - 10x - 8y = 0 \qquad \text{... ... ... (1)}$$

আৰু $\frac{\partial u}{\partial y} = 0 \Rightarrow 2x^2y - 8x - 10y = 0$ ... ... (2)

(2)-ৰ পৰা, $y(x^2-5) = 4x$

(1)ত $y = \frac{4x}{x^2 - 5}$ বহুৰাই আমি পাওঁ,

$$x.\frac{16x^2}{(x^2-5)^2} - 5x - \frac{16x}{x^2-5} = 0$$

বা $\frac{16x^3 - 5x(x^2-5)^2 - 16x(x^2-5)}{(x^2-5)^2} = 0$

বা $16x^3 - 5x(x^2 - 5)^2 - 16x(x^2 - 5) = 0$

বা $x[16x^2 - 5x^4 + 50x^2 - 125 - 16x^2 + 80] = 0$

বা $x[-5x^4 + 50x^2 - 45] = 0$

বা $x[x^4 - 10x^2 + 9] = 0$

বা $x(x^2 - 1)(x^2 - 9) = 0$

$\therefore x = 0, \pm 1, \pm 3$

(2)-ৰ পৰা, যেতিয়া, $x = 0$ $y = 0$,

যেতিয়া $x = 1$ $y = -1$

যেতিয়া $x = -1$ $y = 1$

যেতিয়া $x = 3$ $y = 3$

যেতিয়া $x = -3$ $y = -3$

$\therefore$ অচল বিন্দুকেইটা হ'ল, (0, 0), (1, –1), (–1, 1), (3, 3) আৰু (–3, –3).

(0, 0) বিন্দুত, $r = -10$, $s = -8$, $t = -10$.

$\therefore rt - s^2 = 100 - 64 = 36 > 0$

$\therefore r < 0$, (0, 0) বিন্দুত u গৰিষ্ঠ।

(1, –1) বিন্দুত, $r = -8$, $s = -12$, $t = -8$

$\therefore rt - s^2 = 64 - 144 < 0$.

$\therefore$ (1, –1) বিন্দুত গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই। সেইদৰে আমি দেখুৱাব পাৰোঁ যে (–1, 1), (3, 3) আৰু (–3, –3) বিন্দুকেইটাৰ এটাতো গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

সেয়েহে একমাত্ৰ (0, 0) বিন্দুটোতহে ফলনটোৰ গৰিষ্ঠ মান আছে।

উদাহৰণ 4: $x^3 + y^3 - 3axy$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

সমাধান ঃ ইয়াত, $f(x, y) = x^3 + y^3 - 3axy$

$f_x = 3x^2 - 3ay$

$f_y = 3y^2 - 3ax$

$r = f_{xx} = 6x$

$s = f_{xy} = -3a$

$t = f_{yy} = 6y$

এতিয়া, $f_x = 0$ আৰু $f_y = 0$

$\Rightarrow x^2 - ay = 0$ ... (1) আৰু $y^2 - ax = 0$ ... (2)

(1)-ৰ পৰা, $y = \frac{x^2}{a}$

$\therefore$ (2)ৰ পৰা, $\frac{x^4}{a^2} - ax = 0$ বা $x(x^3 - a^3) = 0$ বা $x = 0, a$

যেতিয়া, $x = 0$, $y = 0$. যেতিয়া, $x = a$, $y = a$.

$\therefore$ অচল বিন্দুকেইটা হ'ল, (0, 0) আৰু (a, a)

এতিয়া, $rt - s^2 = 36xy - 9a^2$

$\Rightarrow$ (0, 0) বিন্দুত চৰম মান নাই।

(a, a) বিন্দুত $rt - s^2 = 36a^2 - 9a^2 = 27a^2 > 0$

$\therefore$ (a, a) বিন্দুত ফলনটোৰ চৰম মান আছে।

এতিয়া, $r = 6a$

যদি $a > 0, r > 0$ আৰু (a, a) বিন্দুত ফলনটোৰ লঘিষ্ঠ মান আছে।

যদি $a < 0, r < 0$ আৰু (a, a) বিন্দুত ফলনটোৰ গৰিষ্ঠ মান আছে।

উদাহৰণ 5: $\sin x + \sin y + \sin(x+y)$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

সমাধান ঃ ইয়াত, $f(x, y) = \sin x + \sin y + \sin(x + y)$

$f_x = \cos x + \cos(x+y), f_y = \cos y + \cos(x+y)$

$r = f_{xx} = -\sin x - \sin(x+y), s = f_{xy} = -\sin(x+y)$

$t = f_{yy} = -\sin y - \sin(x+y)$

এতিয়া, $f_x = 0$ আৰু $f_y = 0$

$\Rightarrow \cos x + \cos(x+y) = 0$ ... (1) আৰু $\cos y + \cos(x+y) = 0$ ... (2)

(1)-ৰ পৰা (2) বিয়োগ কৰি আমি পাওঁ,

$\cos x - \cos y = 0$ or $\cos x = \cos y \ \therefore x = y$

(1)-ৰ পৰা $\cos x + \cos 2x = 0$ or $\cos 2x = -\cos x = \cos(\pi - x)$

বা $2x = \pi - x$

$$\therefore x = \frac{\pi}{3}$$

$$\therefore x = y = \frac{\pi}{3}$$ এটা অচল বিন্দু।

$\left(\frac{\pi}{3}, \frac{\pi}{3}\right)$ বিন্দুত, $r = -\frac{\sqrt{3}}{2} - \frac{\sqrt{3}}{2} = -\sqrt{3} < 0$

$$s = -\frac{\sqrt{3}}{2}$$

$$t = -\frac{\sqrt{3}}{2} - \frac{\sqrt{3}}{2} = -\sqrt{3}$$

আকৌ, $rt - s^2 = 3 - \frac{3}{4} = \frac{9}{4} > 0$

আৰু $r < 0$

$\therefore \left(\frac{\pi}{3}, \frac{\pi}{3}\right)$ বিন্দুত ফলনটোৰ গৰিষ্ঠ মান আছে। গৰিষ্ঠ মান আছে।

গৰিষ্ঠ মান $= f\left(\frac{\pi}{3}, \frac{\pi}{3}\right) = \sin\frac{\pi}{3} + \sin\frac{\pi}{3} + \sin\frac{2\pi}{3} = \frac{\sqrt{3}}{2} + \frac{\sqrt{3}}{2} + \frac{\sqrt{3}}{2}$

$= \frac{3\sqrt{3}}{2}$

উদাহৰণ 6 : $f(x.y) = x^3 + 3xy^2 - 15x^2 - 15y^2 + 72x$ ফলনৰ গৰিষ্ঠ আৰু লঘিষ্ঠ মান নিৰ্ণয় কৰক।

সমাধান ঃ ইয়াত, $f(x, y) = x^3 + 3xy^2 - 15x^2 - 15y^2 + 72x$ ... ... (1)

(1)ক আংশিকভাৱে x আৰু y সাপেক্ষে অৱকলন কৰি আমি পাওঁ,

$f_x = \frac{\partial f}{\partial x} = 3x^2 + 3y^2 - 30x + 72$

$f_y = \frac{\partial f}{\partial y} = 6xy - 30y$

অচল বিন্দুৰ বাবে $f_x = 0$ আৰু $f_y = 0$.

$\Rightarrow 3x^2 + 3y^2 - 30x + 72 = 0$ ... (2) আৰু $6xy - 30y = 0$

$\Rightarrow 6y(x-5) = 0, \ \therefore y = 0$ বা $x = 5$

$\therefore$ যেতিয়া, $y = 0$, (2)-ৰ পৰা, $3x^2 - 30x \ \ 72 = 0$

$\Rightarrow x = 60r \ \ 4$

যেতিয়া, $x = 5$, (2)-ৰ পৰা, $75 + 3y^2 - 150 + 72 = 0$

$\Rightarrow 3y^2 - 3 = 0$

$\Rightarrow y = \pm 1$

$\therefore$ অচল বিন্দু চাৰিটা হ'ল, (6, 0), (4, 0), (5, 1), (5, –1).

এতিয়া, f_{xx}, f_{xy} আৰু f_{xy}.

$\therefore f_{xx} = r = 6x - 30, \ f_{xy} = s = 6y, \ t = f_{yy} = 6x - 30.$

$\therefore rt = 5^2 = (6x - 30)^2 - 36y^2$

$= 36\{(x-5)^2 - y^2\}$ ... ... (3)

এতিয়া (i), (6, 0) বিন্দুত $r = 36 - 30 = 6 > 0$ আৰু $rt - s^2 = 36 > 0$.

$\therefore$ (6, 0) বিন্দুত ফলনটোৰ মান লঘিষ্ঠ আৰু লঘিষ্ঠ মান,

$= 6^3 + 0 - 15 \times 36 - 0 + 72 \times 6$

$= 216 - 540 + 432$

$= 108$

(ii) (4, 0) বিন্দুত $r = 24 - 30 = -6 < 0$ আৰু $rt - s^2 = 36 > 0$.

$\therefore$ (4, 0) বিন্দুত ফলনটোৰ মান গৰিষ্ঠ আৰু গৰিষ্ঠ মান

$= 4^3 + 0 - 15 \times 16 - 0 + 72 \times 4$

$= 64 - 240 + 288 = 112.$

(iii) (5, 10) বিন্দুত $r = 0$, $rt - s^2 = -36 < 0$

$\therefore$ (5, 1) এটা পর্য্যাণ বিন্দু (Saddle Point) অর্থাৎ এই বিন্দুটোত গৰিষ্ঠ বা লঘিষ্ঠ মান নাই।

(iv) (5, -1) বিন্দুত $r = 0$, $rt - s^2 = -36 < 0$

$\therefore$ (5, –1) বিন্দুত গৰিষ্ঠ বা লঘিষ্ঠ মান নাই অর্থাৎ ই এটা পর্যাণ বিন্দু।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ $f(x, y) = x^3 + y^3 - 3xy$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

প্রশ্ন নং ৬ ঃ $x^2 + y^2 + 6x + 12$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

প্রশ্ন নং ৭ ঃ $U = xy + \frac{a^3}{x} + \frac{b^3}{y}$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।

প্রশ্ন নং ৮ ঃ $Z = x^2 - 3xy + y^2 + 2x = 50$ ফলনটোৰ গৰিষ্ঠ বা লঘিষ্ঠ মান আছেনে নাই পৰীক্ষা কৰক।



১২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ধৰা হ'ল, $f(x, y)$ এটা দুটা চলক বিশিষ্ট ফলন। ধৰা হ'ল, ফলনটোৰ সকলো ক্রমৰ অৱকলজ আছে। তেনেহ'লে, টেলৰৰ শ্রেণীটো হ'ল,

$$f(x+h, y+k) = f(x,y) + \left(h\frac{\partial f}{\partial x} + k\frac{\partial f}{\partial y}\right) + \frac{1}{2!}\left(h^2\frac{\partial^2 f}{\partial x^2} + 2hk\frac{\partial^2 f}{\partial x \partial y} + k^2\frac{\partial^2 f}{\partial y^2}\right) + \ldots$$

আন এটা ৰূপ ঃ (a, b) বিন্দু সাপেক্ষে টেলৰৰ শ্রেণী,

$$f(x,y) = f(a,b) + \left[(x-a)\left(\frac{\partial f}{\partial x}\right)_{(a,b)} + (y-b)\left(\frac{\partial f}{\partial y}\right)_{(a,b)}\right] + \frac{1}{2!}\left[(x-a)^2\left(\frac{\partial^2 f}{\partial x^2}\right)_{(a,b)} + 2(x-a)(y-b)\left(\frac{\partial^2 f}{\partial x \partial y}\right)_{(a,b)} + (y-b)^2\left(\frac{\partial^2 f}{\partial y^2}\right)_{(a,b)}\right] + \cdots \quad (A)$$

a = 0, b = 0 বহুৰাই আমি পাওঁ,

$$f(x,y) = f(0,0) + \left[x\left(\frac{\partial f}{\partial x}\right)_{(0,0)} + y\left(\frac{\partial f}{\partial y}\right)_{(0,0)} \right] + \left[x\frac{\partial^2 f}{\partial x^2}_{(0,0)} + 2xy\left(\frac{\partial^2 f}{\partial x \partial y}\right)_{(0,0)} y^2\left(\frac{\partial^2 f}{\partial y^2}\right)_{(0,0)} \right] + \cdots$$

উপৰিউক্ত (A) শ্রেণীটো মেকলৰিনৰ শ্রেণী বুলি কোৱা হয়।

- f(x, y) ফলনটোৰ x = a, y = b বিন্দুত গৰিষ্ঠ মান থাকে বুলি কোৱা হয় যদি h আৰু k ৰ ক্ষুদ্র আৰু স্বতন্ত্র মানৰ বাবে (ধনাত্মক বা ঋণাত্মক) f(a, b) > f(a+h, b+k).
  f(x, y) ফলনটোৰ x = a, y = b বিন্দুত লঘিষ্ঠ মান থাকে বুলি কোৱা হয় যদি h আৰু k ৰ ক্ষুদ্র আৰু স্বতন্ত্র মানৰ বাবে (ধনাত্মক বা ঋণাত্মক) f(a, b) < f(a+h, b+k).
- (a, b)ত f(x, y) ফলনটো গৰিষ্ঠ বা লঘিষ্ঠ হোৱাৰ প্রয়োজনীয় চর্ত হ'ল,
  $f_x(a, b) = 0$, $f_y(a, b) = 0$

১২.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ইয়াত, $f(x, y) = e^x \log(1+y)$, $f(0, 0) = 0$

$f_x(x, y) = e^x \log(1+y)$, $f_x(0, 0) = 0$

$f_y(x,y) = \frac{e^x}{1+y}$, $f_y(0, 0) = 1$

$f_{xx}(x, y) = e^x \log(1+y)$, $f_{xx}(0, 0) = 0$

$f_{xy}(x,y) = \frac{e^x}{1+y}$, $f_{xy}(0, 0) = 1$

$f_{yy}(x,y) = -\frac{e^x}{(1+y)^2}$, $f_{yy}(0, 0) = -1$

$f_{xxx}(x, y) = e^x \log(1+y)$, $f_{xxx}(0, 0) = 0$

$f_{xxy}(x,y) = \frac{e^x}{1+y}$, $f_{xxy}(0, 0) = 1$,

$f_{xyy}(x,y) = -\frac{e^x}{(1+y)^2}$, $f_{xyy}(0, 0) = -1$

$f_{yyy}(x,y) = \frac{2e^x}{(1+y)^3}$, $f_{yyy}(0, 0) = 2$

.....

$\therefore\ e^x \log(1+y) = f(x, y)$

$$= f(0\ 0) + [xf_x(0, 0) + yf_y(0, 0)] +$$

$$\frac{1}{2!}\left[x^2 f_{xx}(0, 0) + 2xyf_{xy}(0, 0) + y^2 f_{yy}(0,0)\right] +$$

$$\frac{1}{3!}\left[x^3 f_{xxx}(0, 0) + 3xy^2 f_{xyy}(0, 0) + 3x^2 yf_{xxy}(0, 0) + y^3 f_{yyy}(0, 0)\right] + \cdots$$

$$= 0 + \left[x.0 + y.1\right] + \frac{1}{2}\left[x^2.0 + 2xy.1 + y^2(-1)\right] +$$

$$\frac{1}{3!}\left[x^3.0 + 3x^2y.1 + 3xy^2(-1) + y^3.2\right] + \cdots$$

$$= y + xy - \frac{1}{2}y^2 + \frac{1}{2}x^2y - \frac{1}{2}xy^2 + \frac{1}{3}y^3 - \cdots$$

২নং প্ৰশ্নৰ উত্তৰ ঃ নিজে চেষ্টা কৰক।

$13 + 7(x–1) + 16(y–2) + 3(x–1)^2 + 4(x–1)(y–2) + 7(y–2)^2 + (x–1)^3$
$+ (x–1)(y–2)^2 + (y–2)^3 + ...$

৩নং প্ৰশ্নৰ উত্তৰ ঃ নিজে চেষ্টা কৰক।

$$e^{xy}\left[1 + (x-1) + (y-1) + \frac{(x-1)^2}{2!} + (x-1)(y-1) + \frac{(y-1)^2}{2!} + \cdots\right]$$

৪নং প্ৰশ্নৰ উত্তৰ ঃ নিজে চেষ্টা কৰক।

$$(by + abxy) + \frac{1}{6}\left(3a^2b^2x^2y - b^3y^3\right) + \cdots$$

৫নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $f(x, y) = x^3 + y^3 – 3xy$

$$p = \frac{\partial f}{\partial x} = 3x^2 - 3y,\ q = \frac{\partial f}{\partial y} = 3y^2 - 3x$$

$$r = \frac{\partial^2 f}{\partial x^2} = 6x,\ s = \frac{\partial^2 f}{\partial x \partial y} = -3,\ t = \frac{\partial^2 f}{\partial y^2} = 6y$$

গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ বাবে,

$$\frac{\partial f}{\partial x} = 0 \qquad \text{আৰু} \quad \frac{\partial f}{\partial y} = 0$$

$\Rightarrow 3x^2 – 3y = 0$ আৰু $3y^2 – 3x = 0$

বা $x^2 = y$ ... (1) আৰু $y^2 = x$ ... (2)

y-ৰ মান (2) ত বহুৱাই আমি পাওঁ,

$x^4 = x$ বা $x(x^3–1) = 0$

বা $x(x-1)(x^2+x+1) = 0$

বা $x = 0, 1$ [$x^2 + x + 1 = 0$ সমীকৰণৰ মূল জটিল সংখ্যা]

(1)ত $x = 0$ বহুৱাই, আমি পাওঁ, $y = 0$

(1)ত $x = 1$ বহুৱাই, আমি পাওঁ, $y = 1$

$\therefore$ অচল বিন্দু দুটা (0,0) আৰু (1,1).

(0, 0) বিন্দুত $r = 0, s = -3, t = 0$

$$rt - s^2 = 0 - 9 < 0$$

(0, 0) বিন্দুত চৰম মান নাই।

(1, 1) বিন্দুত $r = 6, s = -3, t = 6$

$$rt - s^2 = 36 - 9 = 27 > 0$$

আকৌ, $r = 6 > 0$

$\therefore$ (1, 1) বিন্দুত ফলনটো লঘিষ্ঠ আৰু লঘিষ্ঠ মান = $1 + 1 - 3 = -1$.

৬নং প্ৰশ্নৰ উত্তৰ ঃ ধৰা হ'ল, $f(x, y) = x^2 + y^2 + 6x + 12$

গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ বাবে, $\frac{\partial f}{\partial x} = 2x + 6 = 0$

$2x + 6 = 0$, অৰ্থাৎ, $x = -3$ ... ... (1)

আৰু $\frac{\partial f}{\partial y} = 2y = 0$, অৰ্থাৎ, $y = 0$ ... ... (2)

এতিয়া, $r = \frac{\partial^2 f}{\partial x^2} = 2, s = \frac{\partial^2 f}{\partial x \partial y} = 0, t = \frac{\partial^2 f}{\partial y^2} = 2$

(–3, 0) বিন্দুত $rt - s^2 = 2 \times 2 - 0 = 4 > 0$

$$r = 2 > 0$$

$\therefore$ (–3, 0) বিন্দুত f(x, y) ফলনটো গৰিষ্ঠ আৰু লঘিষ্ঠ মান

$$= f(-3, 0) = 9 + 0 - 18 + 12 = 3.$$

৭নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $u = xy + \frac{a^3}{x} + \frac{a^3}{y}$

গৰিষ্ঠ আৰু লঘিষ্ঠ মানৰ বাবে, $\frac{\partial u}{\partial x} = y - \frac{a^3}{x^2} = 0 \Rightarrow a^3 = x^2 y$

আৰু $\frac{\partial u}{\partial y} = x - \frac{a^3}{y^2} = 0 \Rightarrow a^3 = xy^2$

$\therefore a^3 = x^2 y = xy^2 \Rightarrow x = y = 1$

(a, a) বিন্দুত গৰিষ্ঠ বা লঘিষ্ঠ মান আছে।

এতিয়া, $r = \frac{\partial^2 u}{\partial x^2} = \frac{2a^3}{x^3}$

$$s = \frac{\partial^2 u}{\partial x \partial y} = 1$$

আৰু $t = \frac{\partial^2 u}{\partial y^2} = \frac{2a^3}{y^3} = 2$, (a, a) বিন্দুত

(a, a) বিন্দুত $rt - s^2 = 2 \times 2 - 1 = 3 > 0$

আকৌ, $r = 2 > 0$.

$\therefore$ বিন্দুত ফলনটো গৰিষ্ঠ আৰু লঘিষ্ঠ মান $= a^2 + a^2 + a^2 = 3a^2$.

৮নং প্ৰশ্নৰ উত্তৰ ঃ দিয়া আছে, $z = x^2 - 3xy + y^2 + 2x$

z-ৰ গৰিষ্ঠ বা লঘিষ্ঠ মানৰ বাবে,

$$\frac{\partial z}{\partial x} = 2x - 3y + 2 = 0 \Rightarrow 2x - 3y + 2 = 0 \qquad \text{... ... ... (1)}$$

$$\frac{\partial z}{\partial y} = -3x + 2y = 0 \Rightarrow -3x + 2y = 0 \qquad \text{... ... ...(2)}$$

(1) আৰু (2) সমাধান কৰি আমি পাওঁ, $x = \frac{4}{5}$, $y = \frac{6}{5}$

$\therefore Z\left(\frac{4}{5}, \frac{6}{5}\right)$ বিন্দুটো অচল বিন্দু।

আকৌ, $r = \frac{\partial^2 z}{\partial x^2} = 2, s = \frac{\partial^2 z}{\partial x \partial y} = -3, t = \frac{\partial^2 z}{\partial y} = 2$

$\therefore rt - s^2 = 2 \times 2 - (-3)^2 = -5 < 0$.

$\therefore$ ফলনটোৰ $\left(\frac{4}{5}, \frac{6}{5}\right)$ বিন্দুত চৰম মান নাই।



১২.৭ অধিক জানিবলৈ

1) Apostol Tom M.: *Calculus*; New Delhi: Wiley India (P.) Ltd..
2) Dhami, H. S.: *Differential Calculus*; New Delhi: New Age International (P) Limited Publishers.
3) Ginzburg, A.: *Calculus Problems and Solutions*.
4) Kishan, Hari: *Differential Calculus*; New Delhi: Atlantic Publishers Distributors (P) Ltd.

5) Naryan, Shanti: *Differential Calculus*; S. Chand Limited.
6) Rao, S. Balachandra & Shantha, C. K: *Differential Calculus*; New Delhi: New Age International (P) Limited Publishers.
7) Sharma, A. K.: *Text Book of Differential Calculus*; New Delhi: Discovery Publishing House.
8) Thomas, George B. & Finney, Ross L: *Calculus and Analytic Geometry*; New Delhi: Narosa Publishing House.



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ y^x-ক (1,1) সাপেক্ষে টেলৰ শ্ৰেণী হিচাপে সম্প্ৰসাৰণ কৰক।

প্ৰশ্ন ২ ঃ (1, 2) সাপেক্ষে $x^2y + 2y$-ৰ টেলৰৰ সম্প্ৰসাৰণ নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ (1, –2) সাপেক্ষে তৃতীয় ক্ৰমৰ পদলৈ $2x^2y + x + y$-ৰ সম্প্ৰসাৰণ টেলৰৰ উপপাদ্যৰ সহায়ত নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ ঃ (1, –1) বিন্দু সাপেক্ষে দ্বিতীয় মাত্ৰাৰ পদলৈ $\frac{y^2}{x^3}$ সম্প্ৰসাৰণ কৰক।

প্ৰশ্ন ৫ ঃ অধোলিখিত ফলনবোৰৰ বাবে গৰিষ্ঠ আৰু লঘিষ্ঠ মান নিৰ্ণয় কৰক।

a) $2a^2xy - 3ax^2y - ay^3 + x^3y + xy^3$
b) $3x^4y^2 - 6x^2y^2 + 3x^4 + 2y^3 - 6x^2 - 3x + 1$
c) $\sin x \sin y \sin z$
d) $e^{-x^2-y^2}$

প্ৰশ্ন ৬ ঃ দেখুওৱাক যে $u(x, y) = 2x^2y - x^2 - y^2 + 2y$ ফলনটোৰ চৰম মান নাই।

প্ৰশ্ন ৭ ঃ প্ৰমাণ কৰক যে, যেতিয়া $x = \pm\frac{\sqrt{3}}{2}$, $y = -\frac{1}{4}$ তেতিয়া, $x^4 + 2x^2y - x^2 + 3y^2$ ফলনটো লঘিষ্ঠ।

প্ৰশ্ন ৮ ঃ প্ৰমাণ কৰক যে $x = y = 0$ বিন্দুত $u = x^2y^2 - 5x^2 - 8xy - 5y^2$ ফলনটো লঘিষ্ঠ।

প্ৰশ্ন ৯ ঃ দেখুওৱাক যে (0, 0)ত $u(x, y) = x^2 - 2xy + y^2 + x^3 - y^3 + x^5$ ফলনটোৰ গৰিষ্ঠ মানো নাই, লঘিষ্ঠ মানো নাই।

প্ৰশ্ন ১০ ঃ (2, 1, –3) বিন্দুৰ পৰা $2x + y - 2z = 4$ সমতলখনৰ সৰ্বনিম্ন দূৰত্ব উলিয়াওঁক।

*** ***** ***

অধ্যায় ১৩ ঃ জেক'বিয়ান

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ জেক'বিয়ান
১৩.৩.১ সংজ্ঞা
১৩.৩.২ ধর্ম
১৩.৩.৩ অন্তর্নিহিত ফলনৰ জেক'বিয়ান
১৩.৩.৪ জেক'বিয়ান শূন্য হ'বলৈ প্ৰয়োজনীয় আৰু পৰ্য্যাপ্ত চর্ত
১৩.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১৩.৫ অগ্ৰগতিৰ খতিয়ান
১৩.৬ অধিক জানিবলৈ
১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- জেক'বিয়ান আৰু ইয়াৰ ধর্ম সম্বন্ধে অৱগত হ'ব।

১৩.২ পৰিচয়

একাদশ অধ্যায়ত আমি বহু চলক বিশিষ্ট ফলন, আংশিক অৱকলজ, সুষম ফলন আৰু অইলাৰৰ সুষম ফলন সম্পৰ্কীয় উপপাদ্যৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত আমি জেক'বিয়ান আৰু ইয়াৰ ধর্ম সম্বন্ধে আলোচনা কৰিম।

১৩.৩ জেক'বিয়ান

বহু চলক বিশিষ্ট ফলনৰ বাবে, আমি সিহঁতৰ আংশিক অৱকলজসমূহৰ এটা বিশেষ ফলন উলিয়াওঁ। ইয়াক প্ৰদত্ত ফলনসমূহৰ ফলনীয় নির্ণায়ক বুলি কোৱা হয়। ফলনীয় নির্ণায়ক সম্বন্ধে পোনতে চিন্তা-চর্চা কৰে জার্মান গণিতজ্ঞ কার্ল গুস্তাভ জেক'বিয়ে (1804-1851)। তেওঁৰ নাম অনুসৰি এই ফলনীয় নির্ণায়কসমূহক জেক'বিয়ান (Jacobian) বুলি কোৱা হয়।



কার্ল গুস্তাভ জেক'বি (1804-1851) ঃ এজন জার্মান গণিতজ্ঞ আছিল।

১৩.৩.১ সংজ্ঞা

জেক'বিয়ান এটা ফলনীয় নির্ণায়ক আৰু ইয়াৰ মৌলবোৰ ফলন।

ধৰা হ'ল, u (x, y) আৰু v(x, y) দুটা স্বতন্ত্ৰ চলক x আৰু y-ৰ ফলন।

x, y সাপেক্ষে u, v-ৰ জেক'বিয়ানক $J\left(\frac{u,v}{x,y}\right)$ বা $\frac{\partial(u,v)}{\partial(x,y)}$ ৰে বুজোৱা হয়। ই এটা দ্বিতীয় মাত্ৰাৰ ফলনীয় নিৰ্ণায়ক আৰু ইয়াৰ সংজ্ঞা এনেদৰে দিয়া হয়—

$$J\left(\frac{u,v}{x,y}\right)=\frac{\partial(u,v)}{\partial(x,y)}=\begin{vmatrix}\frac{\partial u}{\partial x} & \frac{\partial u}{\partial y}\\ \frac{\partial v}{\partial x} & \frac{\partial v}{\partial y}\end{vmatrix}$$

সেইদৰে, তিনিটা স্বতন্ত্ৰ চলক x, y, z-ৰ ফলন u, v, w-ৰ জেক'বিয়ানৰ সংজ্ঞা এনেদৰে দিয়া হয়—

$$J\left(\frac{u,v,w}{x,y,z}\right)=\frac{\partial(u,v,w)}{\partial(x,y,z)}=\begin{vmatrix}\frac{\partial u}{\partial x} & \frac{\partial u}{\partial y} & \frac{\partial u}{\partial z}\\ \frac{\partial v}{\partial x} & \frac{\partial v}{\partial x} & \frac{\partial v}{\partial z}\\ \frac{\partial w}{\partial x} & \frac{\partial w}{\partial y} & \frac{\partial w}{\partial z}\end{vmatrix}$$

সেইদৰে, nটা চলকৰ nটা ফলনৰ জেক'বিয়ানৰ সংজ্ঞা দিব পাৰি। যদি nটা স্বতন্ত্ৰ চলক $x_1, x_2, \ldots, x_n$ অৰ $u_1, u_2 \ldots, u_n$ ফলন হয়, তেনেহ'লে,

$$\begin{vmatrix}\frac{\partial u_1}{\partial x_1} & \frac{\partial u_1}{\partial x_2} & \cdots & \frac{\partial u_1}{\partial x_n}\\ \frac{\partial u_2}{\partial x_1} & \frac{\partial u_2}{\partial x_2} & \cdots & \frac{\partial u_n}{\partial x_n}\\ \cdots & \cdots & \cdots & \cdots\\ \frac{\partial u_n}{\partial x_1} & \frac{\partial u_n}{\partial y_2} & \cdots & \frac{\partial u_n}{\partial x_n}\end{vmatrix}$$

নিৰ্ণায়কটোত $x_1, x_2, \ldots, \ldots, \ldots, x_n$ সাপেক্ষে $u_1, u_2, \ldots, \ldots, \ldots, u_n$-ৰ জেক'বিয়ান বুলি কোৱা হয়। ইয়াক $\frac{\partial(u_1,u_2\ldots\ldots,u_n)}{\partial(x_1,x_2\ldots\ldots,x_2)}$ বা $J\left(\frac{u_1,u_2\ldots,u_n}{x_1,x_2\ldots,x_2}\right)$ ৰে বুজোৱা হয়।

টোকা ঃ 1) $J\left(\frac{u,v}{u,v}\right)=\frac{\partial(u,v)}{\partial(u,v)}=\begin{vmatrix}\frac{\partial u}{\partial u} & \frac{\partial u}{\partial v}\\ \frac{\partial v}{\partial u} & \frac{\partial v}{\partial v}\end{vmatrix}=\begin{vmatrix}1 & 0\\ 0 & 1\end{vmatrix}=1$

2) $x_1, x_2, \ldots \ldots \ldots, x_n$ স্বতন্ত্র চলক কেইটাৰ ফলন $u_1, u_2, \ldots, \ldots, \ldots, u_n$ৰ সংজ্ঞা এনেদৰে দিয়া আছে,

$u_1 = f_1(x_1), u_2 = f_2(x_1, x_2), \ldots, \ldots, \ldots, u_n = f_n(x_1, \ldots\ldots\ldots, x_n)$

তেনেহ'লে, $$\frac{\partial(u_1,u_2,\ldots\ldots,u_n)}{\partial(x_1,x_2,\ldots\ldots,x_n)} = \begin{vmatrix} \frac{\partial u_1}{\partial x_1} & 0 & \ldots\ldots\ldots & 0 \\ \frac{\partial u_2}{\partial x_1} & \frac{\partial u_2}{\partial x_2} & \ldots\ldots\ldots & 0 \\ \ldots\ldots & \ldots\ldots & \ldots\ldots & \ldots\ldots \\ \ldots\ldots & \ldots\ldots & \ldots\ldots & \ldots\ldots \\ \frac{\partial u_n}{\partial x_1} & \frac{\partial u_n}{\partial x_2} & \ldots\ldots\ldots & \frac{\partial u_n}{\partial x_n} \end{vmatrix}$$

অর্থাৎ, জেক'বিয়ানটো নির্ণায়কটোৰ মুখ্য কর্ণৰ মৌলসমূহৰ পূৰণফলৰ সমান।

১৩.৩.১ জেক'বিয়ানৰ ধর্ম

I) যদি u, v; r, s-ৰ ফলন আৰু r, s; x, y-ৰ ফলন, তেনেহ'লে

$$\frac{\partial(u,v)}{\partial(x,y)} = \frac{\partial(u,v)}{\partial(r,s)} \times \frac{\partial(r,s)}{\partial(x,y)}$$

প্ৰমাণ ঃ $$\frac{\partial(u,v)}{\partial(r,s)} \times \frac{\partial(r,s)}{\partial(x,y)} = \begin{vmatrix} \frac{\partial u}{\partial r} & \frac{\partial u}{\partial s} \\ \frac{\partial v}{\partial r} & \frac{\partial v}{\partial s} \end{vmatrix} \times \begin{vmatrix} \frac{\partial r}{\partial x} & \frac{\partial r}{\partial y} \\ \frac{\partial s}{\partial x} & \frac{\partial s}{\partial y} \end{vmatrix}$$

$$= \begin{vmatrix} \frac{\partial u}{\partial r} & \frac{\partial u}{\partial s} \\ \frac{\partial v}{\partial r} & \frac{\partial v}{\partial s} \end{vmatrix} \times \begin{vmatrix} \frac{\partial r}{\partial x} & \frac{\partial s}{\partial x} \\ \frac{\partial r}{\partial y} & \frac{\partial s}{\partial y} \end{vmatrix}$$

দ্বিতীয় নির্ণায়কটোৰ স্তম্ভ আৰু শাৰী সালসলনি কৰি,

$$= \begin{vmatrix} \frac{\partial u}{\partial r}.\frac{\partial r}{\partial x} + \frac{\partial u}{\partial s}.\frac{\partial s}{\partial x} & \frac{\partial u}{\partial r}.\frac{\partial r}{\partial y} + \frac{\partial u}{\partial s}.\frac{\partial s}{\partial y} \\ \frac{\partial v}{\partial r}.\frac{\partial r}{\partial x} + \frac{\partial v}{\partial s}.\frac{\partial s}{\partial x} & \frac{\partial v}{\partial r}.\frac{\partial r}{\partial y} + \frac{\partial v}{\partial s}.\frac{\partial s}{\partial y} \end{vmatrix}$$

$$= \begin{vmatrix} \frac{\partial u}{\partial x} & \frac{\partial u}{\partial y} \\ \frac{\partial v}{\partial x} & \frac{\partial v}{\partial y} \end{vmatrix} \quad \left[\begin{array}{l} \because \frac{\partial u}{\partial x} = \frac{\partial u}{\partial r}.\frac{\partial r}{\partial x} + \frac{\partial u}{\partial s}.\frac{\partial s}{\partial x} \\ \frac{\partial u}{\partial y} = \frac{\partial u}{\partial r}.\frac{\partial r}{\partial y} + \frac{\partial u}{\partial s}.\frac{\partial s}{\partial y} \\ \frac{\partial v}{\partial x} = \frac{\partial v}{\partial r}.\frac{\partial r}{\partial x} + \frac{\partial v}{\partial s}.\frac{\partial s}{\partial x} \\ \frac{\partial v}{\partial y} = \frac{\partial v}{\partial r}.\frac{\partial r}{\partial y} + \frac{\partial v}{\partial s}.\frac{\partial s}{\partial y} \end{array} \right]$$

$$= \frac{\partial(u,v)}{\partial(x,y)}$$

সেইদৰে, $\frac{\partial(u,v,w)}{\partial(x,y,z)} = \frac{\partial(u,v,w)}{\partial(r,s,t)} \times \frac{\partial(r,s,t)}{\partial(x,y,z)}$

টোকা ঃ উপৰিউক্ত ফলটো সসীম সংখ্যক চলকলৈ সম্প্রসাৰণ কৰিব পাৰি।

II) যদি x, y সাপেক্ষে u, v-ৰ জেকবিয়ান J_1 হয় আৰু u, v সাপেক্ষে x, y-ৰ জেক'বিয়ান J_2 হয়, তেনেহ'লে, $J_1 J_2 = 1$

অর্থাৎ, $\frac{\partial(u,v)}{\partial(x,y)}.\frac{\partial(x,y)}{\partial(u.v)} = 1$

প্রমাণ ঃ ধৰা হ'ল, $u = f(x, y)$ ... ... (1)

$v = \phi(x, y)$ ... ... (2)

$$\therefore \frac{\partial(u,v)}{\partial(x,y)} \times \frac{\partial(x,y)}{\partial(u,v)} = \begin{vmatrix} \frac{\partial u}{\partial x} & \frac{\partial u}{\partial y} \\ \frac{\partial v}{\partial x} & \frac{\partial v}{\partial y} \end{vmatrix} \times \begin{vmatrix} \frac{\partial x}{\partial u} & \frac{\partial x}{\partial v} \\ \frac{\partial y}{\partial u} & \frac{\partial y}{\partial v} \end{vmatrix}$$

দ্বিতীয় নির্ণায়কটোৰ শাৰী আৰু স্তম্ভ সালসলনি কৰি,

$$= \begin{vmatrix} \frac{\partial u}{\partial x} & \frac{\partial u}{\partial y} \\ \frac{\partial v}{\partial x} & \frac{\partial v}{\partial y} \end{vmatrix} \times \begin{vmatrix} \frac{\partial x}{\partial u} & \frac{\partial y}{\partial u} \\ \frac{\partial x}{\partial v} & \frac{\partial y}{\partial v} \end{vmatrix}$$

